# Centre for Studies in Social Sciences, Calcutta

**Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006**

| | |
|---|---|
| Record No: 2006/ 109 | Language of work: Assamese |
| Author (s) / Editor (s): ✓ Biswanarayan Sasri | |
| Title: অসম সাহিত্য সভা পত্রিকা | |
| Transliterated Title: Asama Sahitya Sabhaa Patrika | |
| Translated Title: Magazine of Asam Sahilya Sabha | |
| Place of Publication: Jorhat | Publisher: Asam Sahilya Sabha |
| Year: ~~1965 (1885 Sak)~~ 1963 (1885) | Edition: |
| Size: 23½ cms. 64+54+105 pages | Genre: Magazine |
| Volumes: 22 - 3 issue | Condition of the original: Brittle |
| Remarks: [illegible] 1st vol. published in the year 1927 and has been continuing. | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |

# অসম সাহিত্যসভা পত্ৰিকা

দ্বাবিংশ বছৰ | ১৮৮৫ শক, ভাদ-আহিন | দ্বিতীয় সংখ্যা

## কবীৰ-পৰিচিতি

শ্ৰীআনন্দচন্দ্ৰ বৰুৱা

অমৰ ভক্ত কবি কবীৰৰ দোঁহাৱলী আৰু ভজন সংগ্ৰহৰ মাজত যি চিন্তা দৰ্শন আৰু ভাৱধাৰা বৈ আছে তাৰ তুলনা নাই। পুণ্যতোয়া গঙ্গাৰ পবিত্ৰ ধাৰাৰ দৰে সেই চিন্তাই মানুহৰ মন নিকা কৰি খন্তেকতে সকলো গ্লানি ধুই দিব পাৰে। এটি দোঁহাত কবীৰে কৈছে:

যাঁহা প্ৰেম তাঁহা নেম নহি তাঁহা ন বুধ বেওহাৰ।
প্ৰেম মগন যব মন ভয়া তব কৌন গিণে তিথিবাৰ॥

য'ত প্ৰেম জন্মে তাত কোনো নিয়মৰ বাধা-নিষেধ নাথাকে, বুদ্ধি ব্যৱহাৰ নাখাটে। যেতিয়া মন প্ৰেমত মগ্ন হয়, কোনে তেতিয়া তিথিবাৰ গণে?

ঈশ্বৰ প্ৰেমত যেতিয়া ভক্তৰ প্ৰাণ মগ্ন হয় তেতিয়া ভক্তই আৰু নিয়ম-কাৰণ, বুদ্ধি বিচাৰৰ অপেক্ষা নকৰে। তিথিবাৰৰ 'হচাপো' নৰাখে। কাৰণ, প্ৰেমৰ ধাৰাত অভিষিক্ত হলে আৰু দিন-বাৰ, তিথি-নক্ষত্ৰৰ ক্ষুদ্ৰ ক্ষুদ্ৰ সীমাৰ কথা ভক্তই পাহৰি যায়, কেৱল তেওঁৰ মানসত থাকে নিজ ইষ্টৰ অনন্ত প্ৰেৰণাৰ মূল ভক্তি। ভক্তিমাৰ্গৰ এয়েই বিশেষ লক্ষণ। শ্ৰীচৈতন্যদেৱে কৈছে:

প্ৰেম প্ৰেম কহে সবে প্ৰেম জানে কেবা
প্ৰেম কিগো হয় কভু ৰমণীৰ সেৱা।
বিৰহা বিৰহা মত কহে বিৰহা হ্যায় চুলতান।
যো ঘট বিৰহা ন সঞ্চৰে সো ঘট জান মশান॥

বিৰহ বিৰহ বুলি খেদ নকৰিবা। বিৰহই মনৰ চুলতান বাদশ্বাহ। যি খন হৃদয়ত বিৰহৰ সঞ্চাৰ নহয় - সেই হৃদয় শ্মশানৰ সমান।

ৰবীন্দ্ৰনাথে এটি গীতত কৈছে:

দহনের তীব্ৰ শিখায়
আমারে পুড়িয়ে ফেলো
পুড়িয়ে ফেলো, পুড়িয়ে ফেলো।

ইষ্টক লাভ কৰিবলৈ ভক্তৰ প্ৰাণত যেতিয়া বিৰহানল জ্বলি উঠে—তেতিয়াই ভক্তিৰ সোঁত তেওঁৰ হৃদয়ত বৈ যায়। নিজ ইষ্টৰ যশস্যা কীৰ্ত্তন কৰি, ইষ্টক স্মৰণ কৰি, তেওঁৰ মহিমা সুঁৱৰি ভক্তৰ প্ৰাণ ভৰি উঠে। যদি হৃদয়ত একো বেদনাই নোপজে তেন্তে শুকান-নীৰস হৃদয় শ্মশান-সদৃশ হৈ থাকে। সেইহে ভক্তি-মাৰ্গৰ এই ধাৰাক মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱেও 'ৰসময়ী' বুলি আখ্যা দি গৈছে।

নিন্দক দুৰ না কি,জয়ে কিজৈ আদৰ মান ।
নিৰমল তন-মন চৰ কৰে ওৱাকে আনহি আন ॥

নিন্দুকবিলাকৰো দুৰলৈ ঠেলি নিদিবা । তেওঁবিলাকৰো আদৰ সন্মান কৰা । কাৰণ পৰনিন্দা কৰি নিন্দুকবিলাকে নিজৰ তনু-মনহে পৰিষ্কাৰ কৰে ।

এই দোঁহাটিত মনস্তত্বৰ এটি গভীৰ সত্য লুকাই আছে । মানুহে গালি-শপনি বা পৰনিন্দা কৰে কেতিয়া ? অন্তৰত সঞ্চিত হৈ বহুদিনীয়া বিৰূপ ভাববোৰ যেতিয়া আৰু লুকুৱাই থ'ব নোৱাৰা হৈ পৰে, হঠাৎ এদিন দুৰ্ব্বল মুহূৰ্ত্তত ওলাই পৰে । হেঁপাহ পলুৱাই তেওঁ যেতিয়া সেই নিন্দা-গ্লানিবোৰ ঢালি দিয়ে, তেতিয়া তেওঁৰ মনটো মুকলি লাগি পৰে । মহাপুৰুষ কবীৰে কৈছে তেনে লোকক পুত্তো কৰা । প্ৰেমেৰে জয় কৰা ।

কুশল কুশলহি পুছতে জগমে ৰহাল কোয় ।
জৰা মুই না ভয় মুৱা কুশল কাঁহাচে হোই ॥

জগতত মানুহে মানুহক কুশল-মঙ্গলৰ কথা সোধে । জগতত নো কোন কেইদিন থাকে ? জৰা-মৰণৰ ভয়েৰে ভৰা এই জগতত কুশল নো কিহৰ পৰা হ'ব ?

নাম ৰতন ধন পায় কৰ গাঁঠী বাঁধন খোল ।
নাহি পণ নাহি পাৰখু নাহি গাহক নাহি মোল ॥

কাম-ক্ৰোধ-লোভ-মোহ মদ-মাৎসৰ্য্য স্বৰূপ গাঁঠিবোৰৰ বান্ধোন খুলি দিয়া । ইষ্টৰ নাম স্বৰূপ যি ৰত্ন পাইছা সেই ৰত্নৰ পণ নাই, পৰীক্ষক নাই, গ্ৰাহক নাই, মূল্য নাই—সি অমূল্য ৰত্ন । আমাৰ মহাপুৰুষীয়া দৰ্শনতো আছে :

জানিলোঁ জানিলোঁ
নামেই পৰম ধন জানিলোঁ ।

নাম কণ্ঠতে থাকে ; এই কাৰণে মহাপুৰুষে কৈছে ।
পাৰে যেন কণ্ঠ-লগ্ন ৰত্নক সাক্ষাতে ।

বিনা কহে হ সৎপুৰুষ পৰণে পুঁৰে আশ ।
কৌন কহতহৈ সুৰকোঁ ঘৰ ঘৰ কৰত প্ৰকাশ ॥

সৎ পুৰুষসকলে নিবিচৰাকৈয়ে লোকৰ আশা পূৰ্ণ কৰে । সূৰ্য্যকনো কোনে প্ৰাৰ্থনা কৰিছে কিন্তু তেওঁ দেখোন ঘৰে ঘৰে নিজৰ ইচ্ছাৰেই পোহৰ বিতৰণ কৰি আছে । পৰোপকাৰেই পৰম ধৰ্ম্ম—এই উপদেশৰ এনে মনোগ্ৰাহী দোঁহাত কবীৰৰ গভীৰ হৃদয়ৰ এটি চাপ অঙ্কিত হৈ আছে ।

যাঁহা সুমতি তাঁহা জানিয়ে সম্পত্তি আপু
আই ।
যাঁহা কুমতি তাঁহা জানিয়ে বিপত্তি হোয়
সদায় ॥

য'ত সুমতিৰ উদয় হয় তালৈ সম্পত্তি আপোনা-আপুনি আহে । য'ত কুমতি, তাত সদায় বিপত্তি জুগুচে । যি মানুহৰ মনত সদায় সুমতি বিৰাজ কৰে তেওঁৰ চিন্তাত সৎ ভাব স্বৰূপ সম্পত্তিৰ অভাৱ নহয়, কিন্তু যাৰ মন কুমতিৰে পূৰ্ণ তেওঁ সদায় আটাইবোৰ বিপত্তিকে দেখা পায় । ঠিক যেন পোহৰ আৰু আন্ধাৰৰ দুটা দিশ ।

বোল্‌কে মোল নহি যো কহনে জানে বোল্ ।
হৃদয় তৰাজু তৌলকে তবহুঁ খোলকে বোল ॥

যি জনে খুব ভালকৈ কথা ক'ব জানে তেওঁৰ কথাৰ মূল্য নাই । কথা কোৱাৰ আগতে হৃদয়ৰ তৰ্জ্জুত জুখি-মাখি লৈ কৰলগীয়া কথা কিটি কোৱা—তেহে কথাৰ মূল্য থাকিব ।

ৰসন চাক্ষ কৰ ৰে মন ধৰ গৰীবি বেশ ।
শীতল বোলি লেকে চল সবহি তোমাৰা দেশ ।

ৰসনা ( জিভা ) পৰিষ্কাৰ কৰা । গৰীবৰ দৰে থাকা । শীতল বচন লৈ বাট বুলি যোৱা । যেনিয়েই যোৱা তেনিয়েই তোমাৰ নিজৰ দেশ ।



কবীৰৰ এই দোঁহাটিত মানৱ প্ৰেমৰ গভীৰ বীজ নিহিত হৈ আছে । জগদগুৰু শ্ৰীমন্ত শঙ্কৰাচাৰ্য্যই কৈছে :

মাতা চ পাৰ্ব্বতী দেৱী পিতা দেৱো মহেশ্বৰঃ ।
বান্ধৱাঃ শিৱ ভক্তাশ্চ স্বদেশো ভুৱনত্ৰয়ম্ ॥

যদি জিভাৰ পিছল খোৱা ভয় নাথাকে, সৰ্ব্বসাধাৰণ জনগণৰ দৰে সকলোৰে লগত মিলি থাকিব পৰা বেশ থাকে, তেন্তে আমি য'লৈকে যাওঁ মানুহকেই লগ পাম । মানুহ মানুহৰ কাৰণে ।

কৌৱা কিচ্‌কা ধন হৰে কোকিল কিচ্‌কো দে ।
মিঠি বাতচে পিকবৰ জগৎ বশ কৰকে লে ॥

কাউৰীয়েনো কাৰ ধন হৰণ কৰিছে আৰু কোকিলেনো কাক ধন দিছে । মিঠা মিঠা মাতেৰেই পিকশ্ৰেষ্ঠ কুলিয়ে জগত বশ কৰিছে ।

কাউৰীৰ টেংটেঙীয়া মাতটো শুনিলে আপদ যেন পাই মানুহে দলিয়াই কাউৰীক খেদি দিয়ে আৰু কুলিৰ কুহু ধ্বনি শুনিলে কাণ পাতি শুনি থাকে । অসমীয়া যোজোনা-ফকৰাতো পোৱা হয়—

আছে দান, নাই সন্নিধান
ভোজন মিঠা নে বচন মিঠা ।

মিঠা মাতেই মানুহক তৃপ্তি দিয়ে ।

নিপট অবুধ চমঝৈ কৰা বুধজন বচন বিলাস ।
কবহু ভেক ন জানহিঁ অমল কমল কি বাস ॥

বুধজনে কোৱা জ্ঞান-গৰিমাৰ বচনবিলাকৰ প্ৰতি মূৰ্খ মানুহে কাণসাৰ নিদিয়ে । বিলৰ কাষতে টোৰটোৰাই থকা ভেকুলীবোৰে অমল কমলৰ সৌৰভ কি একো নাজানে ।

গোধন গজধন বাজিধন আওৰ ৰতন-ধন খান্ ।
যব আওৱে সন্তোষ ধন সব ধন ধূল সমান ॥

হাতী, ঘোঁৰা' গৰু মহ, ধন-সম্পত্তি নদন বদন হৈ থক । যেতিয়া মনলৈ সন্তোষ-ধন আহে তেতিয়া সেই সকলো ধন ধূলিৰ সমান হয় ।

নামঘোষাত কৈছে :

সন্তোষ অমৃত পান কৰিল যিজন নৰ
তাক আৰ লাগে কিবা ধন ?

যো তুকোঁ কাঁটা বুঁয়ে তাকে বুঁই তু ফুল ।
তোকোঁ ফুলকে ফুল থেঁয় তা কোঁ কাঁটা
হৈ ত্ৰিশূল ॥

যি তোমাৰ বাটৰ কাঁইট পেলাইছে, তাত তুমি ফুল ছটিয়াই দিয়া । তোমাৰ ফুলবোৰ ফুল হৈয়েই থাকিব আৰু তাৰ কাঁইটবোৰ হব ত্ৰিশূল ।

জোলা তাঁতীৰ নিৰক্ষৰ সন্তান কবীৰ আছিল কাশী-বিশ্বনাথৰ বাসিন্দা । সদাশিৱৰ ত্ৰিশূল ঐশ্বৰিক শক্তিৰ প্ৰতীক । কোনোৱে শত্ৰুতাচৰণ কৰি কাঁইট পুতিলে সেই কাঁইটক অতিক্ৰম কৰিব পৰা যি শক্তি লাভ হয় সিও দিব্যশক্তি ।

বহুত পচাৰা জিন্‌কৰ কৰ খোড়ে কি আশ ।
বহুত পচাৰা সিন কিয়া তেভি গিয়ে নিৰাশ ॥

বহুত আড়ম্বৰ জয় কৰি, অলপ আশা কৰা । যি বহুত পাবলৈ আশা কৰে তেওঁ নিৰাশ হয় ।

আশা কৰাটো মানুহৰ স্বভাব । কবীৰে মানুহক আশা কৰিবলৈ মানা কৰা নাই । কিন্তু অতি আশা কৰা ভাল নহয় এই কথাও সোঁৱৰাই দিছে ।

কবীৰ সেই পীৰ হেই যো জানে পৰ পীড় ।
যো পৰ পীড় না জানই-সো কাফেৰ বেপীৰ ॥

কবীৰে কয় তেৱেঁইহে আচল পীৰ (সাধু) যি জনে পৰৰ পীড়া অনুভৱ কৰিব পাৰে । যিজনে পৰৰ

দুখ বুজি নাপয় তেওঁ নো কিহৰ বেপাৰী! পৰদুখকাতৰতাই মহানুভৱতা !...

তৰুবৰ সৰবৰ সন্তজন চৌথেবৰখে মেহ।
পৰমাৰথকে কাৰণ চাৰো ধৰে দেহ ॥

তৰুবৰ সৰোবৰ সন্তজন আৰু মেঘ এই চাৰিও পৰমাৰ্থ সিদ্ধিৰ কাৰণেই দেহ ধাৰণ কৰিছে। তৰুৱে পথিকক ছাঁয়া দিছে, সৰোবৰে পান কৰিবলৈ পানী লৈ আছে, সন্তজনে সাধু-বচনৰে মানুহৰ মন নিকা কৰিছে আৰু মেঘে জল দান কৰিছে।

"ইহ জগ কোটি কাটকি চঁহ দিশ লাগি আগ।
ভিতৰ ৰহে যো জ্বলে মুয়ে সাধু উবৰে ভাগ ॥"

এই জগতখন কোটি কোটি কাঠেৰে ভৰা, চৌদিশে দপ দপকৈ জুই লাগি আছে। যিজন ইয়াৰ ভিতৰত সোমাই আছে তেওঁ জ্বলি পুৰি মৰে। সেই কাৰণে সাধুসকল ইয়াৰ বাহিৰত থাকে।

তনকো যোগী সব কোই কৰে মন যোগী
কৰে না কোই।
সহজে সব সিধ পাইয়ে যো মন যোগী হোই ॥

দেহাটোক যোগী ৰূপে সকলোৱে সজায়, কিন্তু কোনেও মনটোক যোগী নকৰে। যি মনক যোগী কৰিব পাৰে তেওঁৰ সকলো কাম সহজে সিদ্ধি হয়।

লেনেকো সতনাম হেয় দেনেকো অন্নদান।
তৰনেকো হেয় দীনতা, ডুবনেকো অভিমান ॥

পৃথিৱীত ল'বলগীয়া বস্তুৰ ভিতৰত আছে এটি বস্তু—সৎনাম। দিবলগীয়া বস্তুৰ ভিতৰত আটাইতকৈ শ্ৰেষ্ঠ অন্নদান। তৰিবৰ এক মাত্ৰ উপায় দীন-ভাৱে জীৱন যাপন আৰু ডুবিবৰ এক মাত্ৰ পথ অভিমান।

ক্ষুধাতুৰক অন্নদান কৰাৰ সমান পুণ্য কৰ্ম্ম নাই। সৰল-সহজ জীৱন যাপন কৰাৰ সমান তৰিবৰ উপায় আন নাই আৰু অজ্ঞান আন্ধাৰত ডুবি মৰিবৰ একমাত্ৰ কাৰণ অভিমান।

মেৰা মুৰকো কুছ নহি যো কুছ, হেয় সো তোৰ।
তুসকো সোঁপতে ক্যা লাগে গা মোৰ

মোৰগুলি কবলৈ মোৰ একোটিয়ে নাই। যি কিবা আছে সকলো তোমাৰ। তেনে স্থলত তোমাৰ বস্তু তোমাকেই অৰ্পণ কৰিবলৈ মোৰ গাত একো নালাগে।

আত্ম সমৰ্পণৰ এই সুৰেই ভক্তি-মাৰ্গৰ চূড়ান্ত ভাৱ। ইয়াৰ পাছতে ভক্তই সমাধি লাভ কৰে। ইষ্টৰ চৰণত যথাসৰ্ব্বস্ব অৰ্পণ কৰি আত্ম বিলীন কৰে।

বুদ সমুন্দাৰ মে সমান সো মানে সব কোই।
সমুন্দৰ সমানা বুদ মে বুঝে বিৰলা কেয় ॥

পানীৰ কণিকাবোৰ গৈ সাগৰত মিলি যায় গৈ এই কথাটো সকলোৱে জানে। কিন্তু সমুদ্ৰও যে সেই পানীৰ কণাতেই মিলি যায়—এই কথা বুজা লোক অতি বিৰল।

ক্ষুদ্ৰ ক্ষুদ্ৰ পাণীৰ কণা আৰু বিশাল সমুদ্ৰ—পৰস্পৰ সম্পৰ্কযুক্ত। পৰস্পৰৰ লগত মিলিব পৰা বিশ্বব্ৰহ্মাণ্ডৰ ক্ষুদ্ৰ ক্ষুদ্ৰ আটাইবোৰ গৈ শেষত যি পৰম পুৰুষত বিলীন হয় সেই পৰম পুৰুষো ক্ষুদ্ৰ ক্ষুদ্ৰবিলাকৰ লগত মিলি যায় ॥

---

# বৈদিক যুগৰ ধৰ্ম্ম আৰু দৰ্শন

( পূৰ্ব্বানুবৃত্ত )

( ভাৰতীয় বিদ্যাভৱনে প্ৰকাশ কৰা 'দি বেদিক এইজ' নামৰ গ্ৰন্থৰ এছোৱাৰ অসমীয়া ভাঙনি। অসম একাডেমিৰ সৌজন্যত অনুবাদ পোৱা হৈছে।
—সম্পাদক )

অনুবাদ— শ্ৰীসদানন্দ চলিহা।

প্ৰকৃতিৰ ব্ৰাহ্মাণ্ডিক দিশটো যোদ্ধা ৰূপতকৈ বেছিহে পুৰাণ; প্ৰথমটোৰ ক্ষতি সাধিহে দ্বিতীয়োক্ত গুণটোৱে প্ৰাধান্য লভা যেন দেখা যায়। তেওঁৰ কায়িক সৌষ্ঠৱ আৰু শক্তি অপৰিসীম—প্ৰায় ব্ৰাহ্মাণ্ডিক। তেওঁৰ হাতত আছে বজ্ৰ—তেওঁৰ আছুতীয়া অস্ত্ৰ, যদিওবা তেওঁ এটা ধৰশা আৰু ধনুৰ্ব্বাণো লৈ ফুৰে। তেওঁ ৰথাসীন যোদ্ধা ("ৰথেষ্ঠ") আৰু তেওঁৰ সোণালী ৰথখন এহাল ঘোঁৰাই টানি লৈ ফুৰায়। অন্য যি কোনো দেৱতাতকৈ তেওঁ সোমৰ প্ৰতি বেছি অনুৰক্ত; সি তেওঁক যুদ্ধলৈ উত্তেজিত কৰে। "সোমপা" (সোম-পানকাৰী) আখ্যাটো তেওঁৰ লক্ষণ হিচাপে গণিত হৈছে। তেওঁৰ পিতৃ কেতবোৰ পৰিচ্ছেদ অনুযায়ী দ্যৌ:, অন্য ঠাইত আকৌ ত্বষ্টা। অগ্নি তেওঁৰ যমজ ভ্ৰাতৃ; দ্বৈত দেৱ ৰূপে প্ৰায় সঘনে ইন্দ্ৰৰ লগত অগ্নিক সংযুক্ত কৰা হয়। মৰুত-সকল ইন্দ্ৰৰ মুখ্য আৰু অবিচলিত মিত্ৰ; "মৰুত্বত্ত" আখ্যা তেওঁৰ একেবাৰে নিজস্ব তাৰতম্য ঘটাই সঘনে পুনৰাবৃত্তি কৰা তেওঁৰ প্ৰকৃতিৰ ভিত্তি স্বৰূপ ঘাই আখ্যানটো হল বৃত্ৰ আখ্যান। সোম পান কৰি মতলীয়া হৈ মৰুতসকল লগত লৈ তেওঁ বৃত্ৰক [ সময়ত 'অহি' (সাপ) বোলা হয়] আক্ৰমণ কৰে। বৃত্ৰক তেওঁ নিশ্চিহ্ন কৰে। এই বৃত্ৰই জলৰাশিক বন্ধ কৰি থৈছিল আৰু সেইবাবে ইন্দ্ৰই "অপ্-জিৎ" (অপ্‌ৰাশিত বিজয়ী) বোলা নিজস্ব খিতাপটো অৰ্জ্জন কৰে। সঘনে লাগি থকা এই সংগ্ৰামতে তেওঁ গিৰিমালা ভেদ কৰি, খোৰাৰত বন্দী হৈ থকা গৰুৰ দৰে কন্দৰত বন্ধ হৈ থকা জলৰাশি মুকলি কৰি দিয়ে। ইন্দ্ৰই গতিয়াই উলিয়াই দিয়া দানৱবোৰে 'পৰ্ব্বত' বা 'গিৰি'ত (পৰ্ব্বত বা ডাৱৰত?) বসতি কৰিবলৈ লয় আৰু 'অদ্ৰি' (শিল) এটাই জলৰাশিক বন্ধ কৰি ৰাখে বুলি কোৱা হৈছে। জলবাহী ডাৱৰবোৰক অন্তৰিক্ষনিবাসী দানৱ ইতৰ দুৰ্গ ("পুৰ") বুলি কল্পনা কৰা হৈছে। এই-বোৰ হয় শাৰদী নহয় শিল বা অয়োনিৰ্ম্মিত আৰু সংখ্যাত ৯০, ৯৯ বা ১০০ বুলি বৰ্ণোৱা হৈছে। ইন্দ্ৰক সেইদেখি বেচ লক্ষণযুক্ত ভাৱেই "পুৰভিদ" (দুৰ্গ-নাশক) বোলা হৈছে; কিন্তু তেওঁৰ মুখ্য আৰু নিজস্ব খিতাপ হল "বৃত্ৰহা" বা বৃত্ৰহন্তা।

জলৰাশিক নিষ্কৃতি দিয়াটো পোহৰ, সূৰ্য্য আৰু প্ৰভাত জিনাৰ সমসাময়িক। বৃত্ৰ সংগ্ৰামৰ অবিহনেও তেওঁ পোহৰ, উষা আৰু সূৰ্য্যক বিচাৰি পাইছিল আৰু সূৰ্য্যৰ বাবে কক্ষপথ এটাও উলিয়াই দিছিল বুলি কথিত আছে। বেলি আৰু পুৱাৰ সৈতে উল্লিখিত গৰুবোৰ ৰাতিপুৱাৰ জিলিকনি বুলি বুজিব লাগিব। গৰু, সূৰ্য্য আৰু বৃত্ৰ-বধৰ লগত সোম প্ৰাপ্তিও জড়িত। তেওঁ আকাশত বিজুলী সৃষ্টি কৰি অপৰাশিৰ নিম্নগামী গতি উন্মুক্ত কৰিলে বুলি কওঁতে ঢেৰেকনিৰ লগত তেওঁৰ সম্বন্ধ থকাটোৱেই সূচিত হৈছে।

যিবিলাক ব্ৰাহ্মাণ্ডিক কাৰ্য্য দেৱতাবৰ্গৰ দ্বাৰা সংসাধিত হৈছে বুলি সচৰাচৰ কোৱা হয়, সেইবোৰ ইন্দ্ৰৰ ওপৰতো আৰোপ কৰা হয়। তেওঁৰ বিশেষ কৃতিত্ব হল এই যে তেওঁ ফাট মেলি থকা গিৰিমালা আৰু সমভূমি সুস্থিৰ কৰিলে।

দানৱহন্তা ৰূপে ইন্দ্ৰ স্বাভাৱিকতে প্ৰিয়

ৰণদেৱতা। যোদ্ধাসকলে আন যি কোনো দেৱতাতকৈ ঘনাই তেওঁৰ নাম লয়। তেওঁ "আৰ্য্য বৰ্ণ" ৰক্ষা কৰে আৰু কৃষ্ণকায়ক—দস্যুসকলক—পদানত কৰি ৰাখে। তেওঁ ভক্তসকলৰ প্ৰতি ইমানেই উদাৰ যে "মঘৱা" (বদান্য) তেওঁৰ প্ৰায় অনন্যসাধাৰণ আখ্যা হৈ পৰিছে।

বৃত্ৰ-আখ্যানৰ উপৰিও অন্যান্য সৰু সুৰা কাহিনী কিছুমান তেওঁৰ সম্পৰ্কত বৰ্ণোৱা হৈছে, যেনে "উষাৰ ৰথ ভাঙি-ছিঙি পেলোৱা আৰু সূৰ্য্যৰ ঘোঁৰা লোধ কৰি খোৱা।" এই কাহিনীবোৰৰ কিছুমানত ঐতিহাসিক ভিত্তিও আছে; তেওঁ সুদাসক সহায় কৰিলে বুলি থকা উল্লেখত এই ভিত্তি দেখা যায়।

তেওঁৰ শাৰীৰিক শ্ৰেষ্ঠতা, খোৱা-পিয়াত তেওঁৰ অমিতাচাৰ আৰু নিজৰ পিতৃ ত্বষ্টাক নিধন কৰি দেখুওৱা নিষ্ঠুৰতা সহ ইন্দ্ৰ ঋতৰ অধিকৰ্ত্তা বৰুণৰ তেনেই প্ৰতিকুল।

ইন্দ্ৰৰ অৰি বৃত্ৰৰ চৰিত্ৰ বিশ্লেষণ কৰিলেহে ইন্দ্ৰৰ প্ৰকৃত চৰিত্ৰ উপলব্ধি কৰিব পৰা যাব। সু-প্ৰতিষ্ঠিত ভাষ্যকাৰ আৰু ভালেমান পণ্ডিতে বৃত্ৰক ডাৱৰৰ মাজত পানীবোৰ বন্ধ কৰি থোৱা অনাবৃষ্টিৰ এক দানৱ বুলি ভাবে। পিছে অধিকতৰ যুক্তিসঙ্গত মত হল এই যে বৃত্ৰ আদিতে আছিল তুষাৰখণ্ড আৰু শীতৰ এক দানৱ, যাৰ গৰাহৰপৰা জলৰাশিক প্ৰতি বছৰেই মুকলি কৰি আনিব লগা হয়। শিল-ধুমুহা আৰু বৰষুণেই বৃত্ৰ আখ্যানৰ একমাত্ৰ প্ৰাকৃতিক ভিত্তি নহয়; বৈদিক ভাৰতীয়সকলৰ পৰৱৰ্ত্তী গৃহভূমিৰ ভৌগোলিক আৰু বায়ুমণ্ডলমূলক পৰিবেশে হাখোন শিল-ধুমুহা দেৱতা হিচাপে ইন্দ্ৰৰ আখ্যানজাত ৰূপটোৰ ব্যাখ্যা বৰ সহজবোধ্য কৰি তুলিব পৰাকৈ মূল আখ্যানটো পৰিবৰ্দ্ধিত কৰাত সহায়হে কৰিলে। এই মতটোৰ সপক্ষে তলত দিয়া কথা কেইটাৰ উল্লেখ কৰিব পাৰি:

(১) ইন্দ্ৰ বৃত্ৰ-আখ্যানত শিল ধুমুহা বা বৰষুণ বৰ কমেইহে উল্লেখ হৈছে আৰু ইয়াত ডাৱৰৰ ভূমিকাও নিতান্ত গৌণ। (২) যিহেতু ইন্দ্ৰই মুক্ত কৰা অপৰাশি দৌৰত ঘোঁৰা যোৱাৰ দৰে লৰি যোৱা বুলি বৰ্ণোৱা হৈছে, সেইবাবে বৰষুণৰ পানী অৰ্থ কৰা হোৱা নাই; কিয়নো বৰষুণৰ পানীয়ে দিগবলয়ত সমতলতাৰে গতি নকৰে আৰু অনেহাতে ঘোঁৰা দৌৰো লম্বমান গতিত নহয়। (৩) যিহেতু বজ্ৰ ধাতুৰে নিৰ্ম্মিত বুলি কোৱা হৈছে সেই বাবে ই যে বজ্ৰপাতক বুজাইছে, সেইটো নিশ্চয়কৈ কব নোৱাৰি। (৪) ইন্দ্ৰ যদি বজ্ৰপাতৰ দেৱতাই হয়, তেন্তে পৰ্জ্জন্য বোলা দেৱতাজনৰ সৃষ্টি অনাহক হৈ পৰিব। (৫) হিন্দ ইউৰুপীয় আখ্যায়িকাৰ সমৰ্থক আখ্যানবোৰে সূচায় যে বৃত্ৰ-সংহাৰৰ বৰ্ণনা ভাৰতত উৎপত্তি হোৱা নাছিল, হৈছিল এনে এখন দেশত য'ত ভয়াবহ শীতত মাটি পানী জৰ্জ্জৰিত কৰি হৈছিল। বৃত্ৰ আখ্যানটো কাশ্মীৰ বা উত্তৰ-পশ্চিৰ দেশবোৰৰপৰা আৰ্য্যসকলৰ লগে লগে পঞ্জাবলৈ আহে। (৬) যিহেতু ছুপৰীয়াৰ প্ৰশান্তি ইন্দ্ৰ আৰু মৰুতসকলৰ বাবে আহুতীয়াকৈ ৰখা হৈছে, সেইদেখি আখ্যায়িকাৰ ফালৰ বা ইন্দ্ৰই খুব সম্ভৱ ভৰ-ছুপৰীয়াৰ বেলিকে বুজাইছে। গতিকে ইন্দ্ৰ পোনতে এজন পোহৰৰ দেৱতা হোৱাই সৰ্ব্বতোপ্ৰকাৰে সম্ভৱপৰ।

ত্ৰিত আপ্ত্য, অপাং নপাৎ, মাতৰিশ্বা, অহি বুধ্ন্য আৰু অজ একপাদ প্ৰভৃতি সৰস্বৰা অন্তৰীক্ষস্থানীয় দেৱগণক এৰি থৈ আমি এতিয়া ৰুদ্ৰৰ ফালে চকু দিওঁ। ঋগবেদত তেওঁ এজন গৌণ দেৱতা যদিও পৰৱৰ্ত্তী আখ্যায়িকাৰ ফালৰপৰা মনোযোগৰ পাত্ৰ। তেওঁৰ চুলি জটা বন্ধা আৰু বৰণ মুগা চানেকীয়া। তেওঁ সোণৰ গহনা পিন্ধে আৰু উজ্জ্বল গলপত্তা (নিষ্ক) এডালো পিন্ধে তেওঁ মৰুতসকলৰ পিতৃ। তেওঁ



লোকক ৰুদ্ৰই পৃশ্নিৰ উজ্জ্বল স্তনমণ্ডলৰপৰা আনি দিছিল। হিংস্ৰ জন্তুৰ দৰেই তেওঁ ভয়ঙ্কৰ। তেওঁক ষাড় আৰু লগতে স্বৰ্গৰ ৰঙচুৱা বৰাহ বোলা হৈছে। স্বলবান্‌সকলৰ ভিতৰত মহাবলী বুলি তেওঁক বৰ্ণনা হৈছে। তেওঁ ঈশান (কৰ্ত্তা) আৰু পৃথিবীৰ পিতৃ। তেওঁক সহজে প্ৰসন্ন কৰিব পৰা যায়। তেওঁ শিৱ (মঙ্গলবিধায়ক); কিন্তু বহুতো পৰিচ্ছেদত তেওঁক অনিষ্টকাৰী ৰূপে জ্ঞান কৰা হৈছে। ভক্তসকলক তেওঁৰ শূলৰপৰা ৰক্ষা কৰিবলৈ তেওঁৰ ওচৰত প্ৰাৰ্থনা জনোৱা হয়; কাৰণ তেওঁৰ শূলে গৰু আৰু মানুহ বিনাশ কৰে। তেওঁৰ কোপ আৰু শেলৰ প্ৰতি ভয় সঘনে প্ৰকাশ কৰা হৈছে। অন্যান্য ক্ষেত্ৰবোৰৰ পৰিচ্ছেদত অৱশ্যে তেওঁৰ চৰিত্ৰৰ ইষ্টকাৰী দিশ প্ৰকট হৈছে। তেওঁৰ দুটা আহুতীয়া বিভাগে—"জলাশ" (শীতলকাৰী) আৰু "জলাশভেষজ" (শীতলকাৰী ঔষধযুক্ত)—তেওঁৰ আৰোগ্যকাৰী শক্তিৰ সূচনা কৰে। তেওঁ এজন পৰম বৈদ্য। তেওঁৰ ঐতিক ভিত্তি নিশ্চয় কৰিব নোৱাৰি। কোৱা হয় যে ধ্বংসমূলক শক্তি ৰূপে ধুমুহাই তেওঁৰ প্ৰকৃতিৰ অনিষ্টকাৰী ফালটো সূচাব পাৰে আৰু শিলাবৃষ্টিৰ উৰ্ব্বৰ আৰু পবিত্ৰ কাৰটো তেওঁৰ ইষ্টকাৰী আৰু আৰোগ্যপ্ৰদ শক্তিৰ ভিত্তি হব পাৰে।

মৰুতসকলক—ধুমুহাৰ দেৱতা—লৈ দেৱশৰ্দ্ধ বা দেৱগণৰ এটা প্ৰয়োজনীয় সমষ্টি গঠিত হৈছে। তেওঁলোকৰ সংখ্যা ষাঠিৰ তিনিগুণ বা সাতৰ তিনিগুণ হব। তেওঁলোক হল ৰুদ্ৰ আৰু পৃশ্নিৰ নাইবা গাভীৰ (চপৰাচপৰে ওন্দোলাই অহা ডাৱৰ?) আৰু লগতে বায়ুৰ সন্তান। আকৌ মাজে-সময়ে তেওঁলোকক স্বয়ংজাত বুলিও কোৱা হৈছে। তেওঁলোক আটাইকেজন সমবয়সীয়া ভ্ৰাতৃ; জন্মস্থান আৰু বাসস্থানো একে। তেওঁলোক সোণালী, ৰঙচুৱা আৰু

আত্মদীপ্ত। তেওঁলোকক বিদ্যুতৰ লগত—বিশেষকৈ

"বিজুলী বৰ্শা" ("ৰিষ্টি বিদ্যুৎ") বুলি আখ্যা দিওঁতে বিদ্যুতৰ লগত—সংযুক্ত কৰা হয়। যিবোৰ ৰথত তেওঁলোকে ফুৰা-চকা কৰে, সেইবোৰ বিজুলীৰে জিলিকি থাকে। শিৰৰ কিৰীটি, গাৰ চাপকণ, ডিঙিৰ মালা প্ৰভৃতি তেওঁলোকৰ ব্যক্তিগত অলঙ্কাৰবোৰৰ ভিতৰত হাতৰ আৰু আঠুৰ বিৰিয়া অভিনৱ। তেওঁলোকে ডাঙৰ শব্দ কৰে; ঢেৰেকনি আৰু ধুমুহাৰ হো হোৱনিয়ে সেই শব্দকে সূচায়। অতএব তেওঁলোক হল স্বৰ্গৰ গায়ক; তেওঁলোকৰ গানে ইন্দ্ৰক অনুপ্ৰাণিত কৰে। তেওঁলোকৰ প্ৰধান কৰ্ত্তব্য হল বৰষুণ নমাই দিয়া। এই বৰষুণকে উপমামূলক ভাৱে গাখীৰ, মৌ বা ঘিঁউ ("ঘী") বোলা হৈছে; ই শিল-ধুমুহাৰ লগত সংযুক্ত। লগে লগে তেওঁলোকে পোহৰ বিকীৰণ কৰে আৰু বেলিৰ বাবে বাট এটা কাটি উলিয়ায়। তেওঁলোক ইন্দ্ৰৰ অবিচলিত মিত্ৰ। ইন্দ্ৰৰ সমভিব্যাহাৰত তেওঁলোকক পুৰোহিত বুলি সম্বোধন কৰা হয় আৰু তেওঁলোকৰ গীতবোৰে স্তৱগাথা সূচিত কৰে। ইন্দ্ৰই তেওঁৰ সমস্ত বীৰত্বপূৰ্ণ কাৰ্য্যকলাপ তেওঁলোকৰ সৈতে লগ লাগি সমাধা কৰে। বিজুলী, শেল আৰু বজ্ৰপাত নিবাৰণ কৰি ভক্তসকলক উদ্ধাৰ কৰিবৰ অৰ্থে আৰু আৰোগ্যকাৰী ঔষধ আনি দিবৰ বাবে ৰুদ্ৰৰ দৰেই মৰুতসকলকো উপাসনা কৰা হয়।

বায়ু আৰু বাত (বতাহ) হল প্ৰায় সমাৰ্থক পদ। যেতিয়া পাৰ্থক্য নিৰ্ণয় কৰা যায়, তেতিয়া প্ৰথমটো হব ঘাইকৈ দেৱতাজন আৰু দ্বিতীয়টো হব তেওঁৰ পদাৰ্থ। "পৰ্জ্জন্য" নামটোৱে আভিধানিক ভাৱে "বৰষুণ-ডাৱৰ" অৰ্থ কৰে। যেতিয়া ইয়াক পুৰুষীকৃত কৰা হয়, তেতিয়া ই হয় এক স্তন নাইবা পানী নিয়া চামৰাৰ বেগ বা বাল্টি। গছ-গছনি আৰু পৃথিৱীক অঙ্কুৰিত কৰা ষাড় হিচাবেও পৰ্জ্জন্যক বৰ্ণোৱা হৈছে।

আপঃৰ (অপৰাশি) সম্পৰ্কত পুৰুষীকৰণ তেনেই চালুকীয়া হৈ থাকিল। তেওঁলোক হল বৰ দিব পৰা

মাতৃ, পত্নী আৰু দেৱী। তেওঁলোক একেধাৰে দ্যুস্থানীয় আৰু পৃথিৱীস্থানীয়। ওপৰত উল্লেখ কৰি অহা হৈছে (বৰুণৰ সংশ্ৰৱত) যে দ্যুস্থানীয় অপদ্বাশিক বোধ হয় ঋত-কক্ষইদি জ্যোতিষ্কবোৰে নিৰ্দ্দিষ্ট গতি কৰাৰ মাধ্যম ৰূপে বিবেচনা কৰা হৈছিল। সেই কক্ষ বৃত্ৰই ৰুদ্ধ কৰাত এই জ্যোতিষ্কবোৰৰ উত্থান বা যাতায়ত বন্ধ হৈ পৰা আৰু ফলতঃ দীঘলীয়া আন্ধাৰৰ সূত্ৰপাত হোৱা বুলি ভবা হৈছিল। আবেষ্টাত অপৰাশিক "আপো" বুলি স্তুতি কৰাৰপৰা ইয়ে বুজা যায় যে তেওঁলোকৰ দেৱত্বকৰণ প্ৰাক্-বৈদিক।

## ৫। পৃথিৱীস্থানীয় দেৱগণ

যজ্ঞৰ জুইৰ পুনৰ্বীকৰণ অগ্নিৰ ধাৰণাটোৰে বৈদিক আৰ্য্যসকলৰ গৃহস্থালি জীৱন সূচাইছে আৰু গুৰুত্বৰ কালৰপৰা চাব লাগিলে বৈদিক আৰ্য্যসকলৰ সংগ্ৰাম আৰু বিজয়ৰ বাহ্যিক জীৱন সূচোৱা ধাৰণা-সমেত ইন্দ্ৰৰ ওচৰতহে অগ্নিয়ে কেৱল দ্বিতীয় আসন পাব। অগ্নিৰ পাখিৰ ৰূপৰ মানৱত্বাৰোপ স্বাভাৱিকতে তেনেই অলপীয়া। তেওঁৰ পিঠি মাখনৰ আৰু চুলি জুই শিখাৰ; উপচাৰখিনি তেওঁ মুখেদি খায়। তেওঁৰ খাদ্য হল দাৰু বা ঘিঁউ (ঘী) আৰু পেয় হল গলোৱা মাখন যদিও বা অন্যান্য দেৱতাসকলৰ লগতে সোম পান কৰিবলৈয়ো তেওঁক আমন্ত্ৰণ জনোৱা হয়। তেওঁক দিনটোত তিনিবাৰ আপ্যায়িত কৰা হয়। যজ্ঞত আহুতি দিয়া বস্তুবোৰ নিজে ভক্ষণ কৰিবলৈকে তেওঁক প্ৰাৰ্থনা কৰা হয় যদিও দেৱতাসকলে যজ্ঞ ভক্ষণ কৰাৰ মুখ হল যাইকৈ তেৱেঁই। তেওঁৰ দীপ্তি হল স্বাভাৱিকতে তেওঁৰ আটাইতকৈ উল্লেখযোগ্য গুণ। তেওঁ অহৰ্নিশ দীপ্যমান। তেওঁক "ধূমকেতু" (ধোঁৱাৰ ধ্বজাবাহী) বোলা হয় আৰু এটা খুটাৰ দৰে ধোঁৱাবেই তেওঁ আকাশখন ধৰি আছে বুলি কোৱা হৈছে। তেওঁ যজ্ঞৰ ৰথী আৰু বিজুলীৰ দৰে চিক্‌মিকাই থকা সোণ খটোৱা ৰথখনত তেওঁ দেৱসকলক আনে। তেওঁক দোঃৰ অথবা দ্যৌঃ আৰু পৃথিৱীৰ পুত্ৰ বোলা হৈছে। অন্য যি কোনো দেৱতাতকৈ ইন্দ্ৰৰ লগত তেওঁ ঘনিষ্ঠতৰ সূত্ৰত জড়িত। ইন্দ্ৰক তেওঁৰ যজা ভায়েক বোলা হৈছে।

অগ্নিৰ জন্ম, আকাৰ-প্ৰকাৰ আৰু বসবাসৰ ঠাই সম্বন্ধে নানা ধৰণৰ আখ্যান আছে। দুডাল টিভিৰি উঠা কাঠৰ (অৰণী) পৰা তেওঁক নিতৌ উৎপন্ন কৰা হয়। সেই দুডালক তেওঁৰ পিতা-মাতা বা মাতৃ বোলা হয়। সেইদেখি প্ৰাচীন হৈয়ো অগ্নি চিৰযুৱা। তেওঁক "শক্তিৰ পুত্ৰ" বোলা হয়; জুই অলাওঁতে জোৰ দিব লগা হোৱা বাবেই (দহোটা আঙুলি এই কেইটাক কুমাৰী বোলা হয়) এই কাৰ্য্যত নিয়োজিত কৰা হয়) বোধ হয় এই নাম। অন্তৰীক্ষৰ বাহিৰত অগ্নিৰ উৎপত্তি হোৱা বুলিও সময়ত উল্লেখ কৰা হৈছে।

"জলপুত্ৰ" ("অপাং নপাত") ৰূপে তেওঁ এজন ভিন্ন দেৱতা হৈ পৰিছে। সৰ্ব্বোচ্চ স্বৰ্গত তেওঁৰ জন্ম আৰু তাৰপৰা মাতৰিশ্বাই (ভাৰতীয় প্ৰমথিউছ) তেওঁক তললৈ নমাই অনা বুলিও কোৱা হৈছে। ই হল তেওঁৰ তৃতীয় উৎপত্তি—দ্যুস্থানীয় আবাস অগ্নিৰ ত্ৰিগুণসম্পন্ন প্ৰকৃতি ঋগ্‌বেদী কৰিসকলৰ প্ৰিয় আলোচ্য বিষয়। তেওঁৰ মস্তক, কায়, বাসস্থান, জ্যোতি, আৰু জন্ম প্ৰতিটোৱেই তিনি তৰপীয়া। প্ৰসিদ্ধ ভাৰতীয় ত্ৰয়ৰ তেওঁ আটাইতকৈ পুৰণি চানেকি। তত্ৰাচ স্বৰ্গ আৰু মৰ্ত্ত্যত বিশ্বৰ দুই-তৰপীয়া বিভাজনৰ দৃষ্টিভঙ্গীৰ ফালৰ পৰা তেওঁক "দ্বি-জন্মন্" (দুবাৰ জন্ম লোৱা) বুলি কোৱা হৈছে।

গাৰ্হস্থ্য জীৱনৰ লগত অগ্নিৰ সম্বন্ধ হৈছে বিশেষ বৈশিষ্ট্যপূৰ্ণ। তেওঁ হল একমাত্ৰ গৃহপতি (ঘৰখনৰ কৰ্ত্তা) অতিথি (আলহী) আৰু মানুহৰ মিতিৰ। যাইকৈ তেওঁ হল দেৱগণ আৰু জনগণে নিয়োগ কৰা প্ৰসাদ কঢ়িওৱা এজন দূত।

যজ্ঞৰ কেন্দ্ৰীয় মূৰ্ত্তি ৰূপে অগ্নিক বিভিন্ন ধৰণে অভিহিত কৰা হয়—ঋত্বিজ, বিপ্ৰ, পুৰোহিত, অৰ্দ্ধায়ু আৰু ব্ৰাহ্মণ। এনেদৰেই অগ্নি মৰ্ত্ত্যলোকৰ পুৰোহিত হৈছে। স্বৰ্গৰপৰা মৰ্ত্ত্যলৈ তেওঁক ঈগল এটাই লৈ আহে। সোম হল এজন ৰজা—তৃণ-তৰুৰ কৰ্ত্তা নাইবা বনৰ অধিপতি (বনস্পতি)। ঋগ্‌বেদৰ পৰবৰ্ত্তী সূক্তবোৰৰ কেইটামানত সোমক ৰহস্যপূৰ্ণ ভাৱে চন্দ্ৰৰ লগত সমীকৰণ কৰা হৈছে।

সোমৰ প্ৰস্তুতি আৰু তৰ্পণ হল হিন্দ্-ইৰাণী উপাসনাৰ এটা ঘাই বৈশিষ্ট্য। সোম আৰু আবেষ্টাৰ 'হাওম' বিধিৰ মাজত অপাৰ সাদৃশ্য আছে। মৌ বা গাখীৰ-মৌৰ কিবা এক প্ৰকাৰ উত্তেজনাকৰ পেয় দেৱতাসকলৰ থকা বুলি ভবাটো কিজানি হিন্দ্-ইউৰোপীয় যুগলৈকে আগুৱাই যাব পাৰে।

বাদ-বাকী বোৱা পৃথিৱীস্থানীয় দেৱগণৰ ভিতৰত পৃথিৱী দ্যৌঃৰ লগত ইমান ঘনিষ্ঠ সূত্ৰে জড়িত যে সাধাৰণতঃ তেওঁলোকক একেলগে স্তুতি কৰা হয়। দ্যৌঃক বেলেগে কোনোটো সূক্তত অকলে স্তুতি কৰা হোৱা নাই; আনহাতে পৃথিৱী তিনিটা পংক্তিৰ চুটি সূক্ত এটাত বেলেগে কেৱল এবাৰহে প্ৰাৰ্থিত হৈছে (৫।৮৪)। পুৰুষীকৰণ ইমানেই গৌণ যে গুণাগুণবোৰ হল মুখ্যতঃ ভৌতিক পৃথিৱীখনৰেই। কিছুমান নদীৰো প্ৰশস্তি গোৱা হৈছে। সেইবোৰৰ ভিতৰত আটাইতকৈ গুৰুত্বপূৰ্ণ হল সৰস্বতী। সিন্ধু আৰু তাৰ সতীৰ্থ পঞ্জাৱৰ আন কেইখন নদীতকৈ—অৰ্থাৎ বিপাশ (বিয়াস) আৰু শুতুদ্ৰী (সংলুজ)—সৰস্বতীৰ ক্ষেত্ৰত পুৰুষীকৰণে বেচি অগ্ৰগতি সাধিছে।

বস্তুবাচকৰপৰা গুণবাচকলৈ হোৱা পৰিবৰ্ত্তনত আৰু গুণবিশিষ্ট দেৱতাৰ উত্থানৰ যোগেদিও ঋগ্‌বেদত ধৰ্ম্মীয় চিন্তাধাৰাৰ অগ্ৰগতি পৰিলক্ষিত হৈছে। এনে ধৰণৰ গুণবাচক দেৱতাৰ পূৰ্ব্ববৰ্ত্তী আৰু বৃহত্তৰ শ্ৰেণীটোৰ উৎপত্তি হৈছে পুৰণি দেৱ-দেৱীৰ কোনোবাজন বা ততোধিকৰ ক্ষেত্ৰত প্ৰয়োগ কৰা আখ্যাবোৰৰপৰা; যেনে ত্বষ্টা, প্ৰজাপতি ইত্যাদি। গুণবাচক বিশেষ্য কিছুমানৰ (যেনে মন্যু (ক্ৰোধ), শ্ৰদ্ধা (বিশ্বাস) প্ৰভৃতি) পুৰুষীকৰণবোৰ লৈ ক্ষুদ্ৰতৰ শ্ৰেণীটো গঠিত। দেৱীসকলে নিতান্ত গৌণ ভূমিকা লৈছে। একমাত্ৰ উল্লেখযোগ্য ব্যতিক্ৰম হৈছে উষা দেৱী। মিত্ৰা-বৰুণা আৰু দ্যাৱা-পৃথিৱী (দ্বিগুণত প্ৰতিজন সদস্য চিহ্নিত হৈ থোৱা দ্বিগুণসম্পন্ন সংমিশ্ৰণ) প্ৰমুখ্যে দ্বৈত দেৱত্ববোৰ আন এটা বিশেষ বৈশিষ্ট্য। দেৱতাসকলৰ একো একোটা সমষ্টিৰ—যেনে মৰুত-সকল (ইন্দ্ৰ, অগ্নি আৰু সোমৰ লগত সংযুক্ত বৃহৎ সমষ্টি এটা), আদিত্যসকল (বৰুণৰ লগত সংযুক্ত এটা ক্ষুদ্ৰ সমষ্টি) আৰু বসুসকলৰ উল্লেখ ইতিপূৰ্ব্বে কৰি অহা হৈছে। সৰ্ব্ব-সমাহাৰী সমষ্টি এটা হল বিশ্বেদেৱসকলৰ (সৰ্ব্ব-দেৱতা) গোটটো। আকৌ অধিষ্ঠাতৃ বিধৰ দেৱতাও কেইজনমান আছে; যেনে বাস্তুষ্পতি (থকা ঘৰৰ কৰ্ত্তা), ক্ষেত্ৰস্য পতি (পথাৰৰ কৰ্ত্তা) আৰু সীতা (সীৰলু)।

প্ৰকৃতিৰ বিৰাট পৰিদৃশ্যমান ৰূপবোৰৰ উপৰিও পৃথিৱীৰ ওপৰৰ নানান ৰূপ – যেনে পৰ্ব্বত, তদুপৰি নদী, জলৰাশি আৰু তৃণ আৰু যজ্ঞত লগা সাজ-সজুলি আৰু অস্ত্ৰ শস্ত্ৰবোৰো দেৱৰূপে কল্পনা হৈছে।

মাজে সময়ে উল্লিখিত দানৱবোৰ হল দেৱতা-সকলৰ অন্তৰীক্ষবৰ্ত্তী শত্ৰু, যেনে 'দাস' বা 'দস্যু' (ঋগ্‌বেদৰ পৰবৰ্ত্তী খণ্ড কেইটাত 'অসুৰ'ৰ সন্ধেদ পোৱা যায়) নাইবা মৰ্ত্ত্যবাসী এশ্ৰেণী নিকৃষ্ট ভূত (যিবোৰক সাধাৰণতঃ 'ৰাক্ষস' বোলা হয়) অথবা

'যাতু' বা 'যাতুধান' সংজ্ঞাৰে বিদিত এবিধ জীৱ। দশম মণ্ডলৰ প্ৰায় বাৰটামান সূক্তত যাতুবিদ্যাৰ পৰ্য্যালোচনা কৰা হৈছে। বিষাক্ত সেন্দুৰ, ব্যাধি, কেঁচুৱা মৰা ভূত, সাধাৰণ শত্ৰুবৰ্গ আৰু প্ৰতিদ্বন্দ্বিনী পত্নীৰ (সতিনীৰ) বিৰুদ্ধে তন্ত্ৰ-মন্ত্ৰৰ দিহা ইয়াত দিয়া হৈছে। জীৱন ৰক্ষা কৰা, টোপনি আনি দিয়া আৰু সন্তান লাভ কৰাৰ মন্ত্ৰও যথাক্ৰমে ১০।৫৮—৬০, ৭।৫৫ আৰু ১০।১৮৩ সূক্তত পোৱা যায়। আনহাতে সুবিদিত মাণ্ডুক্য সূক্তটোৱে (৭।১০৩) ভেকুলীক বৰষুণ আনি দিওঁতা যাদুকৰ ৰূপে কল্পিছে। তথাকথিত অন্ত্যেষ্টি ক্ৰিয়া সূক্তৰ (১০।১৪—৮) প্ৰথম চাৰিটা যিসকল দেৱতাই মৃত্যুৰ পিচত জীৱন নিয়ন্ত্ৰণ কৰে, সেই সকলৰ উদ্দেশ্যে নিবেদিত হৈছে।

ঋগ্‌বেদী আখ্যায়িকীৰ বৈশিষ্ট্যপূৰ্ণ বিষয়বোৰৰ কিছুমান এতিয়া তলত দিয়া ধৰণে চমুৱাই আনিব পৰা যায়ঃ

(১) জীৱত্ব ৰূপে কল্পিত আৰু মানৱত্ব পৰিধায়ক (পশুত্ব-পৰিধায়ক ৰূপো একেবাৰে বিৰল নহয়) ৰূপে প্ৰতিফলিত প্ৰকৃতিৰ ঘাই বাহ্যিক ৰূপবোৰ উপাসনাৰ বস্তু হৈ পৰিছিল। (২) প্ৰকৃতি উপাসনাৰ তথাকথিত সৰল আদিম কালটো তৃণ-তৰু আৰু পৰ্ব্বতৰ স্তৱগাথাত প্ৰতিফলিত হৈছিল বুলি ধৰিব পৰা যায়। (৩) ইন্দ্ৰৰ নিচিনা একোজন ডাঙৰ দেৱতা সময়ত ষাড় ৰূপে নাইবা সূৰ্য্য ঘোঁৰা ৰূপে কল্পিত হৈছিল; কিন্তু পশুৰ প্ৰকৃত প্ৰত্যক্ষ উপাসনাৰ অৰ্থত নাইবা পূৰ্ব্বপুৰুষ পশু আছিল, সেই বিশ্বাসত "টটেমিজম্" (বৃষকাষ্ঠবাদ) ভাৱনাবো অগোচৰ আছিল। দৃষ্টান্ত যেনে, বৃত্ৰ (অনাবৃষ্টিৰ দানৱ) সাপ ৰূপে কল্পিত হৈছে; কিন্তু এই সাপে উপাসনা লাভ কৰা নাই। (৪) ইন্দ্ৰৰ মূৰ্ত্তি এটাৰ উল্লেখ থকাটোৱে মূৰ্ত্তি-ভক্তিবাদ সূচায় নে কি নাইবা দেৱতাসকলৰ মূৰ্ত্তিৰ বা সাকাৰ ৰূপৰ পূজা ঋগ্‌বেদৰ জ্ঞাত আছিল নে কি—এইবোৰ হল কোনো স্থিৰ সিদ্ধান্তত উপনীত হব নোৱাৰা বিষয়।

## ২। যজ্ঞ

ঋগ্‌বেদৰ মানৱীকৃত দেৱতাসকলৰ যে মনুষ্যোচিত দুৰ্ব্বলতা কিছু থাকিব, আৰু তেওঁলোক তোষামোদ বা উপঢৌকনৰ প্ৰতি যে আসক্ত হব, তাত আচৰিত হব লগা বিশেষ একো নাই। উপচি পৰাকৈ এসাজ যাচিলে দৈৱ অনুগ্ৰহ নিশ্চয় লভিব পৰা যাব। কৃতজ্ঞতা প্ৰকাশাৰ্থে দিয়া দানো বিদিত আছিল। নিৰ্ভৰশীলতাৰ ভাৱটো আছিল যদিও আৰু নিজৰ মা-সম্পত্তি বা বস্ত্ৰ-বাহানি ত্যাগ কৰিব পৰাটো প্ৰগাঢ় ঈশ্বৰ-ভক্তিৰ নিদৰ্শন ৰূপে শেষত পৰিগণিত হৈছিলগৈ যদিও প্ৰতিদান পোৱাৰ স্পষ্ট আশা বা প্ৰতীক্ষাইহে ঋগ্‌বেদত প্ৰাৰ্থনা কৰা বা উপচাৰ যচাটো অনুপ্ৰাণিত কৰিছিল। পিচে নৈবেদ্যখিনি দেৱতাসকললৈ বুলি মৰ্ত্ত্যৰপৰা স্বৰ্গলৈ লৈ যাব কোনে? জুয়ে যে নিব, সি খুব স্বাভাৱিক: লেলিহান শিখা আৰু চিৰ উত্থিত ধোঁৱা সমন্বিতে জুইক ইতিমধ্যে অগ্নিৰূপে (ইৰাণীসকলৰদ্বাৰা 'আটৰ' ৰূপে) পুৰুষীকৃত কৰা হল। সজাতী বা কটকী আৰু মানুহৰপৰা দেৱতাসকললৈ নৈবেদ্যাদি কঢ়িওৱা ভাৰীৰূপে অগ্নিক কল্পনা কৰা হল। যজ্ঞাগ্নি হল দবাচলতে এক হিন্দ্-ইউৰোপীয় অনুষ্ঠান; কিয়নো অগ্নিৰ যোগেদি দেৱতাসকলক উপহাৰ যচাৰ ৰীতি ৰোমান, গ্ৰীক আৰু ইৰাণীসকলৰ মাজতো প্ৰচলিত আছিল। হিন্দ্-ইৰাণী যুগটোত যজমানী শ্ৰেণীটোৰ প্ৰয়োজনীয়তা অনুসাৰে যজ্ঞাগ্নিক কেন্দ্ৰ কৰি লৈ বিৰাট পাৰ্ব্বণ এটা ইতিপূৰ্ব্বে বিকশিত হৈ উঠা দেখিবলৈ পোৱা যায়।



ঋগ্‌বেদত যজ্ঞ হৈছে দাতাৰ অনুকূলে দেৱতাসকলক প্ৰভাৱান্বিত কৰাৰ উপায় মাথোন। উপাসকজনৰ নিয়ন্ত্ৰণৰ অনুৱৰ্ত্তী ভাৱে দেৱতাসকলৰ ধাৰণা (যদিহে তেনে নিভু্ল উপায় উপাসকজনৰ জনা থাকে) সেই কালত পৰিপুষ্ট হৈছিল নে নাই কিম্বা খৰটাঙ্গা ঘোঁৰাই (অৰ্থাৎ সূৰ্য্যই) বলি দানৰ যোগেদি শক্তি পুনৰ লভি উপাসকজনক প্ৰসন্ন কৰিব-এনে ধাৰণাৰদ্বাৰা উদবুদ্ধ হৈয়ে উছৰ্গা কৰিবৰ অৰ্থে ঘোঁৰা বাছি লোৱা হৈছিল নে কি, সেই বিষয়ে সংশয় আছে। যজ্ঞটোক সংস্কাৰ হিচাবে লোৱাৰ অধিকতৰ ৰহস্যপূৰ্ণ মতটোৰ সম্পৰ্কত বলি দিয়া জীৱৰ সাধাৰণ ভোগটোক তেনে বিধৰ সামান্য ইঙ্গিত মাথোন বুলি ধৰিব পৰা যায়; কিয়নো এই ভোগে তেওঁলোকক দেৱতাজনৰ লগত বিশেষ ধৰণৰ সম্বন্ধৰে যুক্ত কৰিলে বুলি হোতাসকলে ভাবিছিল (দেৱতাজনে তেওঁলোকৰ সৈতে এই ভোগ খাই তেওঁলোকৰ প্ৰকৃতিকে আহৰণ কৰিলে) যদিও তেওঁলোকে বলি দিয়া জীৱটোকে ভক্ষণ কৰিলে বুলি ভাবিছিল নে নাই, সি সন্দেহৰ বিষয়। এই প্ৰসঙ্গত উল্লেখ কৰিব পাৰি যে যি উদাৰ চিত্তে দান কৰে বা যি যজ্ঞৰ বলি দিয়াত উদাৰ, তেওঁৰ ক্ষেত্ৰতে দেৱতাসকলৰ লগত নাইবা সূৰ্য্যৰ লগত সালোক্য বা সামীপ্য (১।১২৫ ৫) প্ৰতিশ্ৰুত হৈছে।

আমি যদি মনত ৰাখো যে ঋগ্‌বেদ সংহিতা খন পূৰ্ববৰ্ত্তী আৰু পৰৱৰ্ত্তী খণ্ড কেইটা লৈ ৰচিত হৈছিল, তেনেহলে এহাতেদি কেনেকৈ বিপুল সংখ্যক সূক্ত সমস্ত যাজনিক ক্ৰিয়াকাণ্ডৰপৰা বিমুক্ত ভাৱে উদ্ভাৱিত হৈছিল (যদিওবা ইয়াৰ বহুতো পিচৰ যাজ্ঞিক কামকাজত খটুওৱা হল) আৰু আনহাতেদি কেনেকৈ অন্যান্য বিস্তৰ সূক্ত আদিৰেপৰাই যজ্ঞৰ পদ বা ঘোষা ভিন্ন আন একোৰে বাবে অভিপ্ৰেত হোৱা নাছিল, সেইটো বুজা উজু হব। এই যাজনিক ৰীতিৰ দুটা ঘাই ভাগ লক্ষ্য কৰিবলৈ পোৱা যায়। সেই কেইটা তলত দিয়া ধৰণে—

(১) জন্ম, বিবাহ আৰু দৈনন্দিন জীৱনৰ অন্যান্য উপলক্ষত নাইবা অন্ত্যেষ্টি ক্ৰিয়া বা পূৰ্ব্বপুৰুষ স্তুতিত অথবা গৰু-ম'হৰ জনন-শক্তি বঢ়োৱা উৎসৱত ঋগ্‌বেদৰ কিছুমান সূক্ত আৰু পদ ব্যৱহৃত হৈছিল। "গৃহ্য কৰ্ম্মাণি" বোলা এই উৎসৱবোৰৰ লগত তেনেই সাধাৰণ বিধৰ যজ্ঞ জড়িত হৈছিল; যেনে জুইত দিয়া আহুতি (অৰ্থাৎ অগ্নিত নিক্ষেপ কৰা গাখীৰ, চাউল, ঘিউ নাইবা মাংসৰ আহুতি)। এইবিলাকত গৃহস্থজনে নিজে (আৱশ্যক হলে তেওঁক এজন মাত্ৰ পুৰোহিতে—ব্ৰাহ্মণজনে সহায় কৰিছিল) যজমানী পুৰোহিত ৰূপে কাম চলাইছিল আৰু ঘৰুৱা ভিঠাৰ জুই কুৰাই অগ্নিকুণ্ড ৰূপে ব্যৱহৃত হৈছিল। ধনী, দুখীয়া নিৰ্ব্বিশেষে প্ৰতিজনে নিজৰ সাধ্যানুসাৰে সমাপন কৰা এই সাধাৰণ যজ্ঞবোৰ প্ৰধানতঃ প্ৰাৰ্থনা (বৈদিক ধৰ্ম্মৰ প্ৰথম স্তৱ) লৈয়েই গঠিত হৈছিল। এইবিলাকৰ উপৰিও আৰু দশম মণ্ডলত পোৱা কেইটামান মন্ত্ৰ (যি কেইটাই প্ৰতিদ্বন্দ্বীক পৰাভূত কৰা, ব্যাধি নিবাৰণ বা নিৰাময় কৰা আৰু অপকাৰী

তাৰ-জন্তুক খেদি পঠোৱা মন্ত্ৰ লৈয়েই জনপ্ৰিয় ধৰ্ম্মটো গঠিত হৈছে বুলি সূচিত কৰে) বাদ দিও আমি পাওঁ (২) বিৰাট যজ্ঞবোৰ বিশেষকৈ ইন্দ্ৰৰ সম্পৰ্কত সোম আৰাধনাৰ সংশ্ৰৱত। সম্ভ্ৰান্ত আৰু আঢ্যৱন্ত লোকসকলে ("মঘৱন") বিশেষকৈ ৰজাসকলেহে এইবোৰ পাতিব পাৰে। তিনিকুৰা জুইৰ বাবে তিনিটা কুণ্ড আৰু যজমান জনৰ হৈ (যি নিজে হয়তো একোকে নকৰিলে) কৰা সুবহুল আৰু সূক্ষ্মাতিসূক্ষ্ম ক্ৰিয়াকাণ্ডবোৰৰ বাবে উদাৰ ভাৱে দক্ষিণা পোৱা চাৰিজন ঘাই পুৰোহিতকে প্ৰমুখ্য কৰি অগণন পুৰোহিত সমন্বিত এক সুবিশাল যাজনিক স্থণ্ডিলে এই শ্ৰৌত যজ্ঞবোৰ ৰূপায়িত কৰিছিল। ঋগ্‌বেদৰ সূক্তবোৰ সোমক্ৰিয়া লৈ বৰ ব্যস্ত। আপ্ৰী সূক্ত কেইটাই পশুমেধ যজ্ঞৰ সন্ধান যোগায়। অশ্বমেধ যজ্ঞও নিশ্চয় কৰা হৈছিল। পুৰুষসূক্তই যথাৰ্থ নৰমেধ যজ্ঞ এটা বৰ্ণোৱা নাই; মাথোন প্ৰাগৈতিহাসিক যুগত সমাধা কৰা মতে ইয়াৰ স্মৃতিটোহে খুব সম্ভৱ সংৰক্ষিত কৰিছে; কিয়নো ঋগ্‌বেদৰ শূনঃশেপ সূক্ত (১।২৪—৩০ অ ৰু ৯।৩) ঐতৰেয় ব্ৰাহ্মণৰ শূনঃশেপ আখ্যানৰ লগত অবিকল একে নহয়। সি সম্ভৱতঃ প্ৰাগৈতিহাসিক যুগৰ নৰমেধ যজ্ঞ স্মৰণ কৰিব পাৰে।

### (৩) দৰ্শন

সাধাৰণতে ভবা যায় যে ঋগবেদীয় ধৰ্ম্মটো হল মূলতঃ বহুদেৱত্বমূলক; ই পৰৱৰ্ত্তী কেইটামান সূক্ততহে সৰ্ব্বদেৱত্বমূলক ৰহণ ললেগৈ। তথাপি গভীৰ গূঢ়াৰ্থবাচক দাৰ্শনিক ভাৱধাৰা অপ্ৰত্যাশিত ভাৱে সূক্তত প্ৰোথিত হৈছে। প্ৰাকৃতিক বহুদেৱত্ববাদ, একদেৱত্ববাদ আৰু অদ্বৈতবাদৰ স্তৰবোৰৰ মাজেদি আদিম বহুদেৱত্ববাদৰপৰা প্ৰণালীবদ্ধ দৰ্শনলৈ আগুৱাই অহা দীঘলীয়া গতি-পথৰ ই এক সোঁৱৰণী।

দেৱতাসকলৰ বহুত্বই ঋগ্‌বেদী ঋষিসকলৰ মনীষা তৃপ্ত কৰিব পৰা নাছিল। সেইদেখি এজন দেৱতাক আন এজনৰ লগত সমীকৰণ কৰা হৈছিল, নাইবা দেৱতাসকলক যোৰ পাতি অথবা দুজন বা ততোধিক দেৱতাক একেলগে জোঁট বান্ধি উপাসনা কৰা হৈছিল। বিভিন্ন সমষ্টিত দেৱতাসকলৰ শ্ৰেণী প্ৰকৰণ বা তেওঁলোকৰ সকলোটিকে "সৰ্ব্বদেৱ"ৰ এক সৰ্ব্বাঙ্গিক সমষ্টিত একাকাৰ কৰাত এই প্ৰণালীবদ্ধতা ৰূপায়িত হৈছিল। এই প্ৰণালীবদ্ধকৰণ হল অধিকতৰ ন্যায়সঙ্গত একেশ্বৰবাদ অভিমুখে লোৱা এটা খোজ। অসীম আৰু সৰ্ব্বোচ্চ কৰ্ত্তা এজনতকৈ বেছি হব নোৱাৰে। মেক্স মিউলাৰে যিটোক "হেনোথিজম" বুলিছে, সেইটোৰ বাহ্য প্ৰকাশৰ কাৰণ হল—বহুদেৱত্বমূলক মনোভাৱক ত্ৰুটিপূৰ্ণ ভাৱে গঢ় দিয়া আৰু এনেদৰেই বিসঙ্গতিপূৰ্ণ ছবি এখনি ফুটাই তোলা একেশ্বৰবাদ অভিমুখী এই অৱচেতন অনুষক্তি। যেতিয়া "গইগুটীয়া দেৱতাসকলক পাল পাতি সৰ্ব্বোচ্চ ৰূপে জ্ঞান কৰা হয়", বহুতো গুণাগুণ, ব্যক্তিগত বৈশিষ্ট্য আৰু কৰ্ত্তব্যাকৰ্ত্তব্য সকলোবোৰ দেৱতাৰ ক্ষেত্ৰতে প্ৰযোজ্য হৈ পৰে আৰু এই সকলোবোৰ গুণাগুণ এজন দৈৱঅধিকৰ্ত্তাত চামিল কৰাটো উজু হৈ পৰে, এনেদৰেই বহুদেৱত্বমূলক মানৱত্বাৰোপবাদে একপ্ৰকাৰ আধ্যাত্মিক সৰ্ব্বেশ্বৰবাদৰ সৃষ্টি কৰে।



কিন্তু ঋগ্‌বেদে এই একেশ্বৰবাদমূলক অভিব্যক্তি আৰু অনুশীলন স্বৰূপে উদ্ভৱ হব পৰা এজন মাত্ৰ সৰ্ব্বোচ্চ মানৱত্বাৰোপমূলক দেৱতাতো অসন্তুষ্টি প্ৰকাশ কৰিছে। ঋগ্‌বেদৰ প্ৰথম মণ্ডলৰ ১৬৪।৪ ত সোধা হৈছে, "অস্থিহীন সত্তাই অস্থিময় সত্তাক জন্ম দিওঁতে প্ৰথম জাতক জনক কোনে দেখিলে? এই ভূমিৰ জাৱ, তেজ বা আত্মা ক'ত? এই প্ৰশ্নটো সুধিবৰ বাবে কোনোবাই জনাজনৰ কাষ চাপিছিল নে?" এই প্ৰশ্নবটোৰ যেন উত্তৰহে দিয়া হৈছে, এনে ভঙ্গিমাত সেই একেটা সূক্তৰে ৪৬ নং পদটোত সাব্যস্ত কৰা হৈছে যে মূলীভূত সূত্ৰ হল ক্লীৱ "সং" ("প্ৰকৃত") যিটো যদিও বিভিন্ন নামেৰে অভিহিত হৈছে—ইন্দ্ৰ, মিত্ৰ বৰুণ, অগ্নি, যম, মাতৰিশ্বা ইত্যাদি। এই দৰেই "পৰম" বা "ব্ৰহ্মক" "সঃ" বা "তং" বুলি উদাসীন ভাৱে সংজ্ঞাবদ্ধ কৰা ঋগবেদৰ কেইটামান পৰৱৰ্ত্তী সূক্তত, সকলোবোৰ দৰ্শনতে একেশ্বৰবাদ আৰু অদ্বৈতবাদৰ মাজত সচৰাচৰ যি দ্বিধা পৰিলক্ষিত হয়, সেইটোৱেই প্ৰতিফলিত হৈছে। বৰ্ত্তমান লেখকৰ মত অনুযায়ী ঋতৰ ধাৰণাৰ ক্ৰমবৰ্দ্ধমান প্ৰভাৱৰ ফলত একেশ্বৰবাদৰপৰা অদ্বৈতবাদলৈ এই ৰূপান্তৰ অনায়াসে আৰু অলক্ষিতে সংসাধিত হল। ওপৰত উল্লেখ কৰি অহা মতেই ঋতৰ মুখ্য অৰ্থ (গৌণ অৰ্থৰ পাৰ্শ্বৱৰ্ত্তী ভাৱে ওলোৱা, তত্ৰাচ তাৰপৰা স্পষ্ট ভাৱে বিভিন্ন কৰি ৰখা) হল ভৌতিক বিধৰ। ঋত হল ৰাশিচক্ৰ। ইয়াৰ ভিতৰতে দেৱসকলৰ (জ্যোতিষ্কবোৰৰ) চাল—চলন আৰম্ভ ৰখা হয় আৰু ইয়াৰে ৰূপৰেখা নক্ষত্ৰবোৰে চিত্ৰিত কৰে। সেইদেখি দেৱসকল ঋততেই জাত আৰু ঋতৰদ্বাৰাই অনুশাসিত হোৱাত আচৰিত হব লগা একো নাই! ইয়াৰ পিচতে ঋতই বৰ স্বাভাবিক ভাৱেই ব্ৰাহ্মাণ্ডিক শৃঙ্খলা আৰু প্ৰকৃতত প্ৰচলিত বিধি সূচাব ধৰিলে। নৈতিক জগতত এই শব্দটোৱে "সত্য" আৰু "শুদ্ধ" অৰ্থত "শৃঙ্খলা" সূচিত কৰে আৰু ধৰ্ম্মজগতত এই "শৃঙ্খলা" ই যজ্ঞ বা পৰ্ব্বৰ ৰূপ পৰিগ্ৰহ কৰে। অব্যক্তিগত আৰু ক্লীৱ "সং" আৰু "ব্ৰহ্ম" পদ দুটাৰ দ্বাৰাই সূচিত ব্ৰহ্মৰ পৰৱৰ্ত্তী ধাৰণাৰ এই বাটটো ঋতৰ উক্ত গুণবিশিষ্টই ধাৰণাৰদ্বাৰাই উন্মোচিত হল। পৰৱৰ্ত্তী বেদান্তত পোৱা ব্ৰহ্মৰ ইয়াক আটাইতকৈ পুৰণি অপৰিমাজ্জিত পূৰ্ব্বাভাস যেন দেখা যায়।

বিশ্বৰ জীৱ-জঙ্গমৰ উৎপত্তি আৰু প্ৰকৃতিৰ সমস্যাটো হল এটা দৰ্শনমূলক সমস্যা। ঋগ্‌বেদী কৱিসকলে ইয়াকো অৱজ্ঞা কৰা নাছিল। ঋগ্‌বেদে (১০।১৯০) আমাক কৈছে যে "তপঃ"ৰপৰা "ঋত" আৰু "সত্য" উৎপন্ন হল। তাৰ পিচত ক্ৰমান্বয়ে ৰাতি, জলধি আৰু সম্বৎসৰ (বছৰ) উৎপন্ন হল। ঋগ্‌বেদে (১০।৭২।২) কৈছে যে "অসত"ৰপৰা "সং" উৎপন্ন হল। আখ্যায়িকীৰ দৃষ্টিভঙ্গীৰ ফালৰপৰা দেৱতাসকলৰ প্ৰতিজনেই পাল পাতি বিশ্বৰ স্ৰষ্টা হোৱা বুলি কোৱা হৈছে; বিশ্বখনকো সময়ত বাঢ়ৈ আৰু মিস্ত্ৰীৰ কৌশলৰ পূৰ্ণাঙ্গ সৃষ্টি ৰূপে জ্ঞান কৰা হৈছিল। উদাহৰণ যেনে, ঋগ্‌বেদে (১০।৩১।৭) সুধিছে, "কি কাঠ, কি গছৰপৰা তেওঁলোকে স্বৰ্গ আৰু মৰ্ত্ত্য তৈয়াৰ কৰিলে?" ঋগ্‌বেদে (১০।১২১) সৃষ্টিৰ সমস্যাটো একেশ্বৰবাদৰ পৰ্য্যায়ক্ৰমে নিৰীক্ষণ কৰিছে আৰু আমাক কৈছে যে বিশ্বত বিয়পি থকা বিশাল

অপৰাশ্বিৰপৰা হিৰণ্যগৰ্ভ ওলাল আৰু চিৰ শাশ্বত পূৰ্ব্ববৰ্ত্তী বস্তুৰপৰা জগতখন তৈয়াৰী কৰিলে! কিন্তু ১৭।১২৯ ত (সুপ্ৰসিদ্ধ নাসদীয় সূক্তত) অদ্বৈতবাদৰ সৰ্ব্বোচ্চ পৰ্য্যায়ৰপৰা সৃষ্টি-তত্ত্ব ব্যাখ্যা কৰা হৈছে। "আৰম্ভণিতে 'অস্থি'ত একো নাছিল; কিয়নো তাৰপৰাই এই সৃষ্টিৰ উত্থান হয় 'স্থিতো' একো নাছিল; কিয়নো ইয়াৰ গতানুগতিক বাহ্য প্ৰকাশ—আকাশ বা তাৰ সিপাৰৰ স্বৰ্গখন—তেতিয়া নাছিল। একমে স্বয়মেক ভাৱেই উশাহ লৈছিল, আৰু আছিল শ্বাসবিহীন। তাৰ সিপাৰে আৰু একো নাছিল। তেতিয়া মৃত্যু নাছিল; তেতিয়া অমৰ বুলি কিবা এটা থাকিব পাৰে কেনেকৈ? ৰাতি বা দিনৰ দৰে আমাক প্ৰভেদ জনাব পৰা পোহৰ তেতিয়া নাছিল।" আমাৰ শ্ৰেণী প্ৰকৰণৰ বৈয়ৰ্থ্য হেতু আমি যে ব্ৰহ্মৰ স্বৰূপ নিৰূপণ কৰিব নোৱাৰোঁ, সেই সৰ্ব্বোচ্চ দাৰ্শনিক সত্যটো এনে দৰেই নিৰ্দ্দেশিত কৰা হৈছে। তপঃ হল বিদ্যমান হোৱা অৱস্থা-প্ৰাপ্তিৰ উত্তপ্ততা; ইয়াৰ যোগেদি প্ৰাথমিক প্ৰতিসাম্যৰ তাৎপৰ্য্য—অৰ্থাৎ 'অহম' আৰু 'নো-অহম'ৰ বিৰোধ ব্ৰহ্মৰপৰা উদ্ভাৱিত হয়। এই সূক্তই আমাক আৰু কৈছে যে মনৰ আত্মচৈতন্য প্ৰদৰ্শন কৰা বীজ হল 'কাম' (লিপ্সা)। বিদ্যমানৰ লগত অবিদ্যমানক সংযুক্ত কৰি ৰখা সূত্ৰ হল কাম। সৃষ্টি সম্বন্ধে আচল সত্যটো কোনোবাই জানিব পাৰিছে নে কি বুলি সৰ্ব্বশেষত সন্দেহ প্ৰকাশ কৰাটো হল জ্ঞানী লোকৰ অজ্ঞতাৰ কৰিত্বমূলক অভিব্যক্তি। এই সূক্তটোৱে অদ্বৈতবাদৰ শ্বাস-ৰোধী শিখৰলৈ আৰোহণ কৰিছে আৰু বিশ্বকৰ্ম্মা সূক্তৰ (১০।৮২) দ্বৈতবাদী পৰমাৰ্থ তত্ত্বক চেৰ পেলাই থৈ গৈছে। এই বিশ্বকৰ্ম্মা সূক্তত আমাক কোৱা হৈছে যে আদিম অণ্ড—ভাসমান বিশ্বডিম্ব—বহন কৰিছিল। ইয়াৰপৰাই বিশ্বকৰ্ম্মাৰ উত্থান হল; তেৱেঁই বিশ্বৰ প্ৰথম জাতক—পৃথিৱীৰ স্ৰষ্টা আৰু নিৰ্ম্মাতা। আধুনিক দৰ্শনৰ পৰিভাষা মতে কব লাগিলে নাসদীয় সূক্তই প্ৰকৃতি আৰু পুৰুষ উভয়কে 'একম'ৰ (ব্ৰহ্ম'ৰ) দিক বুলিছে। ই আত্মও নহয়, অনাত্মাও নহয়।

ঋগ্‌বেদত 'মায়া' শব্দটোৱে সাধাৰণতে "যাদুকৰী শক্তি" সূচায়—দেৱতাসকলৰ ক্ষেত্ৰত ভাল অৰ্থত আৰু দানৱবোৰৰ ক্ষেত্ৰত বেয়া অৰ্থত। অনুৰূপ ধৰণে ছলৰূপীয়া অৰ্থত প্ৰযুক্ত হোৱা ইংৰাজী "ক্ৰেফ্‌ট" শব্দটোৰদ্বাৰা ইয়াক অনূদিত কৰিব পৰা যায়। কিন্তু ওপৰত উল্লেখ কৰি অহা মতে ১০ ৫৪।২ ত এই শব্দটো "মোহ" বা "আসক্তি" অৰ্থত প্ৰয়োগ কৰা হৈছে আৰু এই ধৰণেই পৰবৰ্ত্তী বেদান্ত দৰ্শনৰ পূৰ্ব্বাভাস যোগোৱা হৈছে। অৱশ্যে এইটো নিৰ্ব্বিঘ্নে কব পাৰি যে ঋগ্‌বেদৰ মনোবৃত্তি হল একপ্ৰকাৰ সৰল বাস্তৱবাদৰ অভিমুখেহে; ভাৰতীয় চিন্তাধাৰাৰ সাধাৰণ গতি-গোত্ৰ অচিৰে যি ফালেদি যাব ধৰিলে, সেই অদ্বৈতবাদমূলক আদৰ্শ অভিমুখে নহয়। ১০।৭২।২ য়ে যদি কৈছে যে "অস্থিত"ৰপৰাই "স্থিত"ৰ সূত্ৰপাত হ'ল, তেন্তে তাৰ অৰ্থ এয়েহে যে "দৃশ্যমান" বস্তুটো "অদৃশ্যমান"ৰপৰা উদ্ভৱ হল। যদি "জীৱ" আৰু "অজীৱ"ক প্ৰথম সূত্ৰ ৰূপে ধাৰ্য্য কৰা হৈছে, তেন্তে সি কঠোৰভাৱে অভিজ্ঞতাৰ জগতখনৰ ফালৰপৰাহে তেনে হৈছে।

পৰৱৰ্ত্তী দৰ্শনৰ পঞ্চভূতৰ পৰিৱৰ্ত্তে ঋগ্‌বেদে কেৱল অপকহে আদিম ভূত বা বস্তু ৰূপে নিৰ্দ্ধাৰিত কৰিছে। ক্ৰমাগত ইয়াৰপৰাই বাকীবোৰৰো উদ্ভৱ হল। পুৰুষ সূক্তত (১০।৯০) পুৰুষৰ দেহটোকে মৌলিক বস্তু বুলি কোৱা হৈছে। ইয়াৰপৰাই জগতখনৰ সৃষ্টি হল। দেৱতাসকল হল সৃষ্টিৰ কাৰক, সৃষ্টিৰ কাৰ্য্যটো হল যজ্ঞ আৰু পুৰুষ হল বলি। ঈশ্বৰৰ মহত্ত্ব, জগত আৰু ঈশ্বৰৰ একতা যদিওবা শেষ সীমালৈকে ঠেলি দিয়া মানৱত্বাৰোপবাদৰদ্বাৰাই প্ৰণোদিত হৈছে। আৰু পুৰুষৰ বিৰাট আয়তনৰদ্বাৰাই সি বৰ্ণিত হৈছে, তথাপি ১০;৯০ সূক্তটো হল ১০।১২৯ সূক্তত পোৱা এক ব্ৰহ্মৰপৰা সৃষ্টিৰ সূচনা হোৱা মতবাদৰ এক অপৰিশোধিত ৰূপক। কেৱল ইয়াতহে সৰ্ব্বোচ্চ বাস্তৱ সক্ৰিয় পুৰুষ হৈছে—জনক তথা জাতক: "পুৰুষৰপৰা বিৰাট উপজিল, বিৰাটৰপৰা উপজিল আকৌ পুৰুষ" (১০।৯০ ৫)।

## (৪) নৈতিক তথা আধ্যাত্মিক চিন্তাধাৰা

ঋগ্‌বেদী আৰ্য্যসকল নৱোন্মিষিত কল্পনাত মতলীয়া হৈ পৰিছিল। সেইদেখি তেওঁলোক মৰণোত্তৰ জীৱনৰ প্ৰতি বিশেষ অনুপযুক্ত নাছিল। সেই সম্পৰ্কে তেওঁলোকৰ মতবাদ সিমানো নাছিলহে। সেইবাবে সিপুৰীৰ জীৱনৰ প্ৰতি দৃষ্টিপাতৰ দুই-এটা নমুনাহে ঋগ্‌বেদত বিক্ষিপ্ত হৈ থকা আমি দেখিবলৈ পাওঁ।

দশম মণ্ডলৰ ৮৮-১৫ সূক্তত সকলোবোৰ চলন্ত প্ৰাণীয়ে গতি কৰা দুটা পৃথক যাত্ৰাপথৰ বিষয়ে কোৱা হৈছে—এটা হল পিতৃপুৰুষসকলৰ আৰু আনটো হল দেৱতা আৰু নশ্বৰ লোকৰ। সিপুৰীলৈ যোৱা বাটৰ ইঙ্গিত এটা ইয়াত নিহিত আছে বুলি ধৰি লোৱা হৈছে। আদিত্য, দেৱগণ আৰু অমৰত্বৰ লগত সতীৰ্থতা লাভ কৰাটো হল বৰ হেপাহৰ আদৰ্শ (১০।১০৭ ২, ১।১২৫।৫)। মৰাৰ পিচত মানুহজনে যমপুৰীত প্ৰৱেশ কৰে বুলি ধৰা হয়। (যম আৰু তেওঁৰ ভনীয়েক যামী অনাদি কালৰেপৰা যজা ভাই-ভনী)। নশ্বৰ লোকসকলৰ ভিতৰত যমেই পোন প্ৰথমে মৰে আৰু তেওঁ এতিয়া যি লোকৰ ওপৰত প্ৰভুত্ব চলায় আৰু যি লোক তেওঁৰ পৰবৰ্ত্তী মৃতকসকলৰ গন্তব্যস্থল হব, সেই লোকলৈ যোৱা বাটো তেৱেঁই আৱিষ্কাৰ কৰে। মৃত লোকসকলৰ আত্মা ইষ্টপূৰ্ত্তৰ যোগেদি এই স্বৰ্গধামলৈ যায় বুলি ধৰা হয়। তাত যম আৰু পিতৃ-পুৰুষসকল অমৰত্বৰ আনন্দত মজি থাকে আৰু বিগত আত্মাবোৰেও সোম, গাখীৰ, মৌ আৰু সুৰাপানৰ আৰু লগে লগে সঙ্গীত উপভোগৰ আনন্দও লভিব পাৰে। ইয়াত বিশেষ আচৰিত হব লগা নাই? কাৰণ সমস্ত মানৱ প্ৰচেষ্টাৰ লক্ষ্য হল দেৱতাসকলৰ নিচিনা হোৱা। যজ্ঞ পাতি আৰু দেৱতাসকলক স্তুতি কৰি এই স্বৰ্গ পাব পৰা যায়। স্বৰ্গত জীৱটোক জিলিকি থকা ৰূপেৰে বিভূষিত কৰা হয়। (১০।১৪৮)

নৰকখন দুষ্কৃতক (অব্ৰত) শাস্তি দিয়াৰ ঠাই ৰূপে দৰ্শোৱা হৈছে। ইয়াক অতল আৰু অন্ধকাৰ (১০।১৫২।৪) বুলি একপ্ৰকাৰ গহ্বৰ ৰূপে (৯।৭৩।৮) বৰ্ণোৱা হৈছে। কিন্তু নৰক আৰু তাৰ ত্ৰাসৰ দুখাবহ পট এটা চিত্ৰিত হোৱা নাই। পুনৰ্জ্জন্ম বা জন্মান্তৰৰ কিবা প্ৰত্যক্ষ বা পৰোক্ষ উল্লেখৰ খোজ লব খুজিলে আমি কেইটামানহে সংশয়যুক্ত পৰিচ্ছেদ পাব পাৰোঁ। ঋগবেদৰ মতে (১।১৬৪।৩০) "মৃতকৰ জীৱটো নিজস্ব শক্তি অনুসাৰে সঞ্চাৰশীল হয়;

মৰণশীল বস্তুটোৰ ( দেহ ) সৈতে অমৰ বস্তুটোৰো উৎপত্তি একেটাই ।" কিন্তু এই অনুবাদ সম্বন্ধে নিশ্চিত হব নোৱাৰি । পৃথিৱীৰ কোণত নাইবা মানুহৰ ঘৰত বসবাস কৰা বুলি ঋগ্‌বেদত ( ১০।১৫।২ ) যি পিতৃসকলৰ কথা কোৱা হৈছে, ভূত হৈ মানুহৰ ঘৰ-বাৰীত পুনৰ লম্ভেহি বুলি বিশ্বাস কৰাটোৱেই তাৰ অৰ্থ হব বুলি ধৰাৰ কোনো সকাম নাই । পিচলৈ ইমান প্ৰসিদ্ধ হৈ উঠা শ্ৰাদ্ধাদি সংস্কাৰ গ্ৰাহ্য কৰাৰ বীজহে ইয়াত অঙ্কুৰিত হৈছে বুলি ধৰিব লাগিব । মৃতকৰ জীৱটোক তাৰ সমস্ত কায়িক অবয়ব সহ স্বৰ্গ বা মৰ্ত্ত্যলৈ নতুবা বাৰিধাৰা বা তৃণ-তৰুলৈ গুচি যাবলৈ ঋগবেদে ( ১০.১৬।৩ ) উদ্‌বুদ্ধ কৰিছে । কিন্তু ই জানো পুনৰ জন্ম লভিবলৈ যোৱা হল ? ১০।৫৮ সূক্তত মৰণোন্মুখ মানুহ এজনৰ গুচি যোৱা জীৱটোক যম নাইবা স্বৰ্গ, মৰ্ত্ত্য দশোদিক্, উদক বা উদকাকুল, সূৰ্য্য, উষা কিম্বা পৰ্ব্বত পাহাৰ আন কথাত কব লাগিলে ই য'লৈকে গৈছিল, ত'ৰপৰাই— ঘূৰি আহিবলৈ কোৱা হৈছে । সেইদেখি আমি সিদ্ধান্ত কৰিব পাৰোঁ যে পুনৰ জন্মসংক্ৰান্ত ধাৰণাটোৰ বীজহে মাথোন অঙ্কুৰিত হৈছিল । হয় স্বাভাৱিক ভাৱে নহয় আৰ্য্যসকলৰ সান্নিধ্যলৈ অহা খিলঞ্জীয়া জনজাতিবোৰৰ মাজত প্ৰচলিত ভাৱধাৰাৰদ্বাৰা প্ৰভাৱান্বিত হৈ এই ক্ৰমাগত বিকশিত হল ।

ঋগ্‌বেদৰ ৭।৮৬৬ আৰু ৮৮৪৬ সূক্তই স্পষ্ট ভাৱে দেখুৱায় যে পাপৰ ( অনৃত, আগঃ বা এনঃ ) ধাচ বিচাৰ স্বীকৃত হৈছিল । নৈতিক ক্ষেত্ৰত ( যেনে "সত্য" আৰু "শুদ্ধ" ) কিম্বা ধৰ্ম্মাচৰণত ( যেনে যজ্ঞ বা পৰ্ব্ব ) 'ঋত' বা বিহিত ব্যৱস্থা উলংঘা কৰিলে নাইবা ঈশ্বৰৰ আজ্ঞা অমান্য কৰিলে পাপ আচৰণ কৰা হয় । সঙ্গ বা কু আচৰণৰপৰা উদ্ভৱ হোৱা সু বা কু পৰিণতিৰ অপৰিবৰ্ত্তনীয় বিধিতে ভাৰতীয় চিন্তাধাৰাৰ আটাইতকৈ চকুত লগা বৈশিষ্ট্য কৰ্ম্মফল তত্ত্বৰ প্ৰথম বীজ পোৱা যায় । এই বিধি দেৱ মনিচ উভয়ৰে ক্ষেত্ৰত সমানেই প্ৰযোজ্য । প্ৰাৰ্থনা কৰা, পৰ্ব্ব পালন কৰা—মুঠতে ঈশ্বৰৰ ইচ্ছাৰ লগত সম্পূৰ্ণ সঙ্গতি ৰাখি জীৱন যাপন কৰা—ঋগ্‌বেদ অনুযায়ী আদৰ্শ নৈতিক জীৱন হল এয়ে । জ্ঞাতি-ভাইসকলৰ প্ৰতিও পালিব লগা কিছু কৰ্ত্তব্য মানুহ মাত্ৰৰে আছে ( ১০২১৭ ) । ঋগ্‌বেদে ( ৫।৮৫।৭ ) আমাক কৈছে যে বন্ধু, প্ৰতিবেশী, সহকৰ্ম্মী—আন কি অচিনাকি মানুহ এজনৰ প্ৰতি কৰা অপৰাধো এটা পাপেই ( আগঃ ) । পৰস্ত্ৰীগমন, ডাকিনী তন্ত্ৰ, জুৱা খেল, মদ পান, মাতাল অৱস্থা আৰু আত্ম-প্ৰতাৰণাক নৈতিক জীৱনৰ ব্যভিচাৰৰ লেখত ধৰা হয় । সেইদেখি মৃত্যুৰ পিচত দুষ্কৰ্ম্মৰ ফলাফল সম্বন্ধে তথাকথিত অনিশ্চয়তা হৈছে নীতিজ্ঞানৰ প্ৰতি তুলনামূলক ভাৱে উদাসীন হোৱাৰ লক্ষণ স্বৰূপ অস্পষ্টতা আৰু যদি দেৱতাসকলক সত্যনিষ্ঠ হিচাপে প্ৰশংসা কৰা হৈছে, তেন্তে তাৰদ্বাৰা সুনিশ্চিত সত্য দৃঢ়ীকৃত হোৱা নাই বুলি কোৱাটো ভুল ।

মোটামুটি ভাৱে ঋগ্‌বেদৰ সূক্তবোৰত জীৱন সম্বন্ধে বৰ আশাবাদী মনোভাৱ এটা ব্যক্ত কৰা হৈছে । ঋগ্‌বেদী আৰ্য্যসকলে যে অমৰত্ব ( অমৃতত্ব ) বা স্বৰ্গত দেৱগণৰ সালোক্য বিচৰা



নাছিল, এনে নহয় । আমি পূৰ্ব্বে লক্ষ্য কৰি আহিছোঁৱেই যে প্ৰশ্ন দাঙি ধৰা আৰু তাৰ সমিধান দিয়া কেতো সূক্ত আৰু পদ ঋগ্‌বেদত আছে । জীৱনৰ সমস্যাৱলীৰ সমাধানকল্পে মানৱী হিয়াৰ অনন্ত বাসনাৰদ্বাৰা এই সকলোবোৰ অনুপ্ৰাণিত হৈছে । এই সূক্তবোৰে প্ৰাৰম্ভিক ধাৰা এটা প্ৰদৰ্শায় আৰু দৰ্শনৰ আউল লগা জোঁট এটা ভঙাৰ স্পৃহা ব্যক্ত কৰে আৰু এই বীজবোৰৰ পৰাই পিচলৈ উপনিষদৰ বিশৃঙ্খল অথচ বিতোপন ফুলনিখন আৱিষ্কাৰ হৈ উঠিছিল । কিন্তু এই জগতৰ আনন্দ আৰু সুখ-সম্ভোগে তেওঁলোকক গভীৰ ভাৱে আকৰ্ষিত কৰিছিল । সুদীৰ্ঘ জীৱন, ব্যাধিৰপৰা অব্যাহতি, বীৰোচিত সতি-সন্তান লাভ, ধন-সম্পদ, ক্ষমতা, খাদ্য আৰু পেয়ৰ প্ৰাচুৰ্য্য, প্ৰতিদ্বন্দ্বীৰ পৰাজয় প্ৰভৃতিৰ অৰ্থে প্ৰাৰ্থনাৰে ঋগ্‌বেদখন ভৰপূৰ । ঋগ্‌বৈদিক ঋষিসকলৰ চিন্তাধাৰাত নৈৰাশ্যবাদৰ লেশমাত্ৰও নাই । জীৱন প্ৰকৃতেই হওক বা মায়াই হওক, সাৰবত্তাপূৰ্ণই হওক বা ছাঁয়াবিশিষ্টই হওক, তেওঁলোকে ইয়াক পূৰাকৈ উপভোগ কৰিবলৈ বিচাৰিছিল । জীৱন দুখ মাথোন আৰু জন্ম-মৃত্যুৰ প্ৰতীত্যসমুৎপাদ চক্ৰৰ ঘাই নিমিত্ত বাসনাক মনিমূৰ কৰিলেহে এই দুখৰ ওৰ পেলাব পাৰি— এনে মতবাদ আৰ্য্যসকলে গ্ৰাহ্য কৰা যেন দেখা নেযায় । বেদান্তত পোৱা এই মতবাদ পিচলৈ বৌদ্ধসকলৰ হাতত্হে বিকশিত হল । সেইদেখি ঋগ্‌বেদৰ ধৰ্ম্মীয় চিন্তাই বাস্তৱ ধাৰা এটা প্ৰদৰ্শন কৰিছে । প্ৰকৃতিৰ শক্তিবোৰৰ উপাসনা আন্তৰিকতাপূৰ্ণ হলেও আৰু Do ut des হল বেছ দেখ দেখকৈয়ে সমস্ত যজ্ঞ আৰু তৰ্পণৰ সাৰমৰ্ম্ম ।

———

# আধুনিক অসমীয়া প্ৰেমৰ কৱিতা আৰু প্ৰেমিক কৱি

ব্যক্তিগত জীৱনৰ সকলো কাজ-কামৰ অন্তৰালতে কিবা এটা নহয় এটা অদৃশ্য প্ৰেৰণা নিহিত থাকে । অশ্বাৰোহীয়ে ঘোঁৰাক আগবাঢ়ি যাবলৈ ভৰিৰে খুঁচিয়াই থকাৰ দৰে সেই প্ৰেৰণায়ো মানুহক কৰ্ম্মত প্ৰবৃত্ত থাকিবলৈ উদগাই থাকে । সকলো প্ৰেৰণাৰে মূল উৎস প্ৰেম । সেইবাবে ইংৰাজ কৱি কাল্‌ৰিজে কৈছিল—

All thoughts, all passions, all delights
Whatever stirs this mortal frame,
All are but ministers of love
And feed his sacred flame.

তাকেই সাহিত্যৰথী বেজবৰুৱায়ো কৈছিল—

'প্ৰেমত ঘূৰিছে ভূমণ্ডল ।
প্ৰেমত ফুলিছে শতদল ॥'

সেই প্ৰেমৰ প্ৰকৃতি বৰ্ণাবলৈ গৈ তেওঁ কৈছিল—

"যি প্ৰেমৰ লৰচৰ, সি প্ৰেম নহয় ।
যি ভক্তিত ভাঁজ আছে, ভক্তি কোনে কয় ?"

মহাকৱি শ্বেক্সপীয়েৰেও তাকেই কৈছিল—

'Love is not love
Which alters, when it al eration finds

অৱশ্যে সেই শ্বেক্সপীয়েৰেই অন্য প্ৰসঙ্গত কৈছে—

'Most friendship is feigning, most

loving mere folly' আমাৰ কৰি হুৰবাৰ কৱিতাতো সেই একে ভাৱৰ প্ৰতিধ্বনি পোৱা যায়—

'ভালপোৱা হাঁহি উঠা কথা;
মৰমৰ বিচনী আঁৰত;
বিশ্বাসৰ নিজৰা শুকায়
নিৰাশাৰ ব'দৰ তাপত।' (সপোনৰ সুৰ)

সি যি হওক এইটো কিন্তু ঠিক যে প্ৰেমৰ দীপ্তিৰে দীপ্ত হৈ চালে যি কোনো বস্তুতে সৌন্দৰ্য্য দেখা যায়। আবেগ-অনুভূতিৰো উৎস প্ৰেম আৰু প্ৰেমৰ দ্বাৰা পৰিচালিত হৈ নিজানত সৌৰৱণ কৰা আবেগেই কৱিতা। এই প্ৰেমে বিভিন্ন যুগত বিভিন্ন ৰূপত কৱিসকলক আপ্লুত কৰি আহিছে। আজিৰ কৱিৰ প্ৰেম মানৱতাৰ প্ৰতি মোহ আৰু নিপেষিতৰ প্ৰতি সহযোগপূৰ্ণ সহানুভূতিত প্ৰকাশ পাইছে। বৈষ্ণৱ যুগত মানৱৰ প্ৰেম আৰোপিত হৈছিল ভগৱানত। ভগৱানৰ লীলা প্ৰকাশৰ আহিলা স্বৰূপেহে কৱিয়ে জৈৱিক প্ৰেমৰ আকৰ্ষণ বিকৰ্ষণৰ প্ৰভাৱ কৱিতাত প্ৰকাশ কৰিব পাৰিছিল। কৱিৰ ব্যক্তিগত প্ৰেমৰ স্থান কৱিতাত নাছিল। বৈষ্ণৱ যুগৰ আগতে প্ৰেম কিন্তু কমোৱা তুলাৰ দৰে বতাহত উৰি ফুৰিছিল আৰু ই সাধাৰণতে সৰ্ব্বসাধাৰণৰ সহজ-লভ্য সামগ্ৰী আছিল। জীৱন যেনে সমস্যামুক্ত আৰু সহজ আছিল, জীৱনৰ অভিব্যক্তিস্বৰূপ গীতমাতবোৰো আছিল তেনেকুৱা সহজ জীৱনৰে সবল প্ৰতিচ্ছবিস্বৰূপ। বৈষ্ণৱ যুগৰ পিছত অসমীয়া সাহিত্যত আত্ম-প্ৰকাশৰ এটি নতুন যুগ আহিল। তাকেই ৰোমান্তিক বিস্তাৰ যুগ বোলে। অসমীয়া সাহিত্যত ৰোমান্তিক বিস্তাৰ যুগ ইংৰাজ সকল অহাৰ লগে লগে আৰম্ভ হয় আৰু কৱলৈ গলে ইংৰাজসকল যোৱাৰ লগে লগেই ইয়াৰ অৱসান ঘটাৰো উপক্ৰম হয়।

ইংৰাজী সাহিত্যৰ প্ৰভাৱত ইংৰাজ কৱিসকলৰ প্ৰেমসিক্ত জীৱনাদৰ্শ লাভ কৰি অসমীয়া সাহিত্যও ন-কৈ থন ধৰি উঠিছিল। এই প্ৰভাৱ বেছিকৈ পৰিলক্ষিত হয়—কৱিতাত। এই কৱিতাবোৰৰ ভাৱ-ভাষা আৰু ৰচনাশৈলী বেচি পৰিমাণে সেই সময়ৰ বঙ্গ ভাষা আৰু সাহিত্যৰ দ্বাৰা প্ৰভাৱান্বিত হৈছিল। আত্মগত চিন্তা আৰু 'আপোন মনৰ সপোন বাৰতা' ৰসাল ভাষাত ছন্দৱদ্ধ কৰাই আছিল এই যুগৰ কৱিতাৰ ঘাই লক্ষণ। বৈষ্ণৱ যুগত কৱিয়ে কদাচিতো নিজৰ আবেগ অনুভূতিক বিষয়,বস্তুৰ লগত মিলিবলৈ নিদিছিল। তেনে কৰাটো আত্মম্ভৰিতাৰ লক্ষণ বুলি বিবেচিত হৈ সমাজৰ চকুত হেয় প্ৰতিপন্ন হৈছিল। সেইবাবে বহুত সময়ত বহুত কৱিয়ে নিজে লিখা কাব্য বা সাহিত্যকো আনৰ লিখা বুলি কৈহে তৃপ্তি লাভ কৰিছিল। তেনেকৈ 'কহয় মাধৱ দাসে' বুলি কথা এষাৰ সকলো গীতৰ সামৰণিত থকাটো এটা সাধাৰণ লক্ষণ হৈ পৰিছিল।

অসমত ইংৰাজ শাসন বিয়পি পৰাৰ লগে লগে ইংৰাজ কৱি সকলৰ চিন্তাধাৰাৰ লগত অসমীয়া কৱি আৰু সাহিত্যিক সকলৰ ঘনিষ্ঠ পৰিচয় ঘটিল। ওখত বন্ধ কৰি ৰখা জলৰাশিয়ে কোনোমতে পাৰ ভাঙিব পাৰিলে 'বহে ব্ৰহ্মাণ্ড ভেদি' হৈ যেনেকৈ ফোটোকাৰে বৈ যাবলৈ ধৰাৰ দৰে হেঁচা দি ইমান দিনে ৰাখি থোৱা অসমীয়া কৱিৰ স্ব-স্ব আবেগ-



অনুভূতিবোৰে প্ৰকাশ বাধা ওফৰাই নাচি-বাগি ওলাই আহিল। বিস্তীৰ্ণ সমতল পালে পৰ্ব্বতীয়া নৈৰ যি অৱস্থা হয়, অসমীয়া কৱিতাৰো সেই সময়ত তেনেকুৱা অৱস্থা হৈছিল। মুকলি বতাহ পোৱাৰ লগে লগেই কৱিসকলে নিজ নিজ অভিৰুচিমতে বিষয় বাছি লৈ কৱিতা ৰচনা কৰিবলৈ লাগি গ'ল। ফলত ইংৰাজী সাহিত্যৰ ৰোমান্তিক বিস্তাৰ যুগত হোৱাৰ দৰে বিধে বিধে 'চনেট' বা চতুৰ্দ্দশ পদী কৱিতা, 'ইলিজি' বা শোকৰ কৱিতা, 'বেলেড' বা গল্প-কৱিতা আদি নানা প্ৰকাৰৰ নতুন কৱিতা ৰচিত হবলৈ ধৰিলে। এই কৱিসকলৰ বেচি ভাগেই কাব্য-কাননত প্ৰৱেশ কৰিছিল ভৰ যৌৱনত। তেতিয়া মুকলি ফুলনিত নিজৰ নিজৰ অভিৰুচিৰ ৰূপহী প্ৰেমিকাক লগ পাই 'শটাৰ মাজত মিলে ছুটি প্ৰাণ—অৰ্থ বিহীন সিওনে প্ৰিয়?' —বুলি সাগ্ৰহে গ্ৰহণ কৰিবলৈ আগবাঢ়িছিল। তেনে কৰিবলৈ যোৱাত ওমৰ খৈয়ামে কোৱাৰ দৰে 'কাৰোবা ভাগ্যত মিলিছে সপোন—কাৰোবা ভাগ্যত একোৱে নাই' হ'ল। জীৱন যুঁজত যি সকলে কামনাৰ কামিনী লাভ কৰিলে তেওঁলোকৰ বহুতেই আত্ম সন্তুষ্টিত লেখনী পৰিহাৰ কৰি কাব্য-মন্দিৰৰ পৰা ওলাই আহিল আৰু বিনন্দ-বিলাস সংসাৰৰ বিপুল ব্যস্ততাত গা ঢালি নিজক বিলাই দি নিঃচিহ্ন হ'ল। তেওঁলোকৰ প্ৰেমৰ কৱিতাৰো সিমানতেই অন্ত পৰিল। অন্য কিছুমানে ফুলনিত সোমাই ফুলনিৰ কোনো এটা নিভৃত স্থানত নিজৰ মনোমত প্ৰেয়সীক দেখি হয়তো সম্ভাষণ জনালে, হয়তো তাকো কৰিবলৈ নৌ পাওতেই তেওঁলোকৰ প্ৰেয়সী গৈ আনৰ গৃহিণী হৈ আঁতৰি গ'ল। 'আলচা কাৰ্য্য নহয় সিদ্ধি, বাটত আছে কণা বিধি' বুলি ব্যৰ্থ প্ৰেমিকে তেতিয়া কান্দি-কাটিয়ে দিন নিয়াবলৈ ধৰিলে, নতুবা হয়তো জীৱনৰ গতিকে বদলাই দি ৰাজনীতি বা সমাজনীতিত নামি গ'ল। তেনে অৱস্থাত পৰি কোনো কোনোৱে সংসাৰৰ প্ৰতি বীতৰাগ হৈ চিৰ কৌমাৰ্য্য ব্ৰত অৱলম্বন কৰিলে। কৱিতাৰ ফালৰ পৰা কাব্য-কাননৰ এই কৱিসকলৰ শ্ৰেণী-বিভাগ কৰি চোৱাই এই প্ৰবন্ধৰ উদ্দেশ্য।

বিশেষ মন কৰিব লগীয়া কথা এই যে সংসাৰৰ মহা ব্যস্ততাৰ মাজত থাকিও ৰোমান্তিক যুগৰ কৱিসকলে অকলশৰীয়াভাৱে চিন্তা কৰি আবেগপূৰ্ণ কৱিতা ৰচনা কৰিহে আৰাম পাইছিল। তেওঁলোকৰ প্ৰকৃতি আৰু ধ্যান আছিল—

'অকলে আপোন মনে বহি নিৰলাত
বচোঁ মই জীৱনৰ গান;
সঙ্গীহীন বিহগীৰ আকুল সুৰত
আকাশত ভাহি উঠে তান'।
(হুৰবা)

নাইবা

নিজানত বহি তাতে অন্তৰ বেদীত মোৰ
নিৰাকাৰ কিবা এটি এনেয়ে পূজিম;
তুলসী অশুচি হ'ল অশুচি দুবৰি বন
চিৰব্যৰ্থ জীৱনৰ ৰক্ত জবা দিম।'
(গণেশ গগৈ)

তেনেকৈ অকলে ফুৰোঁতে তেওঁলোকৰ কোনোৱে দেখিবলৈ পাইছিল—'ফুটুকাৰ তলতে—যখিনী ছোৱালী—টুক্ টুক্ চাপৰি বায়' (বেজবৰুৱা) নতুবা 'মুকুতা মনিটি পাহিত জিলিকে, ফটিক পানীত ধোৱা' (চন্দ্ৰকুমাৰ)। বিভিন্ন হলেও প্ৰত্যেক জন

কৰিবেই জীৱনৰ একো একোটি আদৰ্শ আছিল, আৰু সেই আদৰ্শ অনুসৰণ কৰি চলিয়ে তেওঁলোকে সুখ পাইছিল। যুদ্ধৰ কঠোৰ বিভীষিকাই সেই আদৰ্শবোৰ মষিমূৰ কৰিলে। বাস্তৱ জীৱনৰ বিকট মূৰ্ত্তি সেইসকল কৱিৰ সন্মুখতো আৱিৰ্ভাৱ হ'ল। তাৰ বাবে দায়ী হ'ল যুদ্ধ। যুদ্ধই জীৱনৰ আদৰ্শক নিৰ্ম্মমভাৱে আঘাত কৰি তাৰ মোহময় আভৰণবোৰ আঁতৰাই দিয়াত বাস্তৱৰ নগ্ন ৰূপটোহে প্ৰকট হৈ পৰিল। তাৰে ফলত সৃষ্টি হ'ল যুদ্ধোত্তৰ নতুন কৱিতা। তাতেই ওলাই পৰিল বাস্তৱত থকা কল-কাৰখানাৰ মালিক আৰু পৰিশ্ৰমী বনুৱাৰ মাজৰ সংঘৰ্ষ, নিষ্পেষিত বুভুক্ষু আৰু বিলাসী ধনীৰ মাজৰ অৱস্থাৰ বৈষম্য! এইবোৰেই হ'ল নতুন কৱিতাৰ সামগ্ৰী।

সি যি হওক, ৰোমান্তিক বিস্তাৰ যুগত প্ৰেমৰ প্ৰভাৱত অসমীয়া কৱিসকলে কেনে আচৰণ কৱিতাত ব্যক্ত কৰিছিল তাৰ অধ্যয়ন আমোদজনক। ব্যক্তিগত – অত্যন্ত ব্যক্তিগত সুখ-দুখ, আশা-নিৰাশাকে কেন্দ্ৰ কৰি ৰচিত হৈছিল সেই যুগৰ কৱিতা। জৈৱিক বাসনাৰ প্ৰৱলতা প্ৰকাশ, প্ৰকৃতিৰ লগত ব্যক্তি মনৰ আত্মীয়তা স্থাপন আৰু বহিৰ্জগতৰ লগত ব্যক্তি-মনৰ সম্বন্ধ বিশ্লেষণ – এইবোৰেই আছিল কাব্য-প্ৰেৰণাৰ মূল বস্তু। নিজৰ নিজৰ একোটা স্বকীয়া আদৰ্শ, গৃহ দেৱতা থকাৰ দৰে, সকলো ক্ষেত্ৰতে আছিল কাৰণে তেওঁলোক সততে দৃঢ় প্ৰতিজ্ঞ আৰু আবেগ প্ৰৱণ হৈ পৰিছিল। আনকি প্ৰেমৰ খেলাত নামি হতাশাৰ ৰ'মাৰলীত পৰিও তেওঁলোকে সৰ্ব্বস্ব ত্যাগ কৰা নাছিল। ব্যক্তিগত জীৱনত নিকৰুণ বেদনা পোৱা সত্ত্বেও তেওঁলোকে কৱিতাত আশাৰ সান্ত্বনাবাণী প্ৰচাৰ কৰিব পাৰিছিল। আত্মাৰ অবিনশ্বৰত্বাত তেওঁলোকৰ অধিকৰে আস্থা আছিল।

(ক)

এই কৱিসকলৰ কিছুমানে উঠি অহা যৌৱনৰ আশা আনন্দ সোপাকে লৈ প্ৰেয়সীৰ ওচৰ চাপিছিল আৰু অন্তৰৰ উদ্বেলিত প্ৰেম নিৱেদন কৰি তেওঁৰপৰা আশানুৰূপ সমিধান পাবলৈ অভিলাষ কৰিছিল। পোৱা হ'লে হয়তো—তেওঁলোকো অন্যান্য দহজন তৰুণ প্ৰেমিকৰ দৰে সংসাৰৰ ঢৌত মাৰ গ'লহেঁতেন; কিন্তু তেওঁলোকৰ ভাগ্যত সেয়ে নহ'ল! প্ৰেয়সীৰপৰা আশানুৰূপ সমিধান তেওঁলোকে নাপালে, 'কতবাৰ হেপাহেৰে সাৰটি ধৰিলা—প্ৰতিমাৰ পালা জানো প্ৰাণ'? (দুৱৰা)। তেওঁলোকৰ জীৱন ব্যৰ্থ হ'ল। প্ৰেমৰ পূজাত ব্যৰ্থ মনোৰথ হ'লেও তেওঁলোক কিন্তু হতাশ নহ'ল। ভৱিষ্যতত কেতিয়াবা হয় যদি প্ৰেমিকাৰ লগত মিলন হ'ব নহ'লেও বেজাৰ নাই। তেওঁলোকে জানে যে ভৱিষ্যতত পৰজন্মত হ'লেও হয়তো মিলন এদিন নহয় এদিন অৱশ্যম্ভাৱী। এই ভাৱধাৰাৰ শ্ৰেষ্ঠ কৱি যতীন্দ্ৰনাথ দুৱৰা আৰু গণেশ গগৈ। স্মৃতি তেওঁলোকৰ কৱিতাৰ শ্ৰেষ্ঠ বস্তু। স্মৃতিৰ পূজাৰী, ব্যৰ্থ প্ৰেমিক কৱি এওঁলোক; ব্যৰ্থ কিন্তু আশাবাদী, আদৰ্শবাদী। সখি, নাৰৰীয়া আদি সম্বোধনৰ ওপৰত ভৰ দি তেওঁলোকে বিৰহৰ ব্যৰ্থ ৰোদন জোৰে। অতীতক পাহৰি যাব খোজে কিন্তু পাহৰিবও নোৱাৰে। পাৰিবই বা কেনেকৈ? পাহৰিবলৈ যত্ন কৰি জানো কোনোবাই কিবা কথা পাহৰি যাব পাৰে? পাহৰিবলৈ যত্ন কৰাৰ নিচিনা মনত ৰখাৰ শ্ৰেষ্ঠ উপায় নাই। তেওঁলোকৰ কৱিতাৰ পংক্তি



গোটাচেৰেক তেওঁলোকৰ মনৰ ভাব কৈ দিব—

দুৱৰাৰ— 'গঢ়িছিলা মনে শিলৰ প্ৰতিমা
পূজিছিলা ধূপধুনা লই
ৰাখিছিলা মন্দিৰৰ গুপুত কোণত
মানুহৰ চকু আঁৰ ক'ই।
ঢালি দিলা অন্তৰৰ ভকতিৰ ধাৰা
আবেগত গালা কত গান,
কতবাৰ হেপাহেৰে সাৰটি ধৰিলা
প্ৰতিমাৰ পালা জানো প্ৰাণ
(অতীতক যোৱাহে পাহৰি)

* * *

'কান্দি কান্দি লাগিল আমনি
কান্দিবৰ শকতিও নাই, (তোমালৈ)

* * *

"অনাদৰ অৱহেলা সকলো গোটাই
ৰচোঁ মই জীৱনৰ কুসুম কানন,
ইযে মোৰ কপালত বিধিৰ নিঠুৰ লেখা
এয়ে মোৰ জীৱনৰ কাঁইটীয়া বন।'
(শূণ্য পৰিচয়)

* * *

মাতিছোঁ কাকুতি কৰি,
দুই হাত যুৰি,
আজি মোক যোৱাহে পাহৰি।
(আজি মোক যোৱাহে পাহৰি)

* * * *

'চেনেহৰ সখা মোৰ শেষ অনুৰোধ
অতীতক নেযাবা পাহৰি;
সমাপি জীৱন খেলা বসুধা বুকুত
যাম গৈ যিদিনা আঁতৰি।
অতীতক নেযাবা পাহৰি।' (অঃ নেঃ পাঃ)

* * *

গগৈৰ— 'ইকি! সখি অভিমান? বুজিলোঁ।
নোলোৱা তুলি
—আপোনাৰ শ্ৰেষ্ঠন কৰিছিলোঁ। আগ,
তথাপি আঁতৰি গলা? আদৰতে ঠেলি মোৰ—
যাচিদিয়া যৌৱনৰ আদি পূজা ভাগ।

* * *

যোৱা তেনে যোৱা সখ নেলাগে থাকিব বৰে
গুচি যোৱা যত পাৰা দূৰ দূৰলৈ,
সপোনে সন্ধান যাতে নেপাৱে কচিতো দিব
তোমাৰ ৰূপৰ জ্যোতি স্মৃতিয়েদি বৈ।

* * *

অতীতক এতিয়াই—পাহৰি পেলোৱা সখি
নাই তাত অশ্ৰুজল, নাই কীৰ্ত্তিযশ,
শ্যামল বসুধা আজি সেয়ে হ'ব জ্বলিলৈ,
উত্তপ্ত জ্বলন্ত প্ৰায় বলুকা নীৰল।' (পাপৰি)

ব্যৰ্থ বিৰহৰ বিননি অকল এই দুজনা কৱিৰ কৱিতাতে আৱদ্ধ হোৱা নাই। আৰু অনেক কবিৰ কবিতাত তেনে একোটি কৰুণ সুৰ বাজি উঠিছিল; কিন্তু সেই সুৰ শীঘ্ৰেই হয়তো, মিলনৰ আনন্দত মাৰ গ'ল, সেইহেতুকে সি স্থায়ী নহ'ল। শশী গগৈ, লক্ষ্য চৌধুৰী, দুলাল বৰপূজাৰী, উপেন শইকীয়া, আদি অনেক ডেকা কৱিৰ কৱিতাত মিলন বিৰহৰ তেনে এটি কৰুন সুৰ বাজি উঠা শুনা গৈছিল, কিন্তু সেই সুৰ স্থায়ী নহ'ল। তেনে ক্ষেত্ৰত কৰি প্ৰিয়া এই কবিসকলৰ কল্পনা প্ৰসূন হৈয়ে ৰ'ল, সেই প্ৰিয়া বাস্তৱৰ ফুলনিত কাৰো দৃষ্টিগোচৰ হ'বলৈ নাপালে।

এই কবিসকলৰ বহুতে প্ৰেয়সীক দেখি কৱিতাত চিত্তচাঞ্চল্যকৰ সপোনৰ সৃষ্টি কৰি সুখ

পাইছে। বহুতে তেনে প্ৰেয়সীকে নিজৰ পৰিণীতা পত্নীৰ দৰে জ্ঞান কৰি তেওঁৰ উদ্দেশ্যেই হৃদয়ৰ প্ৰেম-নৈবেদ্য উৎসৰ্গ কৰিছে। জীৱনৰ কোনো এটা ক্ষণত কোনোৱে আকৌ ভাবী প্ৰিয়াৰ ৰূপ-লাৱণ্য কল্পনা কৰিয়ে প্ৰেমৰ চাকিগছি জ্বলাই দি সুখ লভিছে। আনন্দ বৰুৱাৰ ভাবী প্ৰিয়া, লীলা দত্তৰ 'দানৰ গৌৰৱ', মালিকৰ 'প্ৰিয়াৰ ৰূপ' দীনবন্ধু তালুকদাৰৰ 'চেনেহ' দুলাল বৰপূজাৰীৰ 'সপোনত কাষলৈ আহিৱা লাহৰী,' তিলক দাসৰ 'সপোনত দুয়ো লগ হম,' লক্ষ্য চৌধুৰীৰ 'সপোনত আহিবা লাহৰী, শচীগগৈৰ 'সপোন প্ৰিয়া' আদি এই শ্ৰেণীৰ কবিতা। যৌৱনৰ মাদকতা আৰু কামনাৰ চঞ্চলতাই এই কবিতা বোৰত উগ্ৰ ৰূপ ধাৰণ কৰিছে। বিয়াৰ পিছত এই কবিসকলৰ অনেকৰে ভাবসাম্য, হয়তো সেই সেই কবিতাৰ লিখক বুলি কোনো কোনো ঠাইত আঙুলিয়ালে আজি তেওঁলোকে অস্বস্তিহে অনুভৱ কৰিব। বহুতে নিজেই সেইবোৰৰ ভাব আৰু প্ৰকাশ ভংগী ল চাই আজি হয়তো ঋষিয়ে ভবাৰ দৰে ভাবে কিমিদং ব্যাহৃতং ময়া ?

'হিয়াত দুৰন্ত বাসনা জগাই—আঁতৰি ৰ'লা
ইমান নিঠুৰ মোৰ বাবে তুমি—কিয়নো হ'লা
(শ্ৰীলক্ষীনাথ ফুকন)

* * *

'অলি থক অলে যত দিন—অন্তৰত বিৰহৰ জুই
সময়ত নুমাব আপুনি—বিষাদৰ নাথাকিব চিন।
( মিনতি—দুলাল বৰপূজাৰী )

* * *

গোলাপৰ পাহিটিত ভোমোৰাৰ শুনি গীত
কান্দিলে মোৰো যে চিত
ভাগি গ'ল হিয়া
তোমাক নাপাই হায় একো ভাল লগা নাই
জীৱন বিফলে যায়
মোৰ প্ৰাণপ্ৰিয়া' (সপোন প্ৰিয়া
শচী গগৈ)

* * *

'মই আন সকলো পাহৰি
তোমাকেই থাকিম ধিয়াই
সপোনত আহিবা লাহৰী
এক্ষাৰৰ হেগ চাই চাই।' ( সপোনত
আহিবা লাহৰী—লক্ষ্য চৌধুৰী )

* * *

তোমাৰ কবিতা লিখোঁ ক্ষমিবানে সখি
ইযে মোৰ পাপ
বাধাৰ প্ৰাচীৰ ভাঙি কিয়'তে ওলাম
ইযে অভিশাপ!' (অভিশাপ
উপেন্দ্ৰ শইকীয়া)

(খ)

দ্বিতীয়তে আৰু এক শ্ৰেণীৰ কবি আছে যি সকলে প্ৰেমিকাৰ ওচৰত প্ৰণয় নৈবেদ্য নিবেদন কৰিও প্ৰতিদানত, পোনতে উল্লেখ কৰা কবি সকলৰ দৰেই, ব্যৰ্থতাহে লাভ কৰিছে। এওঁ লোকে কিন্তু সেই ব্যৰ্থতাক তেওঁলোকৰ কপালত 'বিধিৰ নিঠুৰ লেখা' বুলি গ্ৰহণ কৰিব খোজা নাই। 'কান্দি কান্দি লাগিল ভাগৰ, কান্দিবৰ শকতিও নাই' বুলিবও খোজা নাই। প্ৰেয়সীৰ অৱজ্ঞাৰ প্ৰত্যুত্তৰ দিছে কেতিয়াবা 'যুদ্ধং দেহী' বুলি বীৰৰ দৰে দৰ্পসূচক আহ্বানেৰে; কেতিয়াবা আকৌ সেই সকলোবোৰ পাহৰিবলৈ যত্ন কৰিছে ৰূপহী প্ৰেয়সীৰ পাৰ্থিব মূৰ্তিক দেৱীৰ পবিত্ৰ আসনলৈ ৰূপান্তৰিত কৰি।



তাকে চাই তাহানি ভক্ত চণ্ডীদাসে ৰজকিনী ৰামীকেই তন্ত্ৰ মন্ত্ৰ পূজা-উপাসনা সকলো বুলি লোৱাৰ দৰে মানৱী প্ৰেয়সীকেই মানসী প্ৰেয়সী বা দেৱী প্ৰতিমা বুলি লৈ তাৰে ৰূপ-গুণ বৰ্ণনা কৰিছে। অম্বিকাগিৰী এই শ্ৰেণীৰ শ্ৰেষ্ঠ কবি।

অগ্নিকবি অম্বিকাগিৰীয়ে তেওঁৰ কাব্যৰ আৰাধ্যা নো কোন বা কেনেকুৱা তাৰ ইঙ্গিত অ'ত ত'ত বাকৈ'য়ে দিছে। বীণা কাব্যত তেওঁ কৈছে 'আশাতকৈও উদাৰ, আলোকতকৈও উজ্জ্বল, প্ৰেমতকৈও পবিত্ৰ, ভক্তিতকৈও কোমল, তত্ত্বতকৈও গভীৰ যি সুন্দৰীৰ সৌন্দৰ্য্যত (কবিৰ) অন্তৰ্জগত উদ্ভাসিত হৈ থাকে' সেই চেনেহী ৰূপহীয়েই তেওঁৰ প্ৰেয়সী। কবিৰ অন্তৰ বাৰিধিত কামনাৰ থৌকি-বাথৌকি ঢৌ তোলা সেই অপৰূপ ৰূপৱতী গৰাকীনো কোন সেই বিষয়ে ডঃ কাকতিয়ে ইঙ্গিত দি গৈছে। তেওঁৰ নাম আছিল ইন্দুমতী। ইন্দুমতীৰ ৰূপ দেখিয়ে ক'বি আত্মবিস্মৃত হৈছিল। এই ইন্দুমতীয়ে কবিৰ তুমি কাৱাবো তুমিজনী। এই ইন্দুমতীতেই কবিয়ে এদিন জগতৰ সকলো সৌন্দৰ্য্যৰ সমাবেশ দেখিবলৈ পাইছিল। অকল দেখায়ে নহয় সুন্দৰীৰ পদ-প্ৰান্তত তেওঁ নিজৰ গুপ্ত প্ৰেমৰ নৈবেদ্যও নিবেদন কৰিছিল। কিন্তু তাৰ বিনিময়ত পালে কি ? পালে নিকৰুণ প্ৰত্যাখ্যান, প্ৰেয়সীৰ নিস্পন্দ নিস্তব্ধতা !

ইমানলৈ কবি ৰায়চৌধুৰীৰ প্ৰণয়ৰ গতি দুৱৰা বা গগৈৰ লগত একে ধৰণৰ। দুয়ো ক্ষেত্ৰতে ব্যৰ্থতায়ে হৈছে প্ৰেমৰ প্ৰত্যুত্তৰ বা পুৰস্কাৰ। গগৈয়ে নিজে কৈছে—

কৈশোৰত দেখিছিলোঁ স্বভাৱ-চপলা বালা
আপোনাৰ খেলা খেলি আপুনি মগন,
বুকুৰ কবিতা-কলি মুকুলিলে, নেদেখিলোঁ
নেদেখিলোঁ ছন্নাময়া লাজুকী বৰণ!
আজি এই যৌৱনৰ ৰূপোৰ ৰঞ্জিত বেলা
চকুৰ আগত ইকি! ছবি বিতোপন,
স্বভাৱ-চপলা বালা ষোড়শী যুৱতী হৈ
সানি ললে অৰুণৰ কনক কিৰণ!

\+ \+ \+

সৃষ্টিৰ বুকুত স'উ নতুনৰ নৃত্য দেখি
নতুন প্ৰাণতো বাজে প্ৰণয়ৰ সুৰ,
যৌৱনৰ পূৰ্ণ অৰ্ঘ্য দিব খোজো তোমাকেই
ল'বানে সাদৰে সখি, আজি পূজা মোৰ!

\+ \+ \+

লোৱা তেনে সখি আজি জীৱনৰ শ্ৰেষ্ঠ দান
সত্য হোক স্বপ্ন মোৰ, পূৰ্ণ কৰা পণ,
দুখ-দৈন্য ব্যথা ত্যাজি ত্যাজি মান অভিমান
ছায়াই ছায়াই হক কায়াৰ মিলন!
ইকি! সখি অভিমান? বুজিলো নোলোৱা তুলি
আপোনাৰ শ্ৰেষ্ঠধন কৰিছিলো আগ,
তথাপি আঁতৰি গ'লা? আঁতৰতে ঠেলি মোৰ
যাচি দিয়া যৌৱনৰ আদি পূজা ভাগ।' (পাপৰি)

কবি দুৱৰায়ো কৈছে—'নিৰৱ গছৰ ডাল—নীৰৱে থাকিল—নুবুজিলো মৰমৰ কথা।' ইমানলৈ দুৱৰা, গগৈ আৰু ৰায়চৌধুৰী তিনিওৰে ক্ষেত্ৰত ব্যৰ্থতা এক ধৰণৰে হৈ পৰিছে। এই ব্যৰ্থতাকে নীৰৱে গ্ৰহণ কৰি মিলন-বিৰহৰ গীত গাই কাল কটাবলৈ স্থিৰ কৰিলে দুৱৰা আৰু গগৈয়ে—

'গানে গানে ছন্দে ছন্দে যি দিনা সুৰত বান্ধি

কৰি লম তোমাক আপোন ;
প্ৰতি অনু পৰমানু মিলিব তোমাৰ স'তে
জীৱনত ফলিব সপোন।' (অৰমান—হুৰবা)

কিন্তু ৰায়চৌধুৰীৰ ক্ষেত্ৰত সি তেনে হৈ নুঠিল। কৰ্ম্মী আৰু কৰ্ম্মঠ ৰায়চৌধুৰীয়ে পোনতে তেওঁৰ 'সুন্দ ী'ৰ চকাছন্দা সৌন্দৰ্যাচ্ছ ং দূৰৰ পৰা উপভোগ কৰিয়ে সন্তুষ্ট থাকিব খুজিছিল—

'গোটেই মুখনি মোক নালাগে দেখাব,
গোটেই মধুৰীখিনি নালাগে ফুলাব,
তেনেই পোহৰ কৰি নালাগে আহিব,
তেনেই খলক তুলি নালাগে হাঁহিব!
সেইবাবে হোৱা নাই বিয়াকুল মই
সেইবাবে মৰা নাই চাটিফুটি ক'ই।

লাজৰ ওৰণি ল'ই মুখমণ্ডলত,
বগৰ মেখেলা পিন্ধি সুৰদি বুকত
ভেমৰ আঁৰৰ পৰা ছিটিকনি মাৰি
ৰইপৰা ৰূপলানি সামৰি সামৰি,
আধাফুটা সুৰ তুলি মিলনৰ গান
গোৱা যদি তাতে মোৰ পমিব পৰাণ।'
(বীণা—ৰায়চৌধুৰী)

কিন্তু যেতিয়া কৱিয়ে বুজিব পাৰিলে যে কিবা অভিমানতহে তেওঁৰ প্ৰেয়সীয়ে তেওঁক অৱজ্ঞা কৰিবলৈ ওলাইছে আৰু সেই অভিমানৰ গুৰিত কৱিৰ প্ৰেম চঞ্চল বা অগভীৰ বুলিও তেওঁৰ এটি সন্দেহৰ ছাঁ থাকিব পাৰে—তেতিয়া তেওঁ নিজৰ প্ৰেমৰ দৃঢ়তা আৰু গভীৰতাৰ নিদৰ্শন দৰ্শাবলৈ এটা অভিনৱ পন্থা আৱিষ্কাৰ কৰিলে। তেওঁ এদিন নিজৰ বাঁওহাতৰ কেঞা আঙুলিটো কুঠাৰেৰে কাটি এটা ধাতুৰ টেমাত আলফুলকৈ ভৰাই তেওঁৰ প্ৰিয়তমালৈ উপহাৰ দি পঠালে অকল সেয়ে নহয়, নিজৰ কটা আঙুলিৰ ৰঙা তেজেৰে লিখি পঠালে এখন চিঠি - 'ইন্দুমতী, এইয়া লোৱা তোমাৰ প্ৰতি মোৰ অবিচল প্ৰেমৰ জলন্ত নিদৰ্শন! ইয়াতকৈও আৰু কিবা লাগেনে?

কৱিৰ চেনেহী প্ৰেয়সী কিন্তু সিমানতো নীৰৱ হৈয়ে থাকিল। হব পাৰে, কাৰ্য্যৰ অনৌচিত্য বা উগ্ৰত্ব দেখি তেওঁৰ অন্তৰত থকা প্ৰেমৰ গজালি ভয়ত পেপুৱা লাগিল। হব পাৰে লোকাপবাদৰ ভয়! যিয়েই হওক তেওঁ নীৰৱ থাকিল। তেতিয়াৰ তেওঁৰ সেই নীৰৱতা আৰু তাতে ওপজা কৱি-মনৰ প্ৰতিক্ৰিয়া ছন্দৰ আখৰে, আখৰে বন্ধা হৈ থাকিল– 'চেনেহী ৰাক্ষসী,

মোৰ কুলনিকা কলিজাৰ জুইৰঙা তেজ
খাই যদি খুজিছ হাঁহিব ;
তোক উপহাৰ দিবলকে কাটিছোঁ কেনেকে
চাচোঁ আহি নালাগে মাতিব। (বীণা)

কৱি ৰায়চৌধুৰীৰ জীৱনৰ আভাস দিবলৈ গৈ ডঃ কাকতিয়ে তুমি কাব্যৰ পাতনিত কৈছে, 'তুমি মন-গঢ়া কৃত্ৰিম কাব্যৰ পুথি নহয়। প্ৰেমিক ৰায়চৌধুৰী ডেকা বয়সত ছেলী, বাইৰণ আদি ইংৰাজ ৰোমান্তিক কবিসকলৰ দৰে বহুবাৰ প্ৰেমত পৰিছে ওপঙিছে, সাতুৰিছে আৰু সাতুৰি পাৰ লৈছে। বহুবাৰ প্ৰেমত পৰাটো অৱশ্যে পাশ্চাত্যৰ কৱিসকলৰ—বিশেষকৈ ৰোমান্তিক কৱিসকলৰ কাৰণে একো কথাৰ কথাই নাছিল। তেনেস্থলত তেওঁলোকবে ৰোমান্তিক কৱিতাৰ বানপানীত উটি-বুৰি ফুৰা অসমীয়া কৱিসকলৰো জনদিয়েকে তেনে আচৰণ কাৰ্য্যত দৰ্শোৱাত আচৰিত হবলগীয়া একো নাই। ৰায়চৌধুৰাৰ এইদৰে ইন্দুমতীৰ প্ৰতি ওপজা প্ৰেমেই ক্ৰমে গভীৰৰপৰা গভীৰতৰ হৈ মিলন বিৰহৰ লহৰ তুলি তৰঙ্গায়িতভাৱে গতি কৰি শেষত চিৰ বিৰহত পৰিণত হয়। কৱিৰ পাৰ্থিৱ আৰু জৈৱিক প্ৰেমেই ৰূপান্তৰিত আৰু উন্নীত হৈ ভগৱৎ প্ৰেমত পৰিণতি লাভ কৰে। তেতিয়া কৱিৰ মানত প্ৰিয়া আৰু ভগৱান এক হৈ পৰে আৰু তুমিৰূপী ভগৱানক তেওঁ তেতিয়া 'গাভৰুৰ গোলাপা গালত লাজৰ ৰাঙলী আভা'-ৰূপে, সুন্দৰীৰ ৰসাল বুকুত ৰসৰ প্ৰতিমাৰূপে চেনেহীৰ চকুৰ চুকত এটি কেৰাহী কটাক্ষৰূপে, জননীৰ মনত সজাই থোৱা প্ৰেমৰূপে আৰু তেনে নানা বিচিত্ৰৰূপত দেখিবলৈ পায়। সেয়ে শেষত গৈ কৱিক তন্ময় কৰি তুলিলত 'সকলো তুমিয়ে নাথ, জগতত দেখিছো যিমান' বুলি কৰি অভিভূত হৈ পৰে। ডঃ কাকতিৰ মতে 'জগতত যি আছে সকলো তুমিময় (তত্ত্বমসি)। এইয়ে 'তুমি' কাব্যৰ তাৎপৰ্য্য ; আৰু ই ৰায়চৌধুৰীৰ কোনোবা বিশিষ্ট নাৰীমূৰ্ত্তিৰ (ইন্দুমতীৰ) প্ৰতি প্ৰেমৰ সম্মোহন অনুভূতিৰ স্বৰূপ প্ৰকাশ।' কৱিৰ 'তুমি' কাব্যৰ নিজা পাতনিতো এই কথাৰ একপ্ৰকাৰ স্বীকাৰোক্তি পোৱা যায়। বিশৃঙ্খল গতিত গৈ থকা জীৱনৰ প্ৰথম ভাগৰ উদ্ভ্ৰান্ত প্ৰেমটোৱেই শেষত সমজাতীয় অনুভূতি আৰু সহানুভূতিৰ মাজেদি প্ৰকৃতিৰ উদাৰ সৌন্দৰ্য্য অতিক্ৰম কৰি, বিৰহ অভিমান আদি নানা অৱস্থাৰ মাজেদি সকলো-বিলাক আসক্তিৰ হাত এৰাই অনন্তৰ লগত গানমিহলি হৈ পৰে।"

হুৰবা, গগৈ আদি জনদিয়েক ব্যৰ্থ প্ৰেমিকে ব্যৰ্থতাৰ কৰুণ গীত গাই গাইয়ে জীৱন কটাই দিলে—ৰায়চৌধুৰীৰ ক্ষেত্ৰত কিন্তু মনকৰিবলগীয়া কথা এই যে ব্যৰ্থতাৰ সন্মুখীন হৈ তেওঁ সেই ব্যৰ্থতাক ওফৰাই দিবলৈ বীৰৰ দৰে যুজ আৰম্ভ নকৰাকৈ নাথাকিল। অন্য কথাত কবলৈ গলে—জীৱন যুজৰ এই পৰাজয়ক তেওঁ কপালৰ লিখন বুলি দুৰ্ব্বল চিত্তে গ্ৰহণ কৰা নাছিল। যুদ্ধ ক্ষেত্ৰত বীৰে বীৰক আহ্বান কৰাৰ দৰে তেওঁ তেওঁৰ অভিমানী প্ৰেমিককো তেওঁৰ লগত যুদ্ধ দিবলৈ আহ্বান কৰি নিজৰ প্ৰতিজ্ঞা আৰু কৰ্ম্মপন্থা ঘোষণা কৰিছিল –

'অহংকাৰী, অহংকাৰ' ইমানে তোমাৰ,
তোমাৰ গৰৱ হ'ল ইমানেই চাৰ!
ভাঙি ভাঙি হিয়া মোৰ শোধাই দিয়াতো,
মাতি ম'তি প্ৰাণ মোৰ কাতৰ কৰাতো,
ভাবি মোক হীন-নীচ বুলি
নিদিয়া ঢাকনিখনি খুলি
তোমাৰ লগত (তেন্তে) আজি মই
মহাৰণ কৰিলোঁ ঘোষণা –
থাকা যদি বল বীৰ্য্য ল'ই
তেনেহলে হ'ই হৰ্ষমনা –
আহা আগুৱাই
দিন দেখুৱাই
তোমাতকৈ মোৰ বীৰ্য্য কিমান তেজাল
তোমাকে আগুৰি আছে বেঢ়ি চাৰি ফাল।

\+ + +

নেজানো মাতিব তোক
সেইবাবে হেনো তই নোখোজ আহিব,
বিৰহ যাঁতত মোক

সেইবাৰে পিছি পিছি ধৰিছ দলিব ?
চাবি তেনেহলে
তোকো পলে পলে
টানি আনি ৰিবহৰ ঘাঁতত পেলাই
দলি-ৰ'ম প্ৰাণময় গীত গাই গাই।—' (বীণা)

কবি অম্বিকাগিৰীৰ প্ৰেমৰ কবিতাত ব্যৰ্থতাৰ বিশেষত্ব ইয়াতেই ধৰা পৰে। তেওঁৰ বিৰহ-গাথাবোৰেই প্ৰেমৰ কবিতা আৰু সেইবোৰ তেওঁৰ কবিত্বৰ বড় তেজেৰে লিখা কবিতা প্ৰাণহীন শব্দৰ ঝঙ্কাৰ মাত্ৰ নহয়। প্ৰেম অভিযানৰ বিৰাট ব্যৰ্থতাত ওপজা যৌৱনৰ দুৰ্ব্বাৰ শক্তিক কবিয়ে দেশকৰ্ম্মত আত্মোৎসৰ্গ আৰু বাণীপূজাৰ হোমত আহুতি দান—এই দ্বিধা বিভক্ত কৰি দি দেশসেৱাত নিজক নিৰত ৰাখিছে। 'তুমি' আৰু 'বীণা' কাব্যই বিৰহী কবি অম্বিকাগিৰীক বিৰহ কাব্যত অমৰ কৰি ৰাখিব।

(গ)

তৃতীয়তে আৰু এক শ্ৰেণীৰ বিৰহী কবি আছে যিসকলে সমাজৰ চিৰাচৰিত ৰীতিনীতি আৰু ভাৱধাৰাৰ ওপৰত অনেক ক্ষেত্ৰত ঘোৰ সন্দেহ প্ৰকাশ কৰি সেইবোৰৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিছে। ইংৰাজ কবিসকলৰ ভিতৰত পোনতে তেনে ভাব স্পষ্টভাৱে প্ৰদৰ্শন কৰিছিল কবি ৰবাৰ্ট ব্ৰাউনিঙে। নিৰ্ম্মম নৰহত্যাকো সুকুমাৰ কলাৰ শ্ৰেণীলৈ নি, ভয়াবহ মৃত্যুকো জীৱনৰ আৰু এখন যুঁজ মাথোঁ অথবা শেষ যুঁজ মাত্ৰ বুলি জ্ঞান কৰিবলৈ যে কাব্যত নাটকীয় ভঙ্গীৰ সৃষ্টিৰ দ্বাৰা ৰবাৰ্ট ব্ৰাউনিঙে ইংৰাজী খণ্ড কাব্যত যুগান্তৰ আনিছিল। অসমীয়াতো তেনে কবি হল দেৱকান্ত বৰুৱাই। ভাব আৰু প্ৰকাশ ভঙ্গী দুয়োপিলেদি তেওঁ পোনতে অসমীয়া কবিতাত বিদ্ৰোহ আৰু নতুনত্বৰ পাতনি মেলে।

* 'মৰিলে নাযাওঁ আমি পৃথিৱীৰ পৰা—
থাকোঁ আমি ইয়াতে লুকাই; আজি কোৱা
কথাযাৰি বায়ু সাগৰত ঢৌ খেলি থাকিব
সদায়;
নতুবা 'আহিলে মৰণ যাবইলাগিব—
আন্ধাৰ পুৰীৰ কোনোবা দেশ'—

এনে ধৰণৰ শাস্ত্ৰোক্ত আৰু সৰ্ব্বজন গৃহীত ভাব আৰু বচনসমূহ অসমীয়া, তথা ভাৰতীয় ভাব ধাৰাত একো আচৰিত কথা নহয়; খাতিপুৱা বেলি ওলায় বোলাৰ দৰে সহজ বোধগম্য কথা। কিন্তু তাৰ পৰিবৰ্ত্তে 'সৃষ্টিৰ দিনৰে পৰা নিয়তিৰ সতে হেৰা, মানুহৰ—সংগ্ৰাম অক্ষয়' নতুবা 'তুমি আৰু মই সজা প্ৰেমৰ পৃথিৱীখনি—মৃত্যু তাৰ সীমা'— এনে ধৰণৰ ভাব আৰু ভাবৰ প্ৰকাশ ভঙ্গী দুয়োতাই নতুন কথা আৰু চমকপ্ৰদ।

দেৱকান্তৰ পূৰ্ব্ববৰ্ত্তী কবিসকলে মৃত্যুৰ মাজেদি শান্তি লাভ কৰিবলৈ, আৰু অনেকে মৃত্যুৰ মাজেদিয়ে প্ৰিয়াৰ লগত মিলন বা পুনৰ্মিলন হবলৈ হাবিয়াস কৰিছে।

'নতুবা ঘটিব প্ৰেমৰ পুতলী প্ৰিয়াৰে মিলন
তোমাৰ কৃপাত লভিম পুনৰ অপূৰ্ব্ব জীৱন।'
(মৰণ দেৱতা—লক্ষ্মীধৰ শৰ্ম্মা)

\+ \+ \+

'ধূলাত মিলিব এই ধূলাৰ শৰীৰ
উলটিম নৰ দেহা লই।' (বিদায় পৰত—
শৈলধৰ ৰাজখোৱা)

\+ \+ \+

* কবি দুৰ্গেশ্বৰ শৰ্ম্মাৰ 'নিবেদন' তুলনীয়—সম্পাদক



'চিতাগ্নি হোমাগ্নি হব
সমীৰণ মলয় চন্দন।' (শেষ অৰ্ঘ্য—নলিনী দেৱী)

\+ \+ \+

'মৃত্যু কিনো? ইও এক তোমাৰ করুণা,
আতমাৰ প্ৰকৃত মিলন।' (মিলন—যতীন্দ্ৰ দুৱৰা)

কিন্তু দেৱকান্তৰ প্ৰেমৰ পৃথিৱীৰ হলে মৃত্যুৱে সীমা। ইন্দ্ৰিয়গ্ৰাহ্য আৰু ইন্দ্ৰিয় উপভোগ্য সৌন্দৰ্য্যৰ বাহিৰলৈ যে মিছাতে কাল্পনিক মৰীচিকা খেদি দেৱকান্তৰ শ্ৰেণীৰ কবিয়ে হাবাথুৰি নাখায়। তেওঁলোকে জানে যে স্বৰ্গ খন্তেকীয়া আৰু জীৱনত সি এবাৰ গলে ঘুনাই নাহিবও পাৰে। গতিকে জীৱনত পোৱা মধুৰ মুহূৰ্ত্তবোৰৰ সুযোগ লাভ তেওঁলোকৰ লক্ষ্য। আবেগৰ লগত যুক্তি আৰু মনীষা এওঁলোকৰ কবিতাত সমানে থাকে। প্ৰেমৰ ক্ষেত্ৰত পোৱা বিৰহ তেওঁলোকৰ কাৰণে একো আচৰিত অভিজ্ঞতা নহয়। তেনে বিৰহে খন্তেকীয়াভাৱে ব্যথিত কৰিলেও তেওঁলোকক অভিভূত অথবা বিচলিত কৰিব নোৱাৰে। যুক্তিৰে সকলো আবেগকে জয় কৰা আৰু জীৱনৰ যিকোনো বিপৰ্য্যয় ধৈৰ্য্যেৰে গ্ৰহণ কৰিবলৈ শিকা এওঁলোকৰ সাধাৰণ অভ্যাস। এওঁলোকৰ মতে মানুহৰ নিঃসঙ্গ বিৰহ ধূলিৰ ধৰাতে সীমিত। পৃথিৱীৰ কোনো পদাৰ্থ দেৱতাৰ উপভোগৰ বাবে সৃষ্ট হোৱা নাই হৈছে মানুহৰ কাৰণে—'আমাৰ কাৰণে সখি আমাৰ কাৰণে কান্দে—গাভৰুৰ ওঁঠৰ লালিমা' (দেৱদাসী)। গতিকে জীৱনৰ হাঁহি-অশ্ৰু অম্লান বদনে গ্ৰহণ কৰিবলৈ তেওঁলোক সততে ৰাজী। কবি-প্ৰসিদ্ধি নামানি নতুন এই ভাবধাৰাৰ দ্বাৰা পুষ্ট হোৱা কবিসকলৰ ভিতৰত দেৱকান্তক শ্ৰেষ্ঠতম কবি বুলিবই লাগিব। তেওঁৰ কবিতাৰ নাটকীয় ভঙ্গীৰ পংক্তিবোৰে আবালবৃদ্ধ সবাকো সমানে আকৃষ্ট কৰে। সেয়েহে তেওঁৰ কবিতাৰ প্ৰেমৰ বচনবোৰো কথমপি মাত ফুটা শিশুৱেও আবৃত্তি কৰিবলৈ ভাল পায়।

তোমাৰ বিয়ালৈ আৰু কেইদিন বাকী?
দহ দিন?
মাথোঁ দহ দিন আছে?
এনে দহ নিশা, তুমি যাবা তোমাৰ বাটেদি,
মই যাম মোৰ বাটে বাটে।
হয়তো কোনোবা নিশা বহিবা ইয়াতে আহি,
ওচৰত বৰ প্ৰিয়জন;
বকুলৰ সুগন্ধিয়ে তেতিয়া তোমাৰ বাৰু
কিবা কিবি কৰিবনে মন?
হয়তো কৰিব পাৰে, হয়তো নকৰে, মোৰ
খেদ নাই। মোৰ অহঙ্কাৰ
প্ৰথম জগালো মৱে তন্দ্ৰালসা গাভৰুক মনোৰমা
হিয়াৰ তোমাৰ। (কলং পাৰত মাজনিশা)

আমিও মৰহি যাম? অসাৰ্থক প্ৰেম মোৰ?
পাপ মাথো এই চুমাচুমি?
কি কৰিম? পাপ ক্ষতি নাই, মই পাম
স্বৰ্গ, তাতে তুমি ৰবা তুমি। (অসাৰ্থক)

এইদৰে দেখা যাব যে আবেগ-অনুভূতিৰ ৰাজ্যতো সন্দেহ আৰু যুক্তিৰ প্ৰশ্ন তুলি জীৱনৰ কাৰ্য্যাৱলীক বিদ্ৰোহী দৃষ্টিকোণৰপৰা নিৰীক্ষণ কৰা কবিসকলৰ ভিতৰত দেৱকান্ত বৰুৱাই শ্ৰেষ্ঠ। গগৈ-দুৱৰাৰ অনুগামী কবি অনেক ওলাল। কিন্তু অম্বিকাগিৰী আৰু দেৱকান্তৰ অনুগামীৰ সংখ্যাহে নিচেই

স্তাকৰ। তাকৰ কিয় পূৰ্ণ অনুগামী কৰি নাই বুলিলেও ভুল নহব।

কবিতাত প্ৰশ্নোত্তৰৰ ভঙ্গী গণেশ গগৈয়েও ব্যৱহাৰ কৰিছিল। বেজবৰুৱাই আকৌ দস্তুৰমতে নাটকীয় ঠাচতে চৰিত্ৰৰ মুখত কবিতাৰ বচন দিছিল। কিন্তু দেৱকান্তৰ বাক্যভঙ্গী আৰু ঢং সম্পূৰ্ণ পৃথক। বেজবৰুৱাৰ 'বৃন্দা চন্দ্ৰাৱলী সংবাদ 'ৰাধা আৰু সখীসকল' আদি কবিতা একো একো প্ৰকাৰৰ একোখনি নাটিকা। গগৈ আৰু দেৱ-বৰুৱাৰ প্ৰশ্নোত্তৰৰ বাক্যভঙ্গীক ইংৰাজীত **dramatic monologue** বা এটা চৰিত্ৰৰ নাটকীয় মনোবিশ্লেষণ বোলা যায়। তাত বক্তাই নিজে প্ৰশ্ন তুলি নিজেই তাৰ সমাধান দি যায়।

গগৈৰ - 'কব পাৰা তুমি মোক

(যদিও নোকোৱা জানো)

স্মৃতিকে যিজনে খোজে পেলাব মোহাৰি'

ইমান কথাৰ আজি আছে কিনো প্ৰয়োজন?

আপোনাৰ লক্ষ্য ল'ক আপুনি বিচাৰি!'

সমাধান দিওঁ শুনা শোকাতুৰে শান্তি পায়

গায় যদি বেথাভৰা বিষাদৰ গান,

যদিও প্ৰাণত আহি প্ৰাণৰ আঘাত লাগে

সেই প্ৰাণ বিধাতাৰ শ্ৰেষ্ঠতম দান।' (পাপৰি)

তেনেকৈয়ে বৰুৱাৰো—'সাগৰ দেখিছা?

দেখা নাই কেতিয়াও? ময়ো দেখা নাই,

শুনিছো তথাপি,

নিস্সীম সলিলৰাশি, বাধাহীন উৰ্ম্মিমালা আছে দূৰ

দিগন্ত বিয়াপি।' (সাগৰ দেখিছা?)

ক্যাক দিবা? নতুবা দিবা কাক? মনৰ মাধুৰীৰাশি

শৰীৰৰ শোভা সুকুমাৰ?

দেৱতাক? নুগুচে পিয়াহ হায়, অভাগিনী

প্ৰেমেৰে তোমাৰ।' ইত্যাদি।

দুয়োজনৰ ৰচনাশৈলী একে ধৰণৰ হলেও দেখা যাব যে দুয়োৰো চিন্তাধাৰা নিজস্ব আদৰ্শত পৰিপুষ্ট। এক শ্ৰেণীয়ে নিয়তিৰ হাতত নিজৰ ভাগ্য সমৰ্পণ কৰি দি 'যথা নিযুক্তোস্মি তথা কৰোমি, মন্ত্ৰ জপি কান্দি-কাটি সময়ৰ সোঁতত উটি গৈছে অন্য শ্ৰেণীয়ে জীৱন যুদ্ধত প্ৰকৃত ক্ষত্ৰিয়ৰ দৰে জয়-পৰাজয় নিকদ্বেগভাৱে মানি লবলৈ প্ৰস্তুতি প্ৰদৰ্শন কৰিছে। হাৰিয়া ভিকয় কতো, জিনিয়া হৰয়; কোনো কালে ক্ষত্ৰিয়ৰ নাহি পৰাজয়' এয়ে তেওঁলোকৰ জীৱন-দৰ্শন। তাহানি মহাকবি মিল্টনৰ স্বৰ্গভ্ৰষ্ট বীৰ চৰিত্ৰ এটিয়েও কৈছিল—'What though the field

be lost?

All is not lost; (Paradise Lost, Book 1)

বিৰহৰ কৰুণ বিননি নাইবা বেদনাৰ চাটিফুটি এইশ্ৰেণী কবিৰ কবিতাত পোৱা নাযায়। তেওঁলোক সদায় সকলো অৱস্থাতে আশাবাদী হৈ থাকিব পাৰে আৰু প্ৰেমৰ দৰ্শন শাস্ত্ৰত তেওঁলোকক ভ্ৰমৰ ধৰ্ম্মী আখ্যা দিয়া চলে।

(ঘ)

ওপৰত উল্লেখ কৰা তিনি শ্ৰেণীৰ প্ৰেমিক কবিৰ প্ৰেম বা প্ৰণয় সামাজিক ৰীতি-নীতিয়ে সমৰ্থন কৰা বৈধ প্ৰেম নহবও পাৰে। গতিকে তেওঁলোকৰ বিৰহো কোনোবা উদ্দাত-যৌবনা প্ৰেয়সীৰ সগত সাক্ষাৎ বা মিলন হোৱাৰ পিছত ওপজা বিৰহ অথবা অবৈধ মিলনৰপৰা ওপজা বিৰহ। এই মিলন দৃষ্টি-বিনিময়ৰ মিলন, বাক্‌-চতুৰালিৰ মিলন নতুবা খন্তেকীয়া জৈৱিক মিলনো হব পাৰে। গতিকে তেওঁলোকৰ বিৰহো তেনেকুৱা মিলন-বিৰহৰ ফলত যে বিশ্বৰ একো স্থায়ী লাভ নহয়, এনে নহয়। বান্ধ বা ভেঁটা দি নৈৰ পানী প্ৰয়োজনমতে শস্যক্ষেত্ৰত ব্যৱহাৰ কৰাৰ দৰে বিৰহে বঞ্চিত কৰা এনে মিলন বাসনাকো সাহিত্যৰ ক্ষেত্ৰত প্ৰয়োগ কৰি সাহিত্যত স্থায়ী ফচল উৎপন্ন কৰাৰ যথেষ্ট উদাহৰণ আছে। মহাকবি ডাণ্টেৰ 'ডিভাইন কমেডি' আৰু ভক্ত কবি চণ্ডীদাসৰ পদাৱলী - তাৰে একোটা উজ্জ্বল পটন্তৰ।

অন্য পিনে আকৌ বৈধ প্ৰেম আৰু বিৰহৰ পৰা যে আবেগময়ী কবিতা নোলায় এনেও নহয়; বৰং এক শ্ৰেণীৰ কবিয়ে নিজৰ পৰিণীতা প্ৰণয়ীৰ ৰূপ-গুণ বৰ্ণনা কৰিয়ে আবেগময়ী কৰি তাহে সাহিত্যত স্থায়ী বৰঙণি দি গৈছে। ৰত্নকান্ত বৰকাকতী এই শ্ৰেণীৰ শ্ৰেষ্ঠ অসমীয়া কবি। কবি বৰকাকতীৰ প্ৰেম, নিজৰ বিবাহিতা পত্নীৰ প্ৰতি থকা স্বামীৰ আন্তৰিক প্ৰেম: সীতাৰ প্ৰতি শ্ৰীৰামচন্দ্ৰৰ আৰু দ্ৰৌপদীৰ প্ৰতি পঞ্চ পাণ্ডৱৰ প্ৰেম। সুখৰ কথা পূৰ্ব্বৰ মনোমত প্ৰেয়সীয়েই বৰকাকতীৰ ক্ষেত্ৰত পৰিণীতা পত্নী বা বৈণীও হ'ল। প্ৰেম অবিচল থাকিল।

বৰকাকতীৰ প্ৰেমে মাজে মাজে ভোগৰ পূৰ্ণতা প্ৰাপ্তিত নিমজ্জিত হৈ থাকি তাতেই আকৌ 'নেতি' ভাৱত অতৃপ্ত হৈ ঈশ্বৰমুখী হৈছে। তথাপি কিন্তু ই ঘাইকৈ ভোগাকাঙ্ক্ষাৰ প্ৰেম; কল্পনা বিলাসী 'প্লেটনিক' প্ৰেম অথবা তপস্যা সাধনাৰ ভগৱৎ প্ৰেম নহয়। সেই একে ধৰণৰ বৈধ প্ৰেম শৈলধৰ ৰাজখোৱাৰ 'হোমৰ কাষত' কবিতাত, হেম গোস্বামীৰ প্ৰিয়তমাৰ চিঠিত, আনন্দ আগৰৱালাৰ 'দেৱকন্যা মানৱী বেশেৰে' কবিতাত অতুল হাজৰিকাৰ 'প্ৰিয়াৰ সঙ্গীত'ত বেজবৰুৱাৰ 'প্ৰিয়তমা' আদি নানান কবিৰ নানা কবিতাত আৰু পদ্মনাথ গোহাঞি বৰুৱাৰ 'লীলা' কাব্যত স্পষ্ট হৈ উঠিছে।

কবি বৰকাকতীৰ প্ৰেমৰ থূলমূল কাহিনীটো তেওঁৰ কবিতাৰ পৰাই উলিয়াব পাৰি। তেতিয়াও কবিয়ে জীৱনৰ কিশোৰ কাল (১১ বছৰৰ পৰাই ১৫ বছৰ) অতিক্ৰম কৰি যৌৱনত ভৰি দিয়া নাই। যৌৱনৰ মন প্ৰাণ মতলীয়া কৰা বায়ু গাত লাগিব ধৰিছে যদিও—ধুমুহালৈ তেতিয়াও বহুত বাকী। সেই সময়ত তেওঁ এদিন ভাবী প্ৰিয়াক দেখা পালে। দেখিলত তেওঁৰ অন্তৰ কিবা এক অজান আনন্দত পুলকিত হ'ল। সেই আনন্দ আকস্মিক ধৰণৰ আছিল যদিও তাৰ প্ৰবাহ কবিৰ অন্তৰত স্থায়ীভাৱে বৈ গ'ল। ১৯১০ চন মানতে আৰম্ভ কৰি ১৯২৭ চন মানলৈ ই কবিৰ অন্তৰ বাৰেকৈয়ে আলোড়িত কৰিছিল। তেওঁ ১৯১০ চনত লিখা 'তেতিয়া' কবিতাত কৈছে।

'তেতিয়া কৈশোৰ

প্ৰশান্ত সাগৰ

জোৱাৰ নউ,

এনেতেই তুমি

আহি অকস্মাৎ

তুলিলা ঢউ।' ('তেতিয়া'—১৯১০ চন)

আকৌ 'দুদিন আহে যায়' বোলা কবিতাত কৈছে 'এদিন হঠাৎ মধুৰ হাতত প্ৰনয় উঠিল জাগি।

(১৯১৩)

প্ৰথম দৰ্শনত অকস্মাৎ ওপজা চকুৰ এই তৰিৎ প্ৰেমেই কবিক কেনেকৈ আত্মহাৰা কৰি উটাই বুৰাই লৈ ফুৰিছে তাৰ ইঙ্গিত অনেক কবিতাত

তেওঁ বাৰুকৈয়ে দিছে।

'যিদিন ধ্বস্তে
চকু চাঁট মাৰি
তুমি উজলিলা মোৰ,
সেইদিন ধৰি
যেন নিলা হৰি
তিল তিল ক'ই সকলোবোৰ।'
((বিশ্বহৰণ ১৯১৪)

তেতিয়াৰ পৰাই বিনন্দীয়া প্ৰকৃতিৰ সকলো সৌন্দৰ্য্য হৰি নি কৱিপ্ৰিয়া কৱিৰ মনো মন্দিৰত 'অৰ্দ্ধেক মানৱী তুমি অৰ্দ্ধেক কল্পনা' ৰূপে অধিষ্ঠিতা হ'ল। বাহিৰত বিচাৰি ফুৰা 'সুন্দৰক তেওঁ মনৰ মাজতে লাভ কৰিলে সঁচা, কিন্তু বহিঃপ্ৰকৃতিৰ আকৰ্ষণ তেওঁৰ বাবে হ্ৰাস হোৱাত তেওঁৰ মনে জানো শান্তি পালে? তেতিয়াও তেওঁ কলে - কুলৰ হৃদয়
কৰিলা হৰণ
লুটিলা তৰ
লাৱণ্য বৰণ
তৰাক পেলালা জয়;
হৰিলা বেলিৰ
ছিৰণ কিৰণ
কৰিলা বিৰাট
বিশ্বহৰণ
আৰু কি প্ৰাণত সয়? (বিশ্বহৰণ-১৯১৪)

এনেকৈ তিলতিলকৈ বিশ্ব হৰণ কৰি নি অন্তৰত নতুনকৈ উদ্ভাসিত হোৱা প্ৰেয়সীয়েই মানৱী ৰূপত কৱিৰ মানসী প্ৰিয়া। এই প্ৰিয়াকেই কেতিয়াবা কেতিয়াবা তেওঁ প্ৰিয় বুলিও সম্বোধন কৰিছে।

বাস্তৱৰ ৰূপহী প্ৰিয়াই অপ্ৰাপ্তিত কৱিৰ লগত ছঁয়ামঁয়া খেলা খেলি থাকি অতৰ্কিতে কেতিয়াবা কৱিৰ কল্পনা-দুৱাৰ খুলি অন্তৰত প্ৰৱেশ কৰিলে। কালক্ৰমত তেৱেঁই আকৌ বাস্তৱৰ কাৱৰ হাতত ধৰা দি কল্পনাৰ উৰণীয়া পখী হৈও বাস্তৱৰ সোণালী সজাত বান্ধ খালেহি। তাৰেই ফলত তেওঁ প্ৰেমৰ নতুন ৰূপ উপলব্ধি কৰিলে 'প্ৰাণ মন হৈ যোৱা এক গুচি দুই।' এয়ে কৱিৰ প্ৰিয়া, এয়ে কৱিৰ প্ৰিয়, এয়ে সুন্দৰ, এয়ে তেওঁৰ প্ৰেম। প্ৰিয়া আৰু প্ৰিয় দুয়ো কেতিয়াবা ইটোৱে সিটোৰ আসন গ্ৰহণ কৰি একাকাৰ হৈ পৰিছে।

প্ৰেমৰ খেলাত প্ৰিয়াৰ ৰূপৰ তুলনাত নিজে কি জানি যথাযোগ্য পাত্ৰ নহয়, এনে এটি সঙ্কোচ বা নীচাত্মবোধ যে কৱিৰ মনত ওপজা নাছিল এনেও নহয়; কিন্তু তেওঁ তাক স্পষ্টকৈ কবলৈও সাহ কৰা নাই। ৰায়চৌধুৰীৰ কৱিতাত সেই সন্দেহ স্পষ্ট প্ৰশ্নৰ আকাৰত ওলাই আহিছে (ভাবি মোক হ'ন-নীচ বুলি ইত্যাদি), দেৱকান্ত বৰুৱাৰ কৱিতাত তেনে সন্দেহ কৱিৰ মনত ক'তো উদ্ভৱ হোৱাই নাই। বৰুৱাই প্ৰেয়সীৰ লগত সমানে সগৌৰৱে বুকু ফিন্দাই থিয় হৈ নিভৃত কলং পাৰত মাজনিশাও কব পাৰিছে - 'লুকাই আছিছা? ভয় নাই নেদেখে কোনেও জেনৰাই ডাৱৰে আৱৰা।' ইত্যাদি। কৱি বৰকাকতীৰ অন্তৰ ইমান আলসুৱা আৰু ইমান শঙ্কাতুৰ যে প্ৰিয়াৰপৰা জানোচা কিবা অৱাঞ্ছনীয় উত্তৰ আহে আৰু ভয়ত প্ৰিয়াই তেওঁক সচাকৈ ভাল পায় নে নাপায় তাকো সুধিবলৈ সঙ্কোচ কৰিছে।



ভাল পায় নে নাপায়।
সুধি কাম নাই
সুসুধিৰি হায়
টুকি চকুপানী।
টিমিক টামক পোহৰৰ ছাটি
জ্বলছে যে হায়
তাকো উলিয়াই
নুমুমাবি- বতাহত আনি।' (সান্ত্বনা ১৯২১)

তেনে প্ৰশ্নৰ কৱিক নলাগ—এনে নহয়, কেৱল ভয়, ভানাচা আশাৰ বিপৰীত উত্তৰ কেনেবাকৈ তেওঁৰ ভাগ্যত ঘটে। সেইটো তেওঁ ভাবিবও নোৱাৰে। সেইবাবে নিজেই নিজৰ প্ৰশ্নৰ উত্তৰ ভাবি লৈ সুখ পাব খুজিছে - 'ভাবি ভাবি মাথো
ওপঙি যান
টুকি যে নোপোৱা
আকাশ চাই (প্ৰশ্ন ১৯১৯)

কৱিয়ে তেওঁৰ কৱিতাৰ ৰাণীৰ উহ ক'ত সেই কথা নিসঙ্কোচে স্বীকাৰ কৰি গৈছে। প্ৰিয়াৰ মনোৰম দৃষ্টি আকৰ্ষণ, চুম্বন আৰু বাহুবন্ধনৰ স্মৃতিৰ অনুশীলন - এইবোৰেই তেওঁৰ কৱিতাৰ প্ৰেৰণা বা জীৱনী শক্তি। 'জীৱন জুৰি লাগিল আহা তাৰেই ৰাণী, যদি তোমাৰ, হৃদয় হোমৰ নহও ময়ে হবি—নহও মিছা কৱি—আদি বাক্যই কৱিৰ পত্নীৰ প্ৰতি থকা অনুৰাগৰে সাক্ষ্য দিয়ে।

'শেৱালী-কৱি' অকল ভোগ-তৃষ্ণাৰে কৱি নহয়, ভোগাতীত অতীন্দ্ৰিয় কামনাও তেওঁৰ কৱিতাত আছে। 'অতনু-পৰাণ পখী' ৰূপী প্ৰাণ প্ৰিয়াই ধৰা দি 'ঘৰ জেউতি' ৰূপে কৱিৰ গৃহত প্ৰৱেশ কৰাত যেতিয়া বায়ুমণ্ডল 'মদন-পূজাৰ ধূপৰ ধোঁৱাৰে 'ধুৱঁলী কুঁৱলি' হৈ উঠিল তেতিয়া জানো তেওঁৰ অন্তৰে স্থায়ী শান্তি লাভ কৰিলে? যি শান্তি বিচাৰি তেওঁ উধাতু খাইছিল সেই শান্তি যেন তেওঁৰ হাতৰ পৰা পিচলি পৰিল। এয়ে বাস্তৱ আৰু আদৰ্শৰ পাৰ্থক্য! —'তুমিতো সুন্দৰ
মই যে কুৎসিৎ
সেই কাৰণেই নৰলা প্ৰিয়।
(সুন্দৰ ১৯১৪)

এইখিনিতে কৱিৰ পাৰ্থিৱ প্ৰেম স্বৰ্গীয় প্ৰেমলৈ (বাস্তৱৰ পৰা আদৰ্শলৈ) উৰা মাৰিব খুজিছে। মানৱী প্ৰিয়াই তেতিয়া ক্ৰমে মানসী প্ৰিয়ালৈ পুনঃ ৰূপান্তৰিত হৈ চিৰ সুন্দৰৰ স্থান লভিবলৈ প্ৰয়াস কৰিছে।

পিছে চিৰ সুন্দৰৰ ধাৰণা মানুহে জানো কৰিব পাৰে? অসীম, অব্যক্ত, অনাদি, অনন্ত চিৰসুন্দৰক সীমাৰ মাজত ধাৰণা নকৰিলে ধাৰণা কৰা টান। সেই বাবে কৱিয়ে তেওঁৰ চিৰসুন্দৰকো সীমিত কৰি 'ইন্দুৰ দৰে অ' মোৰ প্ৰিয়' বুলি তেওঁৰ চিৰসুন্দৰৰ ধাৰণা এটি দিছে। মুঠতে কৱিয়ে প্ৰিয়া, চন্দ্ৰ আৰু চিৰ সুন্দৰক কল্পনাত একেডাল সূতাতে গাঁথি ৰাখিছে। তেওঁৰ কৱিতাত সেই বাবেই কাল আৰু স্থান ভেদে ইটোৱে সিটোৰ আসন গ্ৰহণ কৰি বহা দেখা যায়। বিশ্বৰ বছাবছা সকলো সৌন্দৰ্য্য হৰণ কৰি আত্মসাৎ কৰা কৱিৰ প্ৰিয়াই আকৌ এদিন গৈ সকলো ৰূপত বিলীন হৈছে—
'তেতিয়া নাই আকাৰ তোমাৰ
সৰ্ব্ব বিয়পি গলা,
সৰ্ব্ব ৰূপত তেতিয়া যে তুমি
আকৌ মোৰেই হলা। (সৰ্ব্বৰূপত,
১৯১৭)

এইদৰেই প্ৰিয়তমাক কেন্দ্ৰ কৰি অঙ্কুৰিত হোৱা প্ৰেমেই ভোগৰ সীমা পাৰ হৈ 'নেতি'

ভাৱত গৈ গৈ ভগৱৎ প্ৰেমত পৰিণত হৈছে। হলেও কিন্তু কৱিৰ প্ৰেম মূলতে ভোগাকাংক্ষাৰ ঐহিক প্ৰেম। বিভিন্ন ৰূপত উদ্ভাসিত হৈ ই কৱিক বিভিন্ন সময়ত বিভিন্ন ৰূপে আপ্লুত কৰিছে আৰু কৱিৰ অন্তৰৰ পূজাভাগ গ্ৰহণ কৰিছে— মই পূজোঁ কাবোবাক কবকে নোৱাৰোঁ।

এই দেখোঁ এই নাই ভুলোকে দ্যুলোকে
নিতে নৱ ৰূপ তাৰ
নিতে অগোচৰ
বিচাৰি তাকেই বয় চকুলো পলকে
লক্ষ ধাৰে লক্ষ স্তুতি
অলক্ষ্য সাগৰ।' (মোৰ পূজা
১৯১৮)

প্ৰিয়াক কৱিতাৰ আৰাধ্যা দেৱী হিচাপে কল্পনা কৰি অন্য যিসকল কৱিয়ে দুই একোটা কৱিতা বা সঙ্গীত ৰচনা কৰিছে সেইসকলৰ সুৰ তৰঙ্গতো ৰোমান্টিক কৱিৰ ইন্দ্ৰিয় গ্ৰাহ্য ভোগাকাঙ্ক্ষা অনেক ঠাইত ভালকৈয়ে ফুটি ওলাইছে। নাট্যকাৰ আৰু সুকৱি অতুলচন্দ্ৰ হাজৰিকাই প্ৰিয়াৰ সঙ্গীত কৱিতাত গাইছে।

'কোমল তুলাৰ দৰে সাদৰীৰ লৱনুৱ তনু'
লিৰিকি-বিদাৰি মই বাওঁ নিতে উলাহৰ বেনু'

* * *

সাদৰীৰ বুকুখনি স্বৰ্গলাভ কৰিলে পৰশ,
পকা ঠেকেৰা যেন স্তন দুটি প্ৰেমেৰে সৰস,
আৰু মিঠা হিয়াখনি দয়া ভক্তি স্নেহৰ পুখুৰী
ৰাজহংস হই তাতে দিনে নিশা ফুৰো মই চৰি।

* * *

মোৰদৰে যাত্ৰী কোনো যদি আছা এই পৃথিৱীত
থাপিছা হৃদৰে আৰু প্ৰাণ প্ৰিয়া হৃদয় বেদীত।
অহঁা ভাই ৰঙমনে একেলগ যাওঁ আগুৱাই
প্ৰেমিক সন্ন্যাসী আমি প্ৰেয়সীৰ প্ৰেম গীত গাই।'

তেনেকৈ গোহাঞিঃ বৰুৱাৰ 'প্ৰথম মিলন দিন, পোনে পেখ দেখিব পৰা 'লীলা' কাব্যত নাকেলি বাহিৰ হোৱা তালুকটা ৰাগীনৈকে প্ৰিয়া মিলনৰ যি বৰ্ণনা, হিতেশ্বৰ বৰবৰুৱাৰ কাণৰ থুৰিয়াৰ সৌভাগ্য সম্পৰ্কে যি ঈৰ্ষাতুৰ মন্তব্য, হেম গোস্বামীৰ 'প্ৰিয়তমাৰ' চিঠিৰ কুকুৰাঠেঙীয় সেই আখৰ কিটিত' পোৱা অমিয়া আদিৰ বৰ্ণনাই কৱিসকলক যি সন্মান নিদিলেও লাগিলে, কৱিপ্ৰিয়াসকলক হলে গৌৰৱমণ্ডিত আসনত সদায় ৰাখিব তাত সন্দেহ নাই।

এই পৰ্যান্ত উল্লেখ কৰা চাৰিও প্ৰকাৰ প্ৰেমিকৰ প্ৰেম – মানৱীয় প্ৰেম, ইন্দ্ৰিয়ভোগ্য প্ৰেম। প্ৰেমিকাৰ সৈতে মিলনেই তেওঁলোকৰ লক্ষ্য। সেই লক্ষ্যত উপনীত হব নোৱাৰি কোনোৱে জীৱনত ধুৱলী-কুৱলী দেখি কয় –

'এন্ধাৰ মুধাৰ বাট নয়নি একোকে
সম্মুখত স্মৃতিৰ শ্মশান,
কতনা প্ৰেমৰ ছবি লয় গৈ তাতে
তোলে এটি সকৰুণ তান
সম্মুখত স্মৃতিৰ শ্মশান।' (ডুৱৰা)

কোনোৱেবা এতেবেলি ভুলপথে ভ্ৰমণ কৰা যেন পাই আৰ-বা দি অন্য বাট লয়। এওঁলোকৰ বাহিৰেও আৰু এক শ্ৰেণীৰ কৱি আছে যিসকলে সংসাৰৰ বা' মাৰলী পৰি জীয়াতু ভুঞ্জি ঐহিক সুখানুভূতিৰ ওপৰত জলাঞ্জলি দিয়ে আৰু ভগৱদ প্ৰেমৰ পৱিত্ৰ সলিলত অৱগাহন কৰি সান্ত্বনা



লভিবা বিচাৰে। তেওঁলোকৰ অন্তৰতো ৰূপ তৃষ্ণা আছে, সি কিন্তু ইন্দ্ৰিয়গ্ৰাহ্য ভোগানুভূতিৰ তৃষ্ণা নহয়—'ৰূপতৃষ্ণা চিৰ সুন্দৰ'ৰ। পৰমেশ্বৰ, পৰমাত্মা বা পৰম পদহে তেওঁলোকৰ কাম্য বস্তু। নলিনীদেৱী, ৰঘুনাথ চোধাৰী, নীলমণি ফুকন আদি এই শ্ৰেণীৰ কৱি।

'বিয়োগৰ দহনত হিয়াখনি
যয় ফাটি,
নাপানো কেতিয়া আৰু—পুৰৰ দুখৰ ৰাতি।
(ৰঘুনাথ চৌধাৰী)

* * *

সৃষ্টিৰ সকলো সৌন্দৰ্য্যৰ মাজত
বিচাৰি তোমাক ভাগৰিলো।
সৌন্দৰ্য্যৰো তুমি দূৰৰ সপোন
এই কথা আগে নাজানিলো।

মনৰ আলোকপুৰী জিনি আছা
অৰূপা সুন্দৰী মনোৰমা,
প্ৰাণেৰে পৰশ নাপাই তোমাৰ
গঢ়িছোঁ মনতে তিলোত্তমা।
(নীলমণি ফুকন)

এই শ্ৰেণীৰ কৱিক আমি প্ৰকৃততে প্ৰেমৰ কৱি আখ্যা দিব নোৱাৰোঁ। কাৰণ তেওঁলোকৰ প্ৰেমত দৈহিক প্ৰেমৰ আনুভূতিক আৱেদন নাই। সুস্বাদু মচলাযুক্ত তেলত সিজি থাকি কটু-অম্ল পদাৰ্থয়ো আচাৰত পৰিণত হৈ নিজৰ স্বাদ এৰি অন্য স্বাদ লোৱাৰ দৰে এওঁলোকৰ প্ৰেমেও ভক্তিৰসত সিদ্ধ হৈ অন্যৰূপ আৰু অন্য স্বাদ গ্ৰহণ কৰিছে! ইয়াৰ ৰাগীৰ মোল দোচোৰা। তাৰ বেলেগ আলোচনাৰ আৱশ্যক।

**শ্ৰীঅতুল চন্দ্ৰ বৰুৱা**

---

# অসমীয়া লোকাচাৰ ঃ সাথ আৰু আমতী

**শ্ৰীপ্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্য**

আমাৰ গাঁৱে-ভূঞে বিশেষকৈ হিন্দু ধৰ্ম্মৰ প্ৰভাৱজড়িত সমাজত সাথ আৰু আমতী লোকাচাৰ হিচাপে পুৰণি কালৰেপৰা প্ৰচলিত। সাথ বা সাত জেঠৰ শেষ আৰু আহাৰৰ আদিত সাতদিন ধৰি চলে। সংস্কৃত ভাষাত সাথক ভূমিদাহ বোলে। আমতী বা আমেতী সংস্কৃতত অম্বুৱাচী নামে অভিহিত ঃ আহাৰৰ সাত তাৰিখৰপৰা আমতী লাগে অৰ্থাৎ আই বসুমতী বা পৃথিৱী দেৱী চুব নোৱাৰা হয়। চাৰিদিনৰ মূৰত আমতীৰ চুৱাৰ ওৰ পৰে আৰু সেই কাৰণে পঞ্চমদিনা আমতীৰ শুদ্ধি হয়। সাথৰ সময়ত উৰুলি-জোকাৰেৰে মাটি তুলি বৰাত বা ব্ৰত-পূজা আয়তা অৰ্থাৎ স্বামী থকা তিৰোতাসকলে ঘাইকৈ নামনি অসমৰ অঞ্চল বিশেষত পতা দেখা যায়। আবিয়ৈ ছোৱালী আৰু বিধৱা তিৰোতাই বৰাতৰ পূজা নেপাতে। এই বৰাত বা ব্ৰত সাবিত্ৰী সত্যবানৰ উপাখ্যান জড়িত এটি লৌকিক আচাৰ-উছৱ বুলি বোধ হয়। সাথ আৰু বৰাত, আমতী আৰু সেই উপলক্ষে আই কামাখ্যাদেৱীৰ মন্দিৰত হোৱা মেলা-উৎসৱ জেঠ-আহাৰ মাহৰ দুটি

বিশিষ্ট লোকাচাৰ-জড়িত উছৱ বুলি পৰিগণিত হৈ আহিছে। উজনি অসমত আমতীক সাত বুলিয়ে অভিহিত কৰা হয়।

সাথ আৰু আমতীয়ে বৰ্ত্তমানে অসমত লোকাচাৰ আৰু কিছুপৰিমাণে লোক-উছৱৰ স্থান পাইছে যদিও ইবোৰৰ শাস্ত্ৰীয় উল্লেখ তথা বিধি-নিষেধৰ ব্যৱস্থাও মন কৰিবলগীয়া :—

"পূৰ্ব্বে ত্ৰীণি পৰে ত্ৰীণি সংক্ৰান্তিঃ মধ্যৱৰ্ত্তিনী।
মিথুনাদৌ বৃষস্যান্তে ভুমিদাহো দিনত্ৰয়ম্।
ভূমিদাহে ন কৰ্ত্তব্যং বীজানাং বপনং ভুৱি।
নিত্যাদৃতে ন কুৰ্ব্বীত যজ্ঞদান ব্ৰতানিচ চ॥"

অধ্যক্ষ মনোৰঞ্জন শাস্ত্ৰীয়ে 'প্ৰাচীন কামৰূপ পঞ্জিকাত' ভুমিদাহ বা সাথ সম্পৰ্কে এনেদৰে লিখিছিল—"সৌৰ জেঠৰ শেষৰ তিনিদিন, সংক্ৰান্তি দিন আৰু আৰু আহাৰৰ আদিম তিনিদিন—এই সাতদিন ভূমিদাহ বা সাথ হয়। সেই কেইদিনত নিত্য নৈমিত্তিক আৰু পূৰ্ব্ব-সংকল্পিত কৰ্ম্মৰ বাহিৰে আন বৈদিক কৰ্ম্ম, বীজবপন আৰু হলবহন নিষিদ্ধ। এই সাতদিনৰ ভিতৰত জেঠৰ শেষ এদিন, সংক্ৰান্তি দিন আৰু আহাৰৰ প্ৰথম দিন—এই তিনি দিনত উক্ত কৰ্ম্মবিলাক বিশেষভাৱে নিষিদ্ধ।"

সাথ শব্দৰ উৎপত্তি কেনেকৈ হ'ল খাটাংকৈ কোৱা টান। তথাপি সংস্কৃত ভাষাৰ সপ্ত বা সপ্তকৰপৰা ক্ৰমে > সট্ঠ অ > সট্ঠ > সাঠ/সাথ্ হোৱাটো সম্ভৱপৰ। ইয়াৰপৰা অনুমান হয় যে সাত দিনৰ সমাহাৰ বা সমষ্টিয়ে হ'ল সাথ। গঞা সমাজত সাথৰ লগত সাত দিন জোৱা বৰষুণৰ সোঁতা আৰু বানপানীৰ সম্বন্ধ আছে। সাথৰ সোঁতা খুলিলে ধাৰাবাহিক কেণকেণীয়া বৰষুণ বতৰ বুজায়। সাথৰ সময়ত বৰষুণ হয় বুলি আমাৰ খেতিয়কৰ লোকবিশ্বাস চলি আছে। পৃথিৱীৰ গাৰ পোৱণি জুৰ পেলাবলৈকে এইদৰে বৰষুণৰ সোঁত নামি আহে বুলিও কিছুমান মানুহে ভাবে। সাথৰ সময়ত হালবোৱাৰ নিয়ম নাই; অৱশ্যে আজিকালি এই নিয়ম কিছুমান ঠাইত মানি চলা দেখা নাযায়।

সাথৰ লগত জড়িত নাৰীসকলৰ আত্মতায়া উৎসৱ 'বৰাত' বা ব্ৰতৰ বিষয়ে কবলগীয়া, চাবলগীয়া আৰু বিচাৰিবলগীয়া বহুবিধ আচাৰ-বিচাৰ আছে : সাথ লাগিবৰ দিনা স্বামী থকা (আয়তা) তিৰোতাই নদী, পুখুৰী, বা পবিত্ৰ জলাশয়ৰপৰা শুদ্ধভাৱে গীত পদ, উৰুলি জোকাৰেৰে আসন পতা পীৰাত সাথৰ মাটি তুলি আনে। একোজনী তিৰোতাই পানীত বুৰ মাৰি বা ডুব দি তিনি, পাঁচ বা সাতবাৰ মাটি তুলি আনি পীৰাত থাপে। একোঘৰ পৰিয়ালৰ কেবাজনী সধৱা তিৰোতা থাকিলে একেলগে একেখন আসনতে সাথৰ মাটি তুলি আনি 'বৰাত' পাতে। সাথৰ মাটিত ধান, মাহ, তিল, সৰিয়হ আদি শস্য ছটিয়াই দিয়া হয়। এই সাতদিনৰ ! প্ৰতিদিনে ৰাতিপুৱা সাথৰ মাটি-তোলা আসনত শুদ্ধচিত্তে সেৱা-সৎকাৰ কৰে। এই সম্পৰ্কত এটি জনবিশ্বাস চলি আছে যে সাথৰ মাটিত ধান, মাহ, তিল, সৰিয়হ আদিৰ যি বিধ সৰহকৈ গজে. সেইবিধৰে খেতি সেইবছৰত সৰহ পৰিমাণে হয়। এই কালৰপৰা চালে এয়া ভৱিষ্যত খেতি বাতিৰ আগ জাননী। জেঠৰ সংক্ৰান্তি অৰ্থাৎ দোমাহীৰ দিনা সাথৰ আসনত বিশিষ্টৰূপে পূজা-অৰ্চ্চনা কৰা হয়। আহাৰৰ তিনি তাৰিখে অৰ্থাৎ সাথ আৰম্ভ হবৰ সপ্তম দিনা 'বৰাত পূজা' পাতে। এই নাৰী-উৎসৱত কুমাৰী, বিধৱা, আৰু সধৱা (আয়তা) সকলোৱে যোগদান দিয়ে; কিন্তু সাথৰ মাটি তুলি এই পূজাত কেৱল সধৱা (আয়তা) তিৰোতাহে ব্ৰতী হয়। এই 'বৰাত পূজা'ত সাবিত্ৰী-সত্যৱান আৰু আন আন কেইবাটাও পুতলা চাউলৰ গুৰি আৰু হালধি মিহলাই সাজে। এই পূজা অৰ্চ্চনাৰ লগতে সাবিত্ৰী-সত্যৱানৰ আখ্যান আৰু অন্যান্য সংশ্লিষ্ট সাধু ওজা বা নামতীয়ে বৰ্ণনা কৰে। শাস্ত্ৰীয় সাবিত্ৰী-চতুৰ্দ্দশী ব্ৰত চান্দ্ৰ মতে জেঠ মাহৰ কৃষ্ণা চতুৰ্দ্দশীত কৰে; কিন্তু আমাৰ গঞা তিৰোতাসকলৰ এই 'বৰাত পূজা' সাবিত্ৰী-সত্যৱান উপাখ্যানৰ লগত জড়িত যদিও তিথি-বাৰ, ক্ৰিয়া-কৰ্ম্ম অমিল।

সাথৰ পিছতে অম্বুবাচী বা আমতী আহে। আহাৰত আমতী হয়। সাথ আৰু আমতীৰ যোৱাৰ সময়ত বৰষুণ-বানপানী হোৱাটো ভাৰতৰ উত্তৰ-পুব অঞ্চলত প্ৰচলিত জনবিশ্বাস। আমতী বুলিলে আকৌ চহা লোকে আম-কঠালৰ বতৰ বুলিও ভাবে; পিছে আমতীত আমৰ গোন্ধ আৰু সোৱাদ আছে যদিও আমৰ লগত আমতীৰ সম্বন্ধ নাই। অকল আমেই নহয়, এই সময়ত লেটেকু, পনীয়াল, কঠাল, জামু আদিও খাবলৈ পোৱা যায়। সংস্কৃত অম্বু অৰ্থাৎ পানীৰ লগত আমতীৰ সম্বন্ধ আছে। আই পৃথিৱী বা বসুমতী অম্বুবাচী অৰ্থাৎ আমতীৰ সময়ত ৰজস্বলা হয় বুলি স্মৃতিসাগৰ, স্বপ্নমাৎস্য আদি সংস্কৃত পুথিত উল্লেখ আছে :

যস্মিন্ ৰাবে ক্ষণে চৈৱ ৰৱিৰ্ম্মিথুনগো ভৱেৎ।
তস্মিন্ ৰাবে ক্ষণে চৈৱ ভৱেৎ পৃথ্বী ৰজস্বলা॥
ৰৌদ্ৰপাদে সমাৰভ্য মিথুনস্থে দিৱাকৰে।
চতুৰ্ব্বিংশতিযামঞ্চ ধৰণী ঋতুভাগ্ ভৱেৎ॥

আহাৰ মাহত সূৰ্য্য মিথুন ৰাশিত উদয় হয়। যি বাৰে যি সময়ত সূৰ্য্য মিথুন ৰাশিলৈকে যায়—পিছৰ এসপ্তাহৰ মূৰত সেইবাৰে সেই সময়ত পৃথিৱী ৰজস্বলা হয়। আমতীৰ চাৰিদিন হাল-বোৱা, গুটি সিঁচা, মাটি খন্দা আদি কাম নিষিদ্ধ। সন্ন্যাসী, ব্ৰতী, ব্ৰহ্মচাৰী, বিধৱা আৰু বামুণসকলে ৰন্ধা বা সিজোৱা সামগ্ৰী খাব নেপায়। এই চাৰি দিনত সন্ধ্যা উপাসনা, পূজা-পাতল আদিও নিষেধ।

পৃথিৱী বা বসুমতীক উপাস্যা দেৱী ৰূপে ভাৰতীয় আৰ্য্যসকলে বৈদিক যুগৰেপৰা পূজা-অৰ্চ্চনা কৰি আহিছে। বসুমতী আৰু বৰাহৰূপী বিষ্ণুৰ সংযোগত নৰকাসুৰৰ জন্ম হয়। বসুমতীয়ে ৰামায়ণৰ নায়িকা সীতাৰো জন্মদাত্ৰী। বসুমতী বা ধৰিত্ৰীক জন্মদাত্ৰী ৰূপে কল্পনা কৰি সৃষ্টিৰ প্ৰতীকত্ব আৰোপ কৰাৰ দৃষ্টান্ত পৃথিৱীৰ বহুতো জাতি আৰু জনজাতিৰ মাজত দেখা যায়। শস্যৰ পথাৰ নদন-বদন হবলৈ ডায়েনা, চিৰিচ আদি দেৱীক বন্দনা কৰাৰ উদাহৰণ ইউৰোপৰ ভিন ভিন ঠাইত পোৱা যায়। যাদু আৰু যৌন নৃত্য-গীতে পৃথিৱীৰ উৰ্ব্বৰা শক্তি বৃদ্ধি কৰে বুলি

উত্তৰ আমেৰিকা, যাভা আদিৰ বহুতো আদিম জনজাতিয়ে বিশ্বাস কৰে। সূৰ্য্যদেৱতা আৰু পৃথিৱীৰ বিয়া-উৎসৱ পাতি খেতি-পথাৰৰ শ্ৰীবৃদ্ধি সাধন কৰাৰ দৃষ্টান্ত আছে উত্তৰ গিনি আৰু অষ্ট্ৰেলিয়াৰ মাজত থকা কিছুমান দ্বীপপুঞ্জত ; ছাৰ জেমচ্ ফ্ৰেজাৰৰ গ্ৰন্থত এইবোৰৰ বহল আলোচনা আছে। আমাৰ আই বসুমতীৰ অম্বুবাচী কৃত্য বা আমতীৰ আচাৰ-বিধিও এই পট-ভূমিতে বিবেচ্য। আহাৰ মাহত উত্তৰ-পূব ভাৰতৰ, বিশেষকৈ অসমত খেতি-পথাৰৰ ভৰ কাম চলে ; বিশেষকৈ এয়া আমাৰ বাৰিষাৰ শালি ধানৰ বতৰ। এনে সময়ত আই ধৰিত্ৰীৰপৰা সৃষ্টি কামনা কৰাটো জন-মানসৰ ফালৰপৰা সম্পূৰ্ণ যুক্তিসঙ্গত।

কামাখ্যাক কেন্দ্ৰ কৰি শক্তিপীঠ আৰু দেৱী পূজাৰ থানবোৰত অম্বুবাচী পালন মন কৰিবলগীয়া। কামাখ্যাৰ অম্বুবাচী মেলা-উৎসৱ সদৌ ভাৰতৰে ধৰ্ম্ম-জগতত জনাজাত। কামাখ্যা, তাম্ৰেশ্বৰী, কেচাইখাইতী আদিৰ পূজা কল্পনা আদিম মাতৃপূজাৰ অন্তৰ্গত আৰু এইবোৰ আৰ্য্যভিন্ন জাতিৰপৰাই অহাটো সম্ভৱ বুলি স্বৰ্গীয় ডক্টৰ বাণীকান্ত কাকতি প্ৰমুখ্যে পণ্ডিতে অভিমত দিছে। অসমৰ অষ্ট্ৰিক (খাছিয়া-জয়ন্তীয়া), কিৰাত (বড়ো, ডিমাছা, তিপ্ৰা, দেউৰী-চুতীয়া আদি) জনজাতিবোৰৰ বহুতৰ মাজত কামাখ্যা বা তৎসমা ৰূপত সৃষ্টি-কাৰিণী মাতৃ নাইবা দেৱীৰ ধাৰণা চলি আছে ; পিছতহে এই ধাৰণা আৰ্য্যীকৰণ কৰি লোৱা হয়। তন্ত্ৰ মন্ত্ৰ আৰু বৌদ্ধ ধৰ্ম্মৰ প্ৰভাৱত মাতৃপূজা আৰু শক্তি উপাসনা বিষ্ণু শৈৱ আৰাধনাতকৈও শক্তি-শালী হৈ পৰে। মনসা দেৱী বা সৰ্পৰ অধি-ষ্ঠাত্ৰী বিষহৰিৰ পূজা-উপাসনাও উত্তৰ-পূৱ ভাৰতত [অসম, বঙ্গ, বিহাৰ] শক্তিপূজাৰে ভিন্নৰূপ মাথোন।

অসমৰ মঙ্গলয়দ বা কিৰাতগোষ্ঠীৰ বড়ো কছাৰী সকলৰ মাজত আই কামাখ্যাৰ (খাম্‌মাইখা) পূজা-সেৱা সৃষ্টিকৰ্ত্তা বাথৌব্ৰাইৰ (মহাদেৱ) লগতে কৰা হয়। তেওঁলোকে বিশ্বাস কৰে যে "স্বয়ং জন্মদাত্ৰী আই খাম্‌মাইখা (কামাখ্যা) দেৱীয়ে বছৰত এবাৰকৈ ঋতুস্নান কৰে, যাৰ পৰিণামত পৃথিৱী পুনৰ শস্য-শ্যামলা হৈ উঠে। এই পৰ্ব্বটো আজিও সমগ্ৰ বড়োকছাৰীয়ে পালন কৰে।" (ধূপাৰাম বসুমতাৰী, বড়োকছাৰী সংস্কৃতিৰ কিঞ্চিৎ আভাস, পৃষ্ঠা ৮, ১৯৫৫ ইং) আমতী শব্দৰ উৎপত্তিও 'উলু মৈনি থৈ' (নাভিদেশৰপৰা ওলোৱা শোণিত) শব্দমালাৰ লগত জড়িত বুলি উক্ত পুথিত উল্লেখ কৰা হৈছে।

অম্বুবাচী বা আমতীৰ কৃত্য আৰু পৰ্ব্ব ঘাইকৈ উত্তৰপূব ভাৰতৰ হিন্দুধৰ্ম্মী সমাজত প্ৰসাৰিত। ইয়াত আৰ্য্যভিন্ন সংস্কৃতিৰ প্ৰভাৱ পৰিছে যেন অনুমান হয়। প্ৰজনন কৃত্য, মাতৃপূজা, শক্তিৰ আৰাধনা আদিৰ লগত আমতীৰ নিবিড় সম্বন্ধ আছে। আমতীক কেন্দ্ৰ কৰি বহুতো জনবিশ্বাস, জন-সংস্কাৰ আৰু আচাৰ-বিচাৰ গঢ় লৈ উঠিছে : উদাহৰণ স্বৰূপে আমতীৰ সময়ত কানি-কাপোৰ, বাচন-বৰ্ত্তন, পানী-চুনি, খাদ্যসামগ্ৰী মাটিৰ লগত প্ৰত্যক্ষ ভাৱে জড়িত নোহোৱাকৈ আঁতৰাই ৰখা হয়। আমতীৰ সময়ত ব্যৱহাৰ কৰা আহিলা, সাজপাৰ আদি অপৱিত্ৰ বুলি গণ্য কৰা হয়



সেইবোৰৰ কিছুমান পৰিত্যাগ কৰা হয় ; কিছুমান বিশুদ্ধ কৰি লোৱা হয়। আমতীৰ ভিতৰত এৱা গাখীৰ খালে গোটেই বছৰটোলৈ সাপে কামোৰাৰ ভয় নেথাকে। পোহনীয়া চৰাইক (শালিকা, ভাটৌ, আদি) আমতীৰ ভিতৰত বাহী পানী খুৱালে মৰে বুলিও জনবিশ্বাস আছে। আমতীৰ ভিতৰত খেতি বাতি দূৰৰ কথা মাটিত আঁচোৰ এটা মাৰিবও নেপায়। আই বসুমতীৰ ৰজস্বলা কল্পনাটি মাতৃপূজা, শক্তি আৰাধনা আৰু উৰ্ব্বৰা কৃত্যৰ মনোৰম নিদৰ্শন বুলিয়ে আমাৰ ধাৰণা।

---

# তীৰ্থ ভ্ৰমণ ঃ কেদাৰ বদৰী

(পূৰ্ব্বানুবৃত্তি)

[৺পণ্ডিত প্ৰতাপচন্দ্ৰ গোস্বামী বিদ্যাভূষণ দেৱৰ তীৰ্থ ভ্ৰমণ কাহিনী অধ্যাপক শ্ৰীপ্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য্যৰ যোগেদি পোৱা হৈছে। ইয়াৰে প্ৰথম ছোৱা যোৱা সংখ্যাত প্ৰকাশ হৈছে।] —সম্পাদক।]

দূৰৱৰ্ত্তী তীৰ্থ যাত্ৰাৰ আগতে নিজৰ দেশৰ তীৰ্থদৰ্শন আৰু নান্দীমুখ শ্ৰাদ্ধ কৰি বিশ্বদেৱ সকল পিতৃ পিতামহ মাতৃমাতামহ প্ৰভৃতিক তৃপ্তি কৰিব লাগে। আমাৰ দেশৰ প্ৰায় সমস্ততীৰ্থ স্থানকে মই আগতে দেখিছোঁ, গতিকে পুনঃ যোৱাৰ আৱশ্যক নহল। হঠাতে আমাৰ জননা অশৌচ হোৱা গতিকে নান্দীমুখ শ্ৰাদ্ধও কৰা নহল। কিন্তু জ্ঞাতি পুৰোহিত বন্ধু-বান্ধৱ - প্ৰভৃতিক নিমন্ত্ৰণ কৰি খুৱাই সকলোৰেপৰা বিদায় ললো। ৰাতি নাম কীৰ্ত্তন কৰা হল।

২০ বহাগত গঙ্গানাথ আহি পালে। তেওঁ কলে যে ২৮ বহাগতহে তেওঁৰ যাত্ৰী একজন যাব আৰু আন কোনো মানুহ নাযায়। মোৰ মন যাবলৈ ইমান ব্যগ্ৰ হৈছিল যে মই ২৮ বহাগলৈ অপেক্ষা নকৰি ২৪ বহাগতে যোৱাৰ স্থিৰ কৰি গঙ্গানাথক কলো আৱশ্যক হলে কোচবিহাৰতে এদিন অপেক্ষা কৰিম ; তথাপি ঘৰৰ পৰা ২৪ বহাগতে যাবই লাগিব।

ঘৰৰপৰা টালি টোপালাবান্ধি ওলালো। বন্ধুবান্ধৱ ষ্টেচনত আগবঢ়াই নিবলৈ আহিল। মোৰ জ্যেষ্ঠপুত্ৰ শ্ৰীমান প্ৰফুল্ল মোৰ লগতে কোচ বিহাৰলৈ ওলাল। তৃতীয় শ্ৰেণীৰ যাত্ৰী হম বুলি আগতে সংকল্প কৰিছিলো সেই অনুসাৰে কোচ বিহাৰলৈ তৃতীয় শ্ৰেণীৰ গাড়ীৰ টিকেট কিনি হেচা-খেলাকৈ কোনমতে উঠি আহিলো। ২৫ বহাগৰ দিনা দুপৰীয়া কোচবিহাৰৰ প্ৰসিদ্ধ কবিৰাজ শ্ৰীযুত কামিনী কুমাৰ ভট্টাচাৰ্য্যৰ ঘৰত ভাত খাই শ্ৰীমান ৰাজেন্দ্ৰৰ ঘৰ কোনামালী গাওঁ গোধূলি পালোগৈ। বিশেষ কোনো কথা নাই। কেৱল ম'হৰ গাড়ীৰ থেকেচাত গা বিষাই গ'ল।

কোনামালী গাঁওখন কোচবিহাৰ নগৰৰপৰা ৭।৮ মাইল দূৰৈত। জঙ্গলী ঠাই। আমাৰ বাস্কা অঞ্চলৰ নিচিনা সকলো ৰাজবংশী মানুহ। দুই এঘৰ উত্তৰ বঙ্গৰ মুছলমান। এঘৰ কামৰূপী বামুণ। যজমানী কৰে।

কোনামালাত মোৰ অৱস্থা মাম লম্পক

নিবলৈ যোৱা বিশ্বমিত্ৰ ঋষিৰ নিচিনা হ'ল। সকলোৱে ভয় কৰে; শ্ৰদ্ধা কৰে, জুমা-জুমে লৰা-তিৰোতা আহি দূৰৈৰপৰা নিৰিখি চায়। কিছু সময় থাকি গুচি যায়। দুই এজন বিশেষ মানুহে ওচৰলৈ আহি কথা পাতিবৰ ইচ্ছা কৰে। মই তেওঁলোকৰ অভিপ্ৰায় জানি আগ ধৰি তেওঁলোকৰ লগত কথা-বতৰা পাতোঁ। কিন্তু ৰাজেন্দ্ৰক নিবলৈ যোৱাৰ বাবে সকলোৱে মনে-মনে বেয়াও পায়।

ৰাজেন্দ্ৰ সেই অঞ্চলৰ প্ৰসিদ্ধ লোক। সকলোৰে বিপদে আপদে আশ্ৰয়ৰ স্থান। ভগৱানৰ কৃপাত অৱস্থাও ভাল। পুত্ৰ, ভাৰ্য্যা, ধন-ধান, গো-পশু, ভৃত্য সকলো পৰিপূৰ্ণ দেখি ভাল লাগিল যে মানুহ জনক সকলোৱে ভাল পায়। এনে ভাল লগ পোৱা জানি মনে মনে ভগৱানৰ চৰণত প্ৰনতি জনালোঁ। ৰাতি সত্য-নাৰায়ণৰ পূজা হ'ল। বামুণ-সজ্জন, জ্ঞাতি বন্ধু সকলো লগ লাগে। খোৱা আনন্দ উৎসৱ কৰিলে।

ৰাজেন্দ্ৰৰ পৰিয়ালটোক মাত্ৰ দুদিনতে মোৰ বিশেষ ভাল লাগিল। সেইবাবে তেওঁলোকৰ কথাও ইয়াতে কৈ থওঁ। তেওঁৰ পৰিবাৰ আদহীয়া মহিলা। বৰ ভক্তিমতী। মই প্ৰথম তেওঁলোকৰ ঘৰ পোৱাতে ৰাজেন্দ্ৰ বা তেওঁৰ লৰা আদি কোনো ঘৰত নাছিল। মাত লগা-বলৈ "গিৰাতেনী" নিজে আহিল। মই তেওঁক কোন আৰু ৰাজেন্দ্ৰৰ কি হয় বুলি সোধাত কোমল মাতেৰে শ্ৰদ্ধাৰে সৈতে কলে যে তেওঁ মোৰ স্বামী।

ডাঙৰ পুত্ৰ—আত্তৰজন খেতিয়ক। মধ্যম গণেশৰ গাতে গৃহস্থীৰ ভাৰ পৰিছে। ৰাজেশ্বৰে সহকাৰী হিচাপে কাম কৰে। সৰু দুইজন সৰু হৈ আছে। ছোৱালী চাৰিজনী বিয়া দিছে। তাৰে সৰু জনী শিক্ষিতা, বয়স ১৮।১৯ বছৰ মান হৈছে। তেওঁৱে মোৰ আলপৈচান ধৰিছিল। তেওঁৰ স্বামী ভাগ্যও ভাল। লৰাটো শিক্ষিত আৰু পঞ্চায়ত প্ৰেচিডেণ্ট। ছোৱালী জনী যেনে শিক্ষিতা তেনে গৃহস্থী কৰ্ম্মতো পটু। কোনামালী যি অঞ্চলত সেই অঞ্চলৰ শিক্ষাৰ অৱস্থা বৰ বেয়া। ৰাজেন্দ্ৰৰ চেষ্টাত এখন প্ৰাইমাৰী স্কুল হৈছে।

ইয়াৰ বাহিৰে তেওঁৰ হাউলীতে তেওঁৰ নিজৰ বনুৱা কেইঘৰমান থাকে। তেওঁলোকো পৰিবাৰ ভুক্ত; আৰু এঘৰ অধিকাৰী থাকে। অধিকাৰী সকল পূৰ্ব্বত ৰাজবংশীবিলাকৰ গুৰু আছিল।

হালোৱা প্ৰণালীৰ কথাও ইয়াতে অলপ কৈ থওঁ। অসমৰ মানুহে হালোৱা প্ৰথাৰ কথা নেজানে। মাটিবাৰী থকা অৱস্থাপন্ন মানুহৰ কিছুমান হালোৱা থাকে অৰ্থাৎ মাটি আধিখোৱা মানুহ।

এই মানুহবিলাকক মাটিৰ গৰাকীয়ে ঘৰ-দুৱাৰ হাল-গৰু সকলোকে কৰি দিয়ে। বছৰ দিনৰ জোগাৰ দিয়ে, তাৰ উপৰিও নিজ পৰিয়ালৰ লোকৰ দৰে সকলো আপদ-বিপদে সহায় কৰে, নিজৰ হাউলিৰ ভিতৰতে ৰাখে আৰু সিহঁতৰ দ্বাৰাই নিজৰ মাটিত খেতি কৰাই খেতি উঠিলে সকলো ফচলৰে আধা গৃহস্থই নিজে নিয়ে। বাকী আধা জালুৱাই নিয়ে। হালোৱাৰ ভাগৰপৰা বছৰ জুৰি দিয়া ধান টকা আদি হিচাব কৰি কাটি ৰাখে। এই প্ৰণালীৰ আজিকালিৰ ৰাজনৈতিক আন্দোলনকাৰী সকলে কৃতদাস প্ৰথাৰে



নতুন সংস্কৰণ বুলি কৰলৈ বিশেষ সুবিধা আছে। কিন্তু মই হলে ভালে দেখিলো। সকলো এক পৰিবাৰৰ নিচিনা সুখত আছে। গৃহস্থই হালুৱা সকলক নিজৰ জন যেন দেখে।

এনেকৈ খেতিবাতি কৰিয়ে ৰাজেন্দ্ৰৰ বছৰত ২০।২৫ হাজাৰ টকা উৎপন্ন হয়। আৱশ্যক মতে ওচৰৰ মানুহক ধাৰ ধুপাৰ দিয়ে। সেই বুলি সুতৰ ব্যৱসায় নকৰে। ম'হ আৰু গৰুৰ পালও আছে। গাখীৰ বিক্ৰী কৰে। ৰাজেন্দ্ৰই নিজেও হাল বায়। পথাৰত পৰিশ্ৰম কৰে। ইয়াত উল্লেখ যোগ্য কথা মাটিৰ খাজনা গৃহস্থই দিয়ে। হালুৱে দিব নেলাগে।

বদৰী নাথলৈ গলে মানুহ ঘূৰি নাহে এই ভয় আমাৰ দেশৰ মানুহৰ এতিয়াও আছে, গতিকে ২৭ বহাগৰ ৰাতিয়ে ৰাজেন্দ্ৰৰ লৰা তিৰোতা, জী-জোৱাই সকলো আহি ৰাজেন্দ্ৰক মোক গতাই দিলে আৰু পুনঃ পুনঃ ৰাজেন্দ্ৰক ভালে কুশলে আনি তেওঁলোকক চমজাই দিবলৈ অনুৰোধ কৰিলে। মোৰ পুনঃ সেই প্ৰসিদ্ধ ৰামায়ণৰ ঘটনা অৰ্থাৎ বিশ্বামিত্ৰই ৰাম লক্ষ্মণক নিয়াৰ কথা আকৌ মনত পৰিল। মই আশ্বাস দি কলো—তোমালোকে কোনো ভয় কৰিব নালাগে। আজিৰ-পৰা ৰাজেন্দ্ৰৰ ভাৰ মই ললো। তোমালোকক মই নিশ্চয় ৰাজেন্দ্ৰক আনি চমজাই দিম। মোৰ কথা মিছা হব নোৱাৰে। কোলাৰ কেচুৱা এটাকহে যেন মই মাকৰ বুকুৰ আশ্ৰয়ৰপৰা টানি নিবলৈ গৈছো। ৰাজেন্দ্ৰৰ ঘৈণীয়েক আৰু উনৈশ বছৰীয়া ছোৱালী জনীয়ে মোৰ ভৰিত পৰি পৰি কান্দিবলৈ ধৰিলে। এনেকুৱা চিত্ৰ প্ৰেমৰ মোহিনী শক্তিত মইও মুগ্ধ হলো। চকুৰ পানী ওলাল।

ওঠৰ বহাগ এঘাৰ বজাত যাত্ৰাৰ শুভ মুহূৰ্ত্ত। গঙ্গানাথ আগদিনাখন আহি আমাৰ লগত একেলগে থকাৰ কথা আছিল। কিন্তু তেতিয়ালৈকে নহা দেখি গঙ্গানাথৰ কোনো অসুখৰ কথা ভাবি চিন্তাযুক্ত হলো।

গঙ্গানাথৰ বাঁহা কুমাৰীকোট; কোনামালীপৰা সাত আঠ মাইল দূৰৈত। তেতিয়া খবৰ কৰিবৰ উপায় নাই। ৰাজেন্দ্ৰক আগবঢ়াই থবলৈ সমদল সাজি আহিছে। পলম কৰিবৰে উপায় নাই। কিজানি আৰু কি বিপদ আপদ উপস্থিত হয়। গতিকে দুপৰীয়া এঘাৰ বজা মাত্ৰে যাত্ৰাৰ অনুমতি দিলো। মই আৰু এঘণ্টা মান পাছত যাম বুলি কলোঁ। মই পাছ পৰাৰ কাৰণ হল ৰাজেন্দ্ৰৰ পৰিয়ালটোক সান্ত্বনা দিয়া আৰু গঙ্গালৈ অপেক্ষা কৰা।

খোল-তাল বজাই সংকীৰ্ত্তন কৰি ৰাজেন্দ্ৰক আগবঢ়াই লৈ যায়। তেওঁলোকৰ ঘৰত কান্দোনৰ তমৰোল লাগিল। মই নানা কথাৰে তেওঁলোক কিছু সান্ত্বনা কৰি বাৰ বজাত এখন ম'হৰ গাড়ীত মালপত্ৰ তুলি দি আৰু নিজেও এটা বস্তা যেন হৈ তাত উঠি বহিলোঁ। তেতিয়াও গঙ্গাক নাপাই আচলতে মনত বেয়া পালোঁ। বাহিৰত সেই ভাৱ প্ৰকাশ নকৰি যাত্ৰাৰ আৰম্ভতে এজন প্ৰিয়জনক এৰিব লগা হোৱাত নানা ভাৱৰ খেলি মেলিত পৰি চিন্তিত হলোঁ। যি হওক কোচবিহাৰ ষ্টেচন পোৱাৰ দুই মাইল মান আগতে গঙ্গানাথক দেখা পাই অতিশয় উৎফুল্ল হলোঁ। গঙ্গানাথক দেখা পাবৰ আশাতে মই সদায় পিছৰ ফালে মুখ কৰি কৰি আহিছিলোঁ।

গতিকে তেওঁক দেখা মাত্রে গাড়ী ৰখালোঁ। গল্প আহি ওচৰ পোৱা মাত্রে মনৰ আনন্দত তেওঁৰ কি হৈছিল চিঞৰি সুধিলোঁ। পুনঃ সকলোটি কোচবিহাৰ বজাৰত একত্রিত হৈ মটৰ গাড়ীখন বিদায় দিলোঁ। তেতিয়াও ৰেলৰ সময় প্রায় তিনি ঘণ্টামান বেছি আছে। কোচবিহাৰ বজাৰত ৰাজেন্দ্রৰ প্রয়োজনীয় কিছু বস্তুনিচ-পত্র কিনিলোঁ। তেতিয়াৰপৰা এই যাত্রাৰ সমস্ত ভাৰ মোৰ ওপৰত পৰিল।

কোচবিহাৰ বৰ ডাঙৰ চহৰ নহলেও সৰুও নহয়। বেছ পৰিষ্কাৰ-পৰিচ্ছন্ন। দেখিবলৈ ধুনীয়া। ৺মহাৰাজ নৃপেন্দ্র নাৰায়ণৰ দিনত কলিকতাৰ আদৰ্শত বিশেষ উন্নতি কৰে। তাৰ আগেয়ে পুৰণি ধৰণৰ ঘৰ দুৱাৰে সৈতে পুৰণি 'কানীয়া' চহৰ আছিল।

সুন্দৰ এখন বাগিচা আছে। সাগৰ দীঘী নামেৰে এটা ডাঙৰ পুখুৰী আছে। শিৱসাগৰৰ পুখুৰীৰ পাৰত অফিচ আদালত থকাৰ দৰে সাগৰ-দীঘীৰো চাৰিও পাৰে কোচবিহাৰ ৰাজ্যৰ সকলো অফিচ আদালত এইবিলাক সকলো চোৱাৰ যোগ্য স্থান। শিৱসাগৰৰ পাৰত শিৱদৌল থকাদি এটা পাৰে এটা শিৱ মন্দিৰ আছে। হিন্দুৰাজ্য যেন অনুমান হয়। দুপৰীয়া বাৰ বজাত টোপধ্বনি কৰি নগৰবাসীক সময় সম্বন্ধে সতর্ক কৰি দিয়ে। খাদ্য বস্তু সকলোকে পোৱা যায়। কিন্তু বাবিষা জ্বৰ-জাৰ কিছু হয়।

মই আগেয়ে অসম সাহিত্যসভাৰ পক্ষৰপৰা অসমীয়া সাহিত্যৰ বিষয়ে অনুসন্ধান কৰিবলৈ গৈ ৰাজ-অতিথি হৈ কোচবিহাৰত বহুদিন আছিলোঁ। সেই বাবে কোচবিহাৰৰ বিষয়ে মই ভালদৰে জানো আৰু অনেক ভদ্রলোকৰ লগত এতিয়াও ভাল পৰিচয় আছে। এই যাত্রাতো পুৰণি বন্ধু উকিল শ্ৰীমান্ জগদীশ ভট্টাচাৰ্য্য, নেতৃস্থানীয় শ্ৰীযুত ধৰণীশঙ্কৰ ভট্টাচাৰ্য্য উকিল প্রভৃতিক লগ পাই সুখী হলোঁ। নতুনকৈ দেখিলোঁ এখন সুন্দৰ হাস্পাতাল। চাবৰ ইচ্ছা থকাতো সময়ৰ অভাৱত যাব নোৱাৰিলোঁ।

কোচ বিহাৰ ষ্টেচনত গৈ সকলোকে বিদায় দিলো আৰু কাটিহাৰৰ টিকেট কিনি গাড়ীত উঠিলোঁ। কোচ বিহাৰতে ৰাজেন্দ্রৰ লগত যাত্রাৰ সুবিধাৰ বাবে বন্দবস্ত কৰিলোঁ যে আমাৰ সমস্ত খৰচ একে তহবিলৰপৰা হব আৰু গঙ্গানাথে যেতিয়া যি খৰচ হয় লিখিব। তাৰ পাচত হিচাব মতে আমি দুয়ো সমানে দুভাগ কৰি দিম। এই বন্দবস্ত ধৰ্ম্ম; কৰ্ম্ম, দান, দক্ষিণা আদি সকলো বিষয়তে। ইয়াৰপৰা আমাৰ যথেষ্ট সুবিধা হৈছিল। পাৰিলে আন যাত্রী সকলেও এনে বন্দৱস্ত কৰা ভাল।

(৫)

তীৰ্থযাত্রাৰ বাবে যোৱাত তৃতীয় শ্ৰেণীৰ গাড়ীত যম বুলি আগতে মনত সংকল্প কৰিছিলোঁ। সেই অনুসৰে কোচবিহাৰ ষ্টেচনত কাটিহাৰৰ তৃতীয় শ্ৰেণীৰ টিকেট কাটিছিলো। পাছে গাড়ীৰ কোনো শ্ৰেণীভেদ নথকাটোহে দেখিলো। সকলো গাড়ীতে যাত্রীৰ বাবে বিৰ দিবৰ সন্ধি নাই। কি প্রথম শ্ৰেণী, কি দ্বিতীয় শ্ৰেণী, কি মধ্যম শ্ৰেণী বা বা কি তৃতীয় শ্ৰেণীৰ। তলৰ শ্ৰেণীৰ টিকেট কাটি ওপৰ শ্ৰেণীত যোৱা সাধাৰণ কথা। অনেক যাত্রীৰ আচলতে কোনো টিকটেই নাই। আচলতে কবলৈ হলে গাড়ীবোৰ যেন মানুহৰ হাটহে। ক'ত কি আছে কি নাই, কব নোৱাৰি, ইতৰ ভদ্র ধনী-দুখীয়া মুনিহ-তিৰী সকলো একাকাৰ। কাৰো কোনে সোধে, কাক কোনে চায়। শৌচ, প্রস্রাৱৰ বেগ পালে শাক্তী নতা বা সম্ভ্ৰম ৰক্ষা কৰাই টান। এনে মন যায় যে ঘটী-বাতিত পেচাব কৰি কাপোৰৰ আলেদি গাড়ীত ঢালি দিম। মানুহৰ বাবে পায়খানালৈ যাবৰ উপায় নাই। এইদৰে গৈ কাটিহাৰ ষ্টেচন পালোঁ।

কাটিহাৰ ডাঙৰ ৰেল ষ্টেচন। হাওৰা, লক্ষ্ণৌ বা শিয়ালদহৰ নিচিনা নহলেও সৰু নহয়। গা মুৰ ধোৱাৰ আৰু খোৱা-লোৱাৰ সুবিধা আছে। ৰান্ধি-বাঢ়িও খাব পাৰি। ইচ্ছা কৰিলে হোটেলত খাবও পাৰি। ষ্টেচনৰপৰা অলপ দূৰলৈ গলে ধৰ্ম্মশালাতো থাকিব পাৰি। কাটিহাৰত এদিন থাকি বিশ্রাম কৰি ভাত পানী খাই যোৱাৰ ইচ্ছা আছিল। পাছে কাটিহাৰ পোৱাৰ তিনি ঘণ্টামান পাছতে লক্ষ্ণৌৰ গাড়ী থকা জানি যাবৰ মন হ'ল। গতিকে ষ্টেচনতে থাকি গা-মুৰ ধুই পেট ভৰাই ফলাহাৰ কৰা হল। ভাল ভাল আম, কল আৰু আন দুবিধমান ফল খালোঁ।

দু টকা ভেটী দি কাটিহাৰতে একেলগে হৰিদ্বাৰৰ টিকেট কিনিলোঁ। কিন্তু মানুহৰ ভিৰৰ বাবে তৃতীয় শ্ৰেণীৰ গাড়ীত নালাগে মধ্যম শ্ৰেণী বা দ্বিতীয় শ্ৰেণীতো ঠাই নাপালোঁ। গতিকে এখন প্রথম শ্ৰেণীৰ গাড়ীত কোনোমতে মাল পত্রই সৈতে আমি তিনিওজন উঠি বহিলোঁ। প্রথম শ্ৰেণীৰ গাড়ীত উঠাৰ বাবে ৰাজেন্দ্রই ভয় খালে। মই সাহ দিয়াত ভয় অলপ পাতল হল। মই





ৰাজেন্দ্রক বুজাই দিলো যে দৰকাৰ হলে আমি প্রথম শ্ৰেণীৰ ভাৰা দিম। তাৰ পাছতে গাৰ্ডক দেখা পাই মাতিলোঁ। "গাৰ্ড চাহেব ইধাৰ আইয়ে।" আমি প্রথম শ্ৰেণীৰ যাত্রী. গাৰ্ড চাহেব সমীহ কৰি ওচৰ চাপি আহিল। মই কলোঁ, "আমি তৃতীয় শ্ৰেণীৰ যাত্রী, উঠিবৰ ঠাই নাপাই প্রথম শ্ৰেণীত উঠিছোঁ। অনুগ্রহ কৰি আমাৰ টিকেট বদল কৰি প্রথম শ্ৰেণীৰ কৰি দিয়ক।" অৱশ্যে কথা বাৰ্ত্তা হিন্দীৰ জৰিয়তে হৈ হল। তৃতীয় শ্ৰেণীৰ যাত্রী দেখি গাৰ্ডে অলপ উপলুঙা সুৰত ক'লে – "একদম্ তেচেৰা দৰজাসে ফ্ৰষ্ট ক্লস।" মই কলোঁ, "ক্যা হুৱা, ৰূপিয়া কা বাত। কেতনা ৰূপিয়া হুৱা লে জিয়ে।" তেতিয়া গাৰ্ডে কলে "বাক টকাৰ কথা পাছত হব, আপোনালোক বহি আহক।" দুটামান ষ্টেচন যোৱা। পাচত গাৰ্ড চাহাবে আহি ক'লে—"আপোনালোকে লক্ষ্ণৌ পৰ্য্যন্ত প্রথম শ্ৰেণীৰ টিকট কৰিলে বহুত টকা দিব লাগিব।" ১৩২ টকা কি আন কিবা এটা কলে. ভালকৈ মনত নাথাকিল। তাৰ পাছত সৌজন্য প্রকাশ কৰি ক'লে—"আপোনালোক তীৰ্থ যাত্রী. ইমান টকা অথলত খৰচ কৰাতকৈ তীৰ্থত দান দক্ষিণা কৰিলেও ভাল হব। মই আপোনালোকক বাৰাউনী জংচনত গৈ ভালকৈ তৃতীয় শ্ৰেণীৰ গাড়ীত তুলি বহুৱাই দিম। বাৰাউনী জংচনলৈ ৩৮৷৷০ অনা প্রথম শ্ৰেণীৰ বাবে অতিৰিক্ত ভাৰা দিব লাগিব। সেই টকা মোক দিব। আপোনালোকৰ সকলো বন্দৱস্ত কৰি দিম। ইও এক প্রকাৰ ভেটী, দুর্নীতিমূলক কথা। কিন্তু প্রথম টিকট কৰোতেই যেতিয়া ভেটী আৰম্ভ কৰিছোঁ; দোষ হলেও কৰি যাওঁ বাৰু। ইয়াকে ভাবি মই

তথাস্তু বুলি সন্মত হলোঁ।।

বাবাউণী জংচন পোৱাৰ দুই ষ্টেচন আগতে গাৰ্ডচাহাবে আহি আমাৰ টালি টোপোলাবে সৈতে নি আমাক তেওঁৰ নিজা গাড়ীত বহুৱাই ল'লে। বস্তু ৱাহনী নিবলৈ মুটিয়াও তেওঁ নিজে লৈ আহিছিল। মুটিয়াৰ ভাড়াও আমাক দিবলৈ নিদিলে। বাবাউণী জংচনত গাড়ী বদলি কৰিবলগীয়া হোৱাত আমাক নি বৰফ আনা গাড়ীত বহুৱাই দিলে। বিছনা পত্ৰও নিজে ঠিক ঠাককৈ ৰাখি গাৰ্ড চাহাব গুচি গল। আমি তৃতীয় শ্ৰেণীৰ গাড়ীত ভালকৈ বহি ললোঁ।

১৫।২০ মিনিট মান পাছত আহি গাৰ্ডে আমাক সুধিলে—"আপোনালোকৰ সুবিধা হৈছেনে? আপোনলোকৰ জিনিচ পত্ৰ চমজি লক।" আমি যেতিয়া ক'লো যে আমাৰ অসুবিধা হোৱা নাই আৰু বস্তু বহিনীও চমজি পাইছো, তেতিয়া তেওঁ টকাৰ কথা কলে। মই এজন মাৰোৱাৰীৰ বুদ্ধি-মতে ৩০৲ টকা দি বাকী ৮৷৷০ অনা মাফ্ খুজিলোঁ।

তেতিয়া গাৰ্ড চাহাবে ৰুক্ষ ভাষাবে কলে—"এক পয়চা ভি কম্‌তি নেই হোগা'। তেতিয়া মাৰোৱাৰীৰ বুদ্ধি মতে চলিবলৈ গৈ দহ টকাৰ বাবে ধমক খোৱাত বেয়া লাগিল। মনে মনে ৮৷৷০ আনাৰ বাবে মোৰ ক্ষুদ্ৰতাক ধিক্কাৰ দিলোঁ আৰু মাৰোৱাৰীৰ ক্ষুদ্ৰতাৰ প্ৰতিও সজাগ চকু পৰিল। আমাৰ টকা নিলেও গাৰ্ডজনৰ ব্যৱহাৰ ভাল লাগিল। সকলো কথা-বাৰ্ত্তা আৰু ব্যৱহাৰ ভদ্ৰ জনোচিত। মাজতে হোৱা দুটামান ৰুক্ষ কথাৰ বাবে আমিহে দায়ী।

বাবাউণী ষ্টেচন এৰি দুটামান ষ্টেচন যোৱাত মানুহৰ ভিৰ ইমান বাঢ়িল যে উঠা নমা কৰাটো দূৰৰ কথা, শৌচ পেচাব কৰিবলৈ যাব নোৱাৰা হ'ল। গাড়ীৰ ওচৰে ওচৰে ফেৰিওৱালা বিলাকে ফল-মূল, মিঠাই আদি লৈ চিঞৰি ফুৰিছে তথাপি মানুহে হাতমেলি কিনিব নোৱাৰে। যি য'তে বহি আছে, তাতে থৰ লাগি আছে। ইকাটি সিকাটি কৰিবৰ উপায় নাই।

এজনী তিৰোতা আহি তেওঁৰ কেচুৱাবে সৈতে মোৰ ওপৰতে বহিল। কান্ধত বহাও বুলিব পাৰি, কোলাত বহাও বুলিব পাৰি। মই তেওঁক তেনে কৰিবলৈ নিষেধ কৰাত—তেওঁ তীব্ৰভাষাবে ক'লে—'হামাৰা বচ্চা মৰ জায়গা ক্যা কৰেগা।" তেতিয়া মই তেওঁক কলো, "ভাল, তোমাৰ বচ্চাক মোক দিয়া, মই লম। তুমি উঠা। মাক আৰু ছলি দুইজনকে লব নোৱাৰো। তেতিয়া তেওঁৰ কেচুৱাটো মোক দি কুচি মুচি তেওঁ থিয় দিলে। পোন হব নোৱৰিলে। যিহওক এনে অৱস্থাত গৈ বেলা দহ মান বজাত লক্ষ্ণৌ ষ্টেচনত নামিলো।

লক্ষ্ণৌত দুই তিনিদিন মান থাকি যাবৰ মন আছিল। গতিকে ষ্টেচনৰ পৰা মুটিয়া এটা লৈ ষ্টেচনৰ ওচৰৰে ধৰ্মশালা এটাত উঠিলো। যিটো কোঠাত ঠাই পালো, তাৰ গাতে লগা কোঠাটোতে ধুবুৰীৰ এজন মাৰোৱাৰী আছেগৈ। তেওঁ তেওঁৰ যক্ষ্মা ৰোগগ্ৰস্তা ঘৈণীয়েকক চিকিৎসাৰ বাবে মুচৌৰীলৈ নিব। তিৰোতা গৰাকীৰ অৱস্থা বেয়া। ভাল হোৱাৰ আশা মুঠেই নাই বুলিব পাৰি। লগত কেচুৱা এটা, অসমীয়া চাকৰ এটা আৰু আন আত্মীয় মাৰোৱাৰী দুজন। যক্ষ্মাৰ



নিচিনা সংক্ৰামক ৰোগৰ প্ৰতিও তেওঁলোকৰ কোনো কেৰেপ নাই। সকলোৱে একেলগে খাইছে, শুইছে, কোনো বাচবিচাৰ নাই।

ধৰ্ম্মশালা বিলাকত কোনো সংক্ৰামক ৰোগীক ৰখাৰ নিয়ম নাই। মাৰোৱাৰীজন টকাৰ বলতে থকা যেন লাগিল। যিহওক, তাৰ ওচৰৰ কুঠৰিটোত থাকিবৰ মন নোহোৱা হ'ল। আন কুঠৰিও খালি নাই। আন ধৰ্ম্মশালা বিচাৰি যাবৰ উপক্ৰম কৰোঁতে এজন খদ্দৰধাৰী সুন্দৰ যুৱকে ধৰ্ম্মশালাৰ মেনেজাৰজনক ক'লেহি যে আজি লক্ষ্ণৌত হিন্দু-মুছলমানৰ সংঘৰ্ষ হ'ল। গতিকে আন আন ধৰ্ম্মশালালৈ যোৱাৰ সংকল্প ত্যাগ কৰিলো। বিশেষকৈ ৰেচনৰ কাৰ্ড নহলে চাউল পোৱা নাযায়। চাউল নাপালে ভাত খাবও নোৱাৰি। ভাত খাবলৈ নাপালে থকা-নথকা সমান কথা। গতিকে ৰাজেন্দ্ৰ আৰু গঙ্গানাথক হোটেলত নিৰামিষ ভাত খুৱাই মই ফলাহাৰ কৰিলোঁ।। এবিধ বাঙ্গিজাতীয় ফল আৰু আন এবিধ কিবা ফল। ফলৰ সেই দেশৰ নাম কৈছিল, পাহৰিলো। আমাৰ দেশত দেখা নাই। আকৌ মুটিয়াৰ মূৰত তালি টোপোলা দি ষ্টেচনলৈ আহিলোঁ।। বদ'ৰ ইমান তাপ যে আমি ধৰ্ম্মশালাৰপৰা ষ্টেচনলৈ সামান্য বাস্তাখিনি আহোতে তৃপ্তি হেৰুৱালোঁ।

লক্ষ্ণৌ ষ্টেচন বৰ ডাঙৰ। সকলো প্ৰকাৰৰ বন্দবস্ত আছে। তৃতীয় শ্ৰেণীৰ যাত্ৰীৰ বাবেও গা-মূৰ ধোৱাৰ ভাল বন্দবস্ত আছে। খাবৰ বাবে বস্তুও বিশেষৰূপে পোৱা যায়। এটা খৰমুজা ছ অনাত কিনি আনি তিনিজনে খায়ো আধা-খিনি খোজনীয়াক দান কৰিব লগা হ'ল।

হিন্দু-মুছলমানৰ সংঘৰ্ষ হোৱা শুনি মনত ভয় লাগি আছে। নোৱাখালি, কলিকতা প্ৰভৃতিৰ ঘটনা আগেয়ে ঘটিছে। গতিকে ভয়ৰ যথেষ্ট কাৰণো আছে। ভয়ৰ কাৰণেই কলিকতাৰ বাট এৰি কাটিহাৰৰ বাট লৈছিলো। পিছে, সেই ভয়েই পালে। লক্ষ্ণৌ ডাঙৰ চহৰ। বাহিৰৰ হৈ চৈ শুনিলেই ষ্টেচনৰ ভিতৰতে বুকু কঁপি উঠে। কিজানি হিন্দু মুছলমানৰ হাঙ্গামাৰ ৰোল উঠিছে।

লক্ষ্ণৌতে আমাৰ বদৰী নাৰায়ণ আৰু হৰি-দ্বাৰৰ পাণ্ডা স্থিৰ হ'ল। আমি বহি থাকোঁতে দুই এজন ভদ্ৰলোকে আমাৰ ওচৰচাপি আহি আমাৰ পৰিচয় আদি সুধিলে আৰু আমি তীৰ্থ যাত্ৰী বুলি জানি কলে, "আমি আগেয়ে অনুমান কৰিছোঁ, আপোনালোক তীৰ্থ যাত্ৰী।" আপোনালোকে কেনেকৈ জানিলে বুলি সোধাত ক'লে 'আমাৰ এয়ে ব্যৱসায়। মানুহ দেখিলে আমি এক প্ৰকাৰ অনুমান কৰি ল'ব পাৰো।"

কথাবাৰ্ত্তা আৰু বাক্‌বিতণ্ডাৰ অনেক পাছত জ্যোতিপ্ৰসাদ শিলাজিৎৱালাক হৰিদ্বাৰৰ পাণ্ডা আৰু উমাশঙ্কৰ চণ্ডা প্ৰসাদ পুনৱালাক বদৰী নাৰায়ণৰ পাণ্ডা নিযুক্ত কৰা হ'ল। যি দুইজনৰ লগত কথা বাৰ্ত্তা হৈ পাণ্ডা স্থিৰ কৰা হ'ল, তেওঁলোক নিজে পাণ্ডা নহয়। পাণ্ডাৰ পুত্ৰ। কলিকতালৈ যাত্ৰী আনিব গৈছিল ডাঙৰ যাত্ৰী লৈ আহিছে। বাটতে চাঁহিটো মাখিটো য'তে যি পায়, সংগ্ৰহ কৰে।

আমাৰ হৰিদ্বাৰৰ টিকট কাটিহাৰতে কটা হৈছিল। গতিকে টিকট কটাৰ লেঠা নাছিল।

টিকেট কাটিব লাগিলেও বিশেষ বন্দবস্ত আছে। কোনো হাঙ্গামা নাই। তথাপি পাণ্ডাই আহি টিকট কাটি দিব খুজিলে। আমাৰ টিকট কটাৰ কোনো আৱশ্যক নোহোৱাত পাণ্ডাই প'হলতে আমাক সহায় কৰিব নোৱাৰি অলপ ক্ষুণ্ণ হোৱা যেন পালে। ষ্টেচনত হোৱা বাক্-বিতণ্ডাৰ পৰা পাণ্ডাৰ সাহায্য যে আমাৰ আগলৈও বিশেষ আৱশ্যক ন'হব ইয়াকে ভাবি দুয়োজন পাণ্ডাই আমি সুবিধাজনক যাত্ৰী নহয় বুলি এক প্ৰকাৰ স্থিৰ কৰিলে। তথাপি বাটত প্ৰতি ষ্টেচনতে আমাক ইটো সিটো কিনি দিবৰ বা পানী দুনিব কিবা আৱেশ্যক আছেনে বুলি আমাৰ খবৰ বাতৰি কৰি আছিল। মই শেষত কলো ''পাণ্ডাজী আপোনালোক তীৰ্থগুৰু, ব্ৰাহ্মণ; বিশেষ বিপদ আপদ নহলে আমি আপোনালোকৰ সেৱা গ্ৰহণ কৰা উচিত নহয়। এইখিনি আমি নিজেই কৰিব পাৰিম।"

বাটত বিশেষ উল্লেখযোগ্য কথা নাই। কেৱল মুৰাদাবাদ ষ্টেচনত সুন্দৰ সুন্দৰ পিতলৰ বাচন দেখি কিনিবৰ লোভ হৈছিল। পাছে আনা মেলা, লগত লৈ ফুৰোৱা ইত্যাদি কথা বিবেচনা কৰি লোভ সম্বৰণ কৰিলোঁ। এইদৰে গৈ বেলা আন্দাজ আঠ মান বজাত হৰিদ্বাৰ ষ্টেচনৰ বাহিৰ হোৱা মাত্ৰে অনেক পাণ্ডাই আহি আগুৰি ধৰিলে। সকলোৱে তেওঁলোকৰ ঘৰলৈ নিব খোজে। আমি আমাৰ পাণ্ডা জ্যোতিপ্ৰসাদ বুলি কোৱাত প্ৰায় পাণ্ডাই নিৰস্ত হল। কেৱল এজন পাণ্ডা থাকিল; যাৰ নাম কুম্ভ কৰণম। আমি নাম দিছিলো কুম্ভকৰ্ণ, তেওঁ পাছ নেৰি সুধিলে যে জ্যোতিপ্ৰসাদক আমি কত পাণ্ডা কৰিলোঁ। মই লখনৌত বুলি কওঁতে তেওঁ কৈ উঠিল লখনৌত আপোনালোকে মোৰ মানুহৰ পৰা কাগজ গ্ৰহণ কৰিছে। গতিকে আপোনালোক মোৰহে যাত্ৰী। মোৰ লগত যাব লাগে। মোৰ তেতিয়াহে মনত পৰিল লখনৌ ষ্টেচনত এজন মানুহে যাত্ৰী নিবাসৰ বিজ্ঞাপন বিলাইছিল। মোক দিব খোজোতে মই আগৰ অভিজ্ঞতা অনুসাৰে সেই কাগজ নলৈ তেওঁ পাণ্ডাৰ লোক নে বুলি সোধাত তেওঁ কৈছিল—"মই পাণ্ডা নহয়।"

"তেনেহলে এইবোৰ কিয় বিলাই ফুৰিছে।" "তেওঁ কলে যে যাত্ৰীসকলৰ সুবিধা হয় বুলি ধৰ্ম্মাৰ্থে আমি এইবোৰ দি ফুৰো।" তাৰ পাছতহে মই কাগজখন গ্ৰহণ কৰিছিলোঁ। এই কথা কোৱাতে কুম্ভকৰ্ণ পাণ্ডাই ক'লে—"মোৰ মানুহৰপৰা কাগজ লৈছে, আপোনালোক মোৰহে যাত্ৰী।" মই কুম্ভকৰ্ণক ধমক দিলোঁ। তথাপি কুম্ভকৰ্ণই আমাৰ পাচ নেৰা দেখি আন পাণ্ডা কিছুমানে মোক সুধিলে—"বাবুজী আপাকা পাণ্ডা ক্যোন হ্যায়।" মই তেতিয়া জ্যোতিপ্ৰসাদৰ পুত্ৰজনক দেখুৱাই কলোঁ "এই জ্যোতিপ্ৰসাদ মোৰ পাণ্ডা। তেতিয়া পাণ্ডা" বিলাকে কুম্ভকৰ্ণক আমাৰ পিচ এৰিবলৈ ক'লে—তথাপি কুম্ভকৰ্ণই আমাৰ গাড়ীৰ কোচোৱানৰ লগত উঠি বহিল। জ্যোতিপ্ৰসাদ পাণ্ডাৰ মানুহ বাইচাইকেলত পাছে পাছে আহিল। জ্যোতিপ্ৰসাদে তেওঁৰ ঘৰত ধকাৰ সুবিধা হ'ব বুলি ক'লে। কুম্ভকৰ্ণই ক'লে মোৰ ঘৰ আৰু বেছি



সুবিধাজনক, আপোনালোকে মোৰ ঘৰ চাই লক। মই তেতিয়া কুম্ভকৰ্ণক মোৰ গাড়ীৰপৰা নামি যাবলৈ খং কৈ কলোঁ। আচৰিত কথা, কুম্ভকৰ্ণই সমূলি খং নকৰি ক'লে—"বাবু, এয়া আমাৰ ব্যৱসায়, ইয়াতে আমাৰ ভাত-কাপোৰ; আপুনি ক'লেই মই নামি যামনে ?" মই তেতিয়া কোনো পাণ্ডাৰ ঘৰলৈ নগৈ ৰায়বাহাদুৰ সূৰ্য্যমল কৰ্ম্মশালালৈ গাৰোৱানক গাড়ী নিবলৈ কলোঁ। ধৰ্ম্মশালাত গৈ মেনেজাৰক কৈ এটা কুঠৰীত আশ্ৰয় ললোঁ। তাৰ পাছতো দুয়ো পাণ্ডাই আমাৰ পাচ নেৰে। গাধোৱা ঠাই, বন্ধা বঢ়া কৰা ঠাই, পায়খানা ইত্যাদি দেখুৱাই লৈ ফুৰাব ধৰিলে। তেতিয়াও মই কুম্ভকৰ্ণক কোনো লাই নিদিয়াত কুম্ভকৰ্ণই "বাবুজী আপুনি যি দিব, তাকে আমি দুয়োজনে ভগাই নিয়াত আপোনাৰ কিবা আপত্তি আছেনে" বুলি সোধাত মই ক'লো—"জ্যোতিপ্ৰসাদৰ আপত্তি নহলে, মোৰ আপত্তিৰ কাৰণ নাই।" জ্যোতিপ্ৰসাদেও আপত্তি নাই বুলি কোৱাত শান্তি স্থাপিত হ'ল। হঠাতে একৰকম সন্ধি হোৱাৰ পৰা মোৰ বিশ্বাস হ'ল যে এওঁলোকৰ এই বিলাক বন্দবস্ত আছে। যি পাণ্ডাৰ লোকেই যাত্ৰীক লগ পায় তেৱে পাণ্ডালৈ খবৰ পঠায়। যিহক, এইদৰে পাণ্ডাৰ হাত সাৰি থকা খোজাৰ বন্দবস্তত লাগিলো।

যি খালো, যি বান্ধিলো খৰি শুকান, নে কেঁচা ইত্যাদি কথা কোৱাৰ কোনো সকাম নাই ধৰ্ম্মশালাত থাকি ভাল নালাগিল। আন ভাল কুঠৰিও পাবলৈ নাই। হৰিদ্বাৰ চহৰৰ সকলো স্থান পাঞ্জাৱী ভগনীয়াৰ দ্বাৰাই পৰিপূৰ্ণ হৈছে। গৱৰ্ণমেণ্টেও ভাল বন্দবস্ত কৰি উঠিব পৰা নাই। গতিকে ধৰ্ম্মশালাবিলাকত সকলো ভগনীয়াই আশ্ৰয় লৈছে। ঘৰ-দুৱাৰৰ বিশেষ যত্ন লৈ থকা সত্বেও লেতেৰা হৈছে। ল'ৰা ছোৱালীৰ কান্দন কাটন, অলপো শান্তি নাই। গতিকে মুটিয়াৰ মূৰত টালি টোপোলা তুলি দি জ্যোতিপ্ৰসাদ পাণ্ডাৰ ঘৰলৈ গলোঁ। উত্তম স্থান। গঙ্গাৰ ওপৰতে দোতালা ঘৰ। গঙ্গাৰ ওপৰতে এক তলাৰ এটা কুঠাৰিত থাকিলোঁ। বাৰান্দাৰ তলে তলে গঙ্গাৰ স্ৰোত বৈ গৈছে। মানুহ বাগৰি পৰিব বুলি বাৰান্দাৰ ফালে মানুহৰ সমান এখন দেৱাল দিয়া। সন্মুখৰ ফালে শ্ৰীচৰণ পাদুকা ঘাট। দিনে ৰাতিয়ে মানুহে স্নান কৰিছে। ঘাটৰ ওপৰত বহি আলাপ আলোচনা কৰিছে। তাছ-পাশা খেলিছে। ফেৰিৱালাবিলাকে নিজৰ নিজৰ পণ্যৰ গুণ বৰ্ণাই বিচিত্ৰ সুৰত বিচিত্ৰ ভাষাত মানুহৰ মন আকৰ্ষণ কৰিছে।

হৰিদ্বাৰ ডাঙৰ আৰু পৰিস্কাৰ-পৰিছন্ন চহৰ। খোৱা লোৱা বস্তু-বাহানি সকলো পোৱা যায়। চহৰৰ আনুষঙ্গিক সকলো ভাল অনুষ্ঠান আছে। হৰিদ্বাৰত নাই বুলিলে ধৰিব লাগে মদ, মাংস, মাছ আৰু গণিকা।

তিনিমাইলমান দূৰৈত কণখল, দক্ষৰ যজ্ঞস্থান। তাতেই দক্ষকন্যা সতীয়ে পতিনিন্দা শুনি প্ৰাণ ত্যাগ কৰিছিল।

দক্ষ প্ৰজাপতিৰ যজ্ঞস্থান দক্ষেশ্বৰ শিৱ আৰু আন আন তীৰ্থ স্থান কেখনত আছে। অনেক সাধু সন্ন্যাসীৰ আশ্ৰম আৰু ধৰ্ম্মশালাও আছে।

আমাৰ ৰঙিয়াৰ এজন মাৰোৱাৰীৰ ধৰ্ম্মশালাও কণ্‌খলত আছে। কণ্‌খলত বোৱা গঙ্গাৰ-ধাৰাক নীলগঙ্গা বোলে। হাবিৰ প্ৰতিবিম্ব পৰা বাবে বোধ কৰো পানী নীলা যেন দেখি। আনফালে আকৌ তিনিমাইল দূৰৈত স্বামী শ্ৰদ্ধানন্দৰ স্মৃতি বিজৰিত গুৰুকুল বিশ্ববিদ্যালয়। গুৰুকুল দেখি বৰ আনন্দ হ'ল। এনে সুন্দৰ স্থান কমহে আছে। তেতিয়া বন্ধ থকাৰ বাবে অধ্যাপকসকলক লগ পোৱা নহ'ল। বাট ঘৰৰ দুৱাৰতে দৰ্শক সকলক দ্ৰষ্টব্য স্থান আদি দেখুৱাবৰ বাবে এটা কাৰ্যালয় আছে। আমি প্ৰথমে গৈ তাত বহিলো। আৰু পিয়াহ লগাৰ বাবে একো গিলাচকৈ পানী খালো। পানীয়েই অমৃত। গুৰুকুলৰ সাহায্যৰ অৰ্থে সামান্য দান কৰিলো। কাৰ্যালয়ৰ অধ্যক্ষৰ নিৰ্দ্দেশ অনুসাৰে ব্ৰহ্মচাৰী এজনে আমাক সকলো দ্ৰষ্টব্য স্থান দেখুৱালে। প্ৰথমতে বালক সকলৰ থকা স্থান চালো। প্ৰকাণ্ড হ'ল, শাৰী শাৰীকৈ খাটিয়া পাতা। তাত ল'ৰা বিলাক থাকে। তেতিয়া গৰম হোৱা বাবে ঘৰ খালি হৈ আছে। ল'ৰাবিলাক বাহিৰৰ গছৰ তলে তলে খাটিয়াবোৰ পাতি শোৱে আৰু পুৱাবেলা বিচনাবোৰ মেৰাই থৈ দিয়ে। সেই ঠাইৰ মাজতে হৰন কুণ্ড নিতৌ ল'ৰাবিলাকে তাত হৰন কৰে। দুই চাৰিজন হৃষ্ট পুষ্ট ৭।৮ বছৰীয়া ল'ৰাৰ লগত দুই চাৰি আষাৰ কথা হলো। তেওঁলোক বেচ আনন্দতে আছে। তাৰ পিচত যুৱক ব্ৰহ্মচাৰী সকলৰ থকা স্থান, আয়ুৰ্বেদ কলেজ, অধ্যাপক সকলৰ থকা ঘৰ ইত্যাদি চাই উভতি আহিলো। বন্ধ থকাৰ বাবে আমাৰ মনৰ হেঁপাহ মনতে ৰ'ল। ভালদৰে চোৱা নহ'ল। আহোঁতে আয়ুৰ্বেদ কলেজৰ দাৱাই খানাৰ পৰা এবটল ভাস্কৰ লৱণ কিনিলোঁ। কবলৈ পাহৰিছিলো। কণখলত কালী কম্‌লীওৱালা বাবাৰ সদাব্ৰত আৰু আয়ুৰ্ব্বেদিক দাতব্য ঔষধালয় আছে। সদাব্ৰতত তুপৰীৱা যিয়ে যায়, সিয়ে বিনামূল্যে খাবলৈ পায়। এই অনুষ্ঠানত যৎকিঞ্চিত সাহয্য কৰা হ'ল।

হৰিদ্বাৰ হিন্দুসকলৰ পবিত্ৰ প্ৰধান তীৰ্থ স্থান। অযোধ্যা মথুৰা মায়া কাশী কাঞ্চী অৱন্তিকা পুৰী দ্বাৰাৱতীচৈব অষ্টৈতা মোক্ষদমিকাঃ ॥

এই মোক্ষদায়ক তীৰ্থৰ ভিতৰত হৰিদ্বাৰেই মায়াপুৰী। ইয়াত লোকে তপশ্চৰণ কৰি মায়া দূৰ কৰে। মতান্তৰে কামৰূপ কামাখ্যাকো মায়াপুৰ বোলে।

গঢ়োৱাল ৰাজ্যৰ অন্তৰ্গত হিমালয় পৰ্ব্বতৰ পৰা নামি গঙ্গাদেৱীয়ে প্ৰথমতে ইয়াত সমভূমি স্পৰ্শ কৰিছে। গঙ্গাৰ পাৰৰ প্ৰাকৃতিক দৃশ্য মনোৰম। গঙ্গাৰ সোঁত ইমান প্ৰৱল যে স্নান কৰোঁতে মানুহ ভাহি যোৱাৰ আশঙ্কা আছে। সেই কাৰণে গঙ্গাৰ প্ৰতিঘাটতে ঘাটৰ চিৰিৰ পৰা লোহাৰ শিকলি পুতি দিয়া আছে। তাতে ধৰি স্নান কৰিব লাগে। তাত থকা অভ্যস্ত মানুহৰ পক্ষে ইয়াৰ সিমান প্ৰয়োজন নাই।

হৰিদ্বাৰৰ প্ৰধান তীৰ্থ শতহৰিকা গৌৰী বা ব্ৰহ্মকুণ্ডত স্নান, গঙ্গাৰ আৰতি দৰ্শন, গঙ্গা দেৱীৰ মূৰ্ত্তি আৰু মন্দিৰ প্ৰদক্ষিণ ; কুশাৱৰ্ত্তত পিতৃ পুৰুষৰ পিণ্ড দান। ইয়াৰ বাহিৰে সৰ্ব্বনাম শিৱ, মায়া দেৱী চণ্ডিকা মন্দিৰ আৰু ভীমগোদা তীৰ্থ আছে। এই মায়া দেৱীৰ পৰাই মায়াপুৰ



নাম হৈছে। মায়া দেৱী ক্ষেত্ৰাধিষ্ঠাত্ৰী। ব্ৰহ্মকুণ্ডত স্নান কৰাত আগেয়ে অনেক অসুবিধা আছিল। প্ৰৱল সোঁতত অনেক সময়ত মানুহ উটি ভাঁহি গৈছিল। এইবোৰ অসুবিধা দূৰ কৰিবৰ কাৰণে মিউনিচিপালিটিয়ে ঘাটৰ ভাল বন্দবস্ত কৰিছে। তাৰ বাহিৰেও বিৰলা ব্ৰাদাৰ্চে গঙ্গাৰ মাজতে প্ৰায় ২ বিঘা মান মাটি পকা কৰি বন্ধাই দি গঙ্গাক দুভাগ কৰিছে। এখন দলং দি গঙ্গাৰ পাৰৰ পৰা সেই খণ্ড ঠাই সংযুক্ত কৰি দিছে। এতিয়া দলঙেৰে গৈ যাত্ৰী বিলাকে সেই বন্ধোৱা ঠাইত জিৰনি লৈ স্নান আদি কৰিব পাৰে। সেই ঠাইৰ মাজতে এটা ঘৰী ঘৰো তৈয়াৰ কৰা হৈছে। এই ঠাই দোখৰত আৰু গঙ্গাৰ পাৰতো সদায় শাস্ত্ৰ আলোচনা, কথা বাৰ্ত্তা, আন সভা সমিতি আদি হৈ থাকে। ভাটিবেলা ওলাই গৈ যেই সেই ঠাইত বহিলেই হ'ল।

হৰিদ্বাৰত বৰ ভাল দৈ, ঘোলৰ সৰবতৰ উত্তম চাইল পোৱা যায়। যিহক মায়া দেৱীৰ কৃপাত এই সকল মায়া পৰিত্যাগ কৰি এদিন ৰাতিপুৱা হৃষীকেশ বুলি যাত্ৰা কৰিলো। পাণ্ডাৰ পৰা আগেয়ে বিদায় লোৱা হৈছিল গতিকে পুৱা উঠি মুটিয়াৰ সাহায্যত মাল পত্ৰ লৈ হৃষীকেশৰ মটৰত উঠি বহিলো। মটৰ ষ্টেচনত বদৰীনাৰায়ণৰ পাণ্ডা চণ্ডা প্ৰসাদ উমাশঙ্কৰৰ লোক বিজনাথ জগন্নাথে গৈ আমাৰ খবৰ কৰিলে আৰু বাটত যেন পাণ্ডাৰ নাম ভুল নকৰো সেই কথাও ক'লে। হৃষীকেশত তেওঁলোকৰ মানুহে আমাক খবৰ কৰিব আৰু দৰকাৰ হলে সহায় কৰিব ইত্যাদি কথা জনালে। তেওঁ পাছত হৃষীকেশলৈ যাব। তালৈ সম্প্ৰতি কলিকতাৰ এজন ধনী যাত্ৰী আহাৰ কথা আছে। তেওঁলৈকে দুদিন অপেক্ষা কৰিছে।

হৰিদ্বাৰৰ পৰা হৃষীকেশ মটৰ বা ৰেলেৰে গ'লে ১৫ মাইল। খোজ কাঢ়ি গ'লে ২৩ মাইল। ৰাস্তা মনোৰম। মাজে মাজে কুঞ্জবনৰ মাজেদি যোৱা যেন লাগে। পকা ৰাস্তা, মাজে মাজে যাব লাগে। তেনেকুৱা ৰাস্তা ফৰেষ্ট বিভাগৰ ভিতৰেদি আমাৰ দেশতো আছে।

হৰিদ্বাৰৰ পৰা সাত মাইল দূৰৈত সত্যনাৰায়নৰ মন্দিৰ। আমাৰ ৰথৰ সাৰথিজনে তাতেই ৰথ ৰাখি যাত্ৰীবিলাকক সত্যনাৰায়ণৰ মন্দিৰ চাবলৈ ক'লে। সকলো যাত্ৰী নামি গ'ল। যেতিয়া মন্দিৰ দৰ্শন কৰি সকলো যাত্ৰী ঘূৰি আহিল, তেতিয়া দুই তিনিবাৰ ভেঁপু বজাই মানুহ গন্তি কৰি সাৰথিয়ে ৰথ এৰি দিলে।

( ক্ৰমশঃ )

# অসম সাহিত্য সভা

## কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ চতুৰ্থ অধিৱেশন

### ১৭ এপ্ৰিল ১৯৬৪, ডিগবৈ

উপস্থিত :—শ্ৰীশ্ৰীমিত্ৰদেৱ মহন্ত অধিকাৰ—সভাপতি শ্ৰীপৰাগ চলিহা—উপসভাপতি, শ্ৰীমহেশ্বৰ নেওগ—প্ৰধান সম্পাদক, শ্ৰীহৰিপ্ৰসাদ নেওগ আৰু শ্ৰীহেমন্তকুমাৰ শৰ্ম্মা—সহকাৰী সম্পাদক, শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰী—পত্ৰিকা সম্পাদক, ।

শ্ৰীনিনন্দচন্দ্ৰ বৰুৱা, শ্ৰীধনীন্দ্ৰচন্দ্ৰ বৰুৱা, শ্ৰীদীনেশ বৰকটকী, শ্ৰীবুদ্ধীশ্ৰকুমাৰ বাজখনিকৰ, শ্ৰীকুমাৰ মেধি, শ্ৰীস্বৰ্ণকান্ত গোঁহাই, শ্ৰীব্ৰজেন্দ্ৰচন্দ্ৰ বৰপূজাৰী, শ্ৰীবিপিনকুমাৰ বৰগোঁহাই, শ্ৰীযতীন্দ্ৰ নাথ গোস্বামী, শ্ৰীচন্দ্ৰসিং টেৰণ, শ্ৰীউমাকান্ত শৰ্ম্মা, শ্ৰীবেদনাথ বৰঠাকুৰ, শ্ৰীমহেশচন্দ্ৰ দেৱ গোস্বামী ।

বিশেষভাৱে নিমন্ত্ৰিত : শ্ৰীপ্ৰফুল্লচন্দ্ৰ বৰুৱা, সভাপতি, অভ্যৰ্থনা সমিতি । এইসকলে উপস্থিত থাকিব নোৱাৰিব বুলি জনায়—শ্ৰীনৰেন্দ্ৰনাথ শৰ্ম্মা আৰু শ্ৰীত্ৰৈলোক্য গোস্বামী । ১৭ এপ্ৰিল ১৯৬৪ তাৰিখে পুৱা ৭ বজাত ডিগবৈৰ অভ্যৰ্থনা সমিতিৰ সৌজন্যত কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ বাহৰত (শিশুমঙ্গল জিলা পৰিষদৰ গৃহ) সমিতিৰ চতুৰ্থ অধিৱেশন বহে ।

১। (ক) সভাৰ আৰম্ভণিতে অসমীয়া ভাষা সাহিত্য আৰু সংস্কৃতৰ অন্যতম কৰ্ণধাৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ অন্যতম প্ৰতিষ্ঠাতা আৰু আন্তৰ্জাতিক খ্যাতি-সম্পন্ন পণ্ডিত ড: শ্ৰীবিৰিঞ্চিকুমাৰ বৰুৱা ডাঙৰীয়াৰ অভাৱনীয় মৃত্যুত সভাই গভীৰ শোক প্ৰকাশ কৰি স্বৰ্গীয় আত্মাৰ কল্যাণ কামনা কৰে আৰু শোক-সন্তপ্ত পৰিয়াললৈ সমবেদনা জনায় ।

(খ) শ্ৰীশ্ৰীহৰিদেৱ গোস্বামী দক্ষিণপাট সত্ৰাধিকাৰ প্ৰভুৰ তিৰোধানত সভাই গভীৰ শোক প্ৰকাশ কৰে আৰু স্বৰ্গীয় আত্মাৰ শান্তিৰ অৰ্থে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনায় ।

২। ২৫ ডিচেম্বৰ ১৯৬৩ তাৰিখৰ কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ তৃতীয় অধিৱেশনৰ কাৰ্য্য-বিৱৰণি গৃহীত হয় ।

৩। (ক) সীমাঞ্চল একীকৰণ সম্পৰ্কে কাৰ্য্য নিৰ্ব্বাহক সমিতিৰ ১৬ জুন ১৯৬৩ তাৰিখৰ একাদশ সিদ্ধান্তৰ দ্বাৰা গঠিত সমিতিৰ প্ৰতিবেদন পাঠ কৰা হ'ল ।

(খ) সিদ্ধান্ত কৰা হ'ল যে বৰ্ত্তমান পৰিবৰ্ত্তিত পৰিস্থিতিত এই সম্পৰ্কে স্মাৰক-পত্ৰ প্ৰণয়নৰ কাৰ্য্য কিছুদিনৰ পিছুৱাই কৰা উচিত হ'ব ।

৪। অভ্যৰ্থনা সমিতিয়ে ৰচনা কৰা এবেত্ৰিংশ সন্মিলনৰ কাৰ্য্য-সূচী অনুমোদন কৰা হ'ল।।

৫। ২৯ ডিচেম্বৰ ১৯৬৩ তাৰিখে অনুষ্ঠিত হোৱা সভাৰ অসমীয়া ভাষা-জ্ঞান প্ৰমাণ-পত্ৰ পৰীক্ষাৰ ফলাফল পৰীক্ষা সংসদে নিৰূপিত কৰা মতে ঘোষণা কৰা হওক ।

যোৰহাট বিশ্ববাণী ছাপাখানাই আৰু অধ্যাপক শ্ৰীপৰাগ চলিহাই আগ বঢ়োৱা পুৰস্কাৰ দুটি প্ৰথম বিভাগত প্ৰথম হোৱা শ্ৰীহৰেকৃষ্ণ পালক দিয়া হ'ব ।

৬। গুৱাহাটী বিশ্ববিদ্যালয়ৰ ১৯৬২ আৰু ১৯৬৩ চনৰ প্ৰবেশিকা পৰীক্ষাৰ ফলাফল অনুসৰি তলত দিয়া ধৰণে হৰিহৰ চৌধুৰী বঁটা ঘোষণা কৰা হওক—

১৯৬২—শ্ৰীৰামচন্দ্ৰ মোদী, পাছিঘাট উচ্চ ইংৰাজী বিদ্যালয় ।

১৯৬৩—শ্ৰীৰমাকান্ত শ্যাম, তেজু উচ্চ ইংৰাজী বিদ্যালয় ।

৭। সভাৰ উপবিধিৰ সপ্তদশ ছেদৰ যোজন অনুসৰি ১৯৬৩-৬৪ চনৰ আয়-ব্যয়কৰ অন্তৰ্গত তলৰ ব্যয় বিলাকৰ শিতান সলনি (re-appropriation) অনুমোদন কৰা হ'ল ।

| শিতান | আয়কৰ ব্যয় অনুমোদিত ব্যয় |
|---|---|
| নৈমিত্তিক ব্যয় | ৪০০·০০ |
| মুদ্ৰণ আৰু প্ৰকাশন : | ১,০০০·০০ |
| ক্ষুদ্ৰ মুদ্ৰণ | |
| সাধৰণ প্ৰচাৰ : | ২০০·০০ |
| বিজ্ঞাপন আদি | |
| প্ৰকাশন : সাধৰণ | ৩,০০০·০০ |
| বিবিধ : বাধাকান্ত | |
| সন্দিকৈ স্মৃতি-পুঁজি | ১০·০০ |

| প্ৰকৃত ব্যয় | কোন শিতানৰ কিমান বাঢ়িব পৰা ব্যয় কৰা হ'ব |
|---|---|
| ৬৭১·৪৫ | বিবিধ: অসমীয়া ভাষা-জ্ঞান প্ৰমাণ-পত্ৰ পৰীক্ষা—৩২২·৬৮ |
| ১,৩৩৬·৩১ | মুদ্ৰণ আৰু প্ৰকাশন :সাধৰণ প্ৰচাৰ-প্ৰকাশন—১,২০০·০০ |
| ৩৩৫·৮১ | সাধৰণ প্ৰচাৰ : পুথি বিক্ৰী ব্যৱস্থা, প্ৰদৰ্শনী আদি—১৩৯·০০ |
| ৩,১২৩·০০ | দৰমহা: প্ৰধান সম্পাদকৰ কাৰ্য্যালয়—১,০১০·০০ |
| ১২২·৩৭ | সম্পত্তি প্ৰতিপালন ১০০·০০ |

৮। তলত নাম দিয়া অনুষ্ঠানসমূহক শাখা সভা-ৰূপে স্বীকৃতি দিয়া হ'ল :

দিনজয় সাহিত্য সভা, দিনজয়, লক্ষীমপুৰ, প্ৰতাপগড় শাখা সাহিত্য সভা, মটেৰ ঝাৰ, গোৱালপাৰা, চণ্টক শাখা সাহিত্য সভা, চণ্টক, শিৱসাগৰ, ঢুলীয়াজান শাখা সাহিত্য সভা, ঢুলীয়াজান, লক্ষীমপুৰ, গড়মূৰ শাখা সাহিত্য সভা, গড়মূৰ, শিৱসাগৰ,



তামুলীচিগা শাখা সাহিত্য সভা, তামুলীচিগা, শিৱসাগৰ

৯। দিল্লী অসমীয়া ছাত্ৰ সন্মিলনক স্বীকৃত সভা-ৰূপে স্বীকৃতি দিয়া হ'ল ।

১০। তলত নাম দিয়া সকলক আজীৱন সভ্য-ৰূপে ভৰ্ত্তি কৰা হ'ল—

শ্ৰীবিপিনকুমাৰ বৰগোঁহাই

শ্ৰীমহেন্দ্ৰনাথ বৰদলৈ এম, এ, বহা হাইস্কুল

১১। পূৰ্ব্বশ্ৰী প্ৰকাশন (যোৰহাট) আৰু বুকলেণ্ড (যোৰহাট) আহ্বান কৰি সভাৰ পুথি বেচা এজেন্ট-ৰূপে নিয়োগ কৰা হ'ল ।

১২। শঙ্কৰদেৱৰ নামত ডাকটিকট উলিওৱা সম্পৰ্কে অসম চাৰ্কেলৰ পোষ্ট মাষ্টাৰ জেনেৰেলৰ পত্ৰৰ উত্তৰত সভাৰ সভাপতি ডাঙৰীয়াই আগবঢ়োৱা পৰামৰ্শ সম্পৰ্কে আলোচনা কৰা হ'ল ।

ভাৰত চৰকাৰে ডাক আৰু তাঁৰ বিভাগ এই বিষয়ত তৎপৰ হোৱাত অসম সাহিত্য সভাৰ কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে সন্তোষ প্ৰকাশ কৰে আৰু সভাপতি ডাঙৰীয়াৰ পৰামৰ্শ অনুসৰি শঙ্কৰদেৱৰ অহা তিৰোধান তিথিতে এটি প্ৰতীকেৰে (বৰপেটাৰ গুৰু-আসন) ডাক টিকট উলিয়াবলৈ চৰকাৰক অনুৰোধ কৰে ।

১৩। মিকিৰ পাহাৰৰ দৈথালাংছত বহা 'অসম আলংৰি কেদ' কাৰ্ব্বি বিছ' আসবৰাৰ'ৰ (সদৌ অসম কাৰ্ব্বি যুৱক সন্মিলন) প্ৰস্তাৱসমূহ পাঠ কৰা হ'ল । অসম সাহিত্য সভাৰ কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে সন্তোষ প্ৰকাশ কৰে যে আদৰবাৰে মিকিৰ পাহাৰৰ প্ৰাথমিক পঢ়াশালিৰ পাঠ্যপুথি আদিত অসমীয়া বৰ্ণমালা ব্যৱহাৰ কৰিবলৈ চৰকাৰক যুক্তিযুক্তভাৱে অনুৰোধ কৰিছে ।

১৪। ডিব্ৰুগড় সাহিত্য সভাই লক্ষ্মীনাথ বেজবৰুৱা ভৱন নিৰ্ম্মাণ কৰিবলৈ আঁচনি লোৱা দেখি অসম সাহিত্য সভাৰ কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে সন্তোষ প্ৰকাশ কৰে । এই আঁচনিৰ অৰ্থে অসম সাহিত্য সভাৰ ফালৰপৰা সাহায্য দিয়াৰ আগাৰগতা প্ৰকাশ কৰি

সমিতিয়ে ডিব্ৰুগড় সাহিত্য সভাক অনুদানৰ বাবে ভাৰত চৰকাৰৰ কাষ চাপিবলৈ পৰামৰ্শ দিয়ে।

১৫। শ্ৰীপ্ৰেমধৰ ৰাজখোৱাৰপৰা পাবলগীয়া ধনৰ বিষয়ে খৰতকীয়া কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ কৰি এটি প্ৰতিবেদন অহা কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ অধিৱেশনত দাখিল কৰিবলৈ প্ৰধান সম্পাদকক ভাৰ দিয়া হ'ল।

১৬। কাছাৰৰ গড়ৰ ভিতৰ সাহিত্য সভাৰ কাৰ্য্য নিৰ্ব্বাহক সমিতিৰ ২৮।৪।৬৪ তাৰিখৰ প্ৰস্তাৱ পাঠ কৰা হয় আৰু এই সন্দৰ্ভত কাৰ্য্য নিৰ্ব্বাহক সমিতিৰ সদস্য শ্ৰীকুমাৰ মেধিৰ বিবৃতি আলোচনা কৰা হয়। যিহেতু কাছাৰৰ অসমীয়া ভাষা ভাষী প্ৰায়সকল লোকেই অন্য অনুন্নত আৰু আৰ্থিক অনুন্নত শাখাভুক্ত লোক, তেওঁলোকৰ ছাত্ৰ-ছাত্ৰীসমূহক যথা বিহিত চৰকাৰী বৃত্তি আদি অচিৰে দি শিক্ষাৰ সুবিধা দিবলৈ অসম সাহিত্য সভাৰ কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে অসম চৰকাৰক অনুৰোধ জনায়।

১৭। অসম সাহিত্য সভাৰ ১৯৬৩-৬৪ চনৰ উদ্বৃত্ত পত্ৰ, আয়-ব্যয়ৰ হিচাপ আৰু বিশেষ পুঁজিসমূহৰ হিচাপ পৰীক্ষক অধ্যাপক মঃ ছাকীৰ প্ৰতিবেদন সহ পাঠ কৰা হ'ল। উক্ত উদ্বৃত্ত-পত্ৰ আৰু হিচাপ পৰীক্ষাৰ প্ৰতিবেদন হিচাপ-পত্ৰ পৰীক্ষকৰ পৰামৰ্শ সমেত গ্ৰহণ কৰা হ'ল। এই পৰামৰ্শ অনুসৰি সভাৰ কিতাপৰ হিচাপত টকা দিবলৈ বাকী থকা শৰালি পুথিঘৰৰ বিৰুদ্ধে, ব্যক্তি আৰু অনুষ্ঠানৰ বিৰুদ্ধে আৱশ্যকমতে ব্যৱস্থা গ্ৰহণ কৰিবলৈ সিদ্ধান্ত কৰা হয়। যি ৩৭.৫০ স্থগিত হিচাপত (Substance accounts) ধৰা হৈছে তাক বিবিধ আয় নামে এটি নতুন শিতানত ধৰিবলৈ থিৰাং কৰা হয়।

১৮। প্ৰধান সম্পাদকৰ ১৯৬৩-৬৪ চনৰ বাৰ্ষিক প্ৰতিবেদন পঠিত আৰু গৃহীত হ'ল।

১৯। প্ৰধান সম্পাদকৰ প্ৰতিবেদনৰ অন্তৰ্গত আৰ্থিক অনাটন বিষয়ক কথাখিনি অনুধাৱন কৰি সভাৰ ব্যয় সংকোচনৰ উপায়ৰ বিষয়ে চিন্তা কৰা হয়।

(ক) সভাই ইমানদিনে পৰিচালনা কৰি অহা শিলচৰ দেশভক্ত তৰুণৰাম ফুকন মধ্য ইংৰাজী পঢ়াশালিক এতিয়া আৰ্থিক অনাটনৰ বাবে মঞ্জুৰি দিব নোৱাৰা অৱস্থা পোৱাত কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে দুখ প্ৰকাশ কৰে; আৰু উক্ত পঢ়াশালিৰ কৰ্ত্তৃপক্ষক শিক্ষাবিভাগীয় কৰ্ত্তৃপক্ষৰ লগত যোগাযোগ কৰি মঞ্জুৰি পাবৰ ব্যৱস্থা কৰিবলৈ পৰামৰ্শ দিয়ে। সাময়িক ব্যৱস্থা ৰূপে এপ্ৰিলৰ পৰা জুন ১৯৬৪ মাহলৈকে আগৰদৰে মঞ্জুৰি দি থাকিবলৈ সমিতিয়ে সিদ্ধান্ত কৰে।

(খ) চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ অংশকালীন মালীৰ কাম ৩১ মে'ই ১৯৬৪ তাৰিখলৈকে মাত্ৰ থাকিব।

(গ) ছেপ্তেম্বৰ ১৯৬৪ মাহৰ ভিতৰত অসম সাহিত্য সভা সপ্তাহ পালনৰ সিদ্ধান্ত কৰি সহকাৰী সম্পাদকক (কেন্দ্ৰীয় কাৰ্য্যালয়) উপযুক্ত ব্যৱস্থা কৰিবলৈ ভাৰ দিয়া হয়। উক্ত সপ্তাহত সভাৰ প্ৰকাশনৰ মূল্য শতকৰা ৪০% ৰেহাই দি বহলভাৱে বিক্ৰীৰ ব্যৱস্থা কৰা হয়।

২০। ডিগবৈ সন্মিলনত পুথি-চ'ৰাৰ পুথি বিক্ৰী শতকৰা ৫০% হ্ৰাস মূল্যত কৰিবলৈ সিদ্ধান্ত লয়।

২১। বিষয়-বাছনী সভাত উত্থাপন কৰিব লগীয়া প্ৰস্তাৱসমূহ আলোচনাৰ পিছত বাছি উলিওৱা হয়।

**শ্ৰীশ্ৰীমিত্ৰদেৱ মহন্ত, অধিকাৰ ;**
সভাপতি,
অসম সাহিত্য সভা

**মহেশ্বৰ নেওগ**
প্ৰধান সম্পাদক,
অসম সাহিত্য সভা



অসম সাহিত্য সভাৰ সভাপতি
শ্ৰীশ্ৰীমিত্ৰদেৱ মহন্ত অধিকাৰ



অসমৰ ৰাজ্যপাল
শ্ৰীবিষ্ণু সহায়



অধ্যাপক শান্তিদেৱ ঘোষ



ডাঃ মুলক্ ৰাজ আনন্দ

# পুথি পৰিচয় ঃ

**আলোচনা সাহিত্য :**– ডিব্ৰুগড় সাহিত্য সভাই প্ৰকাশ কৰা নটা প্ৰবন্ধৰ সমষ্টি এই প্ৰবন্ধ পুথিখনিয়ে ডিব্ৰুগড় সাহিত্য সভাৰ সাহিত্য সেৱীসকলৰ সাহিত্য সাধনাৰ আভাস দিছে। ইয়াৰ আগতে অসমৰ পাঁচ গৰাকী স্বনামধন্য সাহিত্যিকক সম্বৰ্দ্ধনা জনাওঁতে তেওঁলোকৰ ব্যক্তিত্ব আৰু সাহিত্য প্ৰতিভাৰ পৰিচয় সম্বলিত পুস্তিকা এখনো ডিব্ৰুগড় সাহিত্য সভাই প্ৰকাশ কৰিছে। আলোচনা সাহিত্য আকাৰত সৰু যদিও আলোচ্য বিষয় লঘু নহয়। 'টাই-আহোম কৃষ্টি (?) সংস্কৃতি' 'মানৱ চৰিত্ৰ চিত্ৰণত মহাকবি কালিদাস' 'ৰজনীকান্ত বৰদলৈৰ উপন্যাসসমূহ' "অসমীয়া সাহিত্যত ৰজনীকান্তৰ স্থান' আদি প্ৰবন্ধত পাঠকে আলোচনাৰ নতুনত্ব দেখিবলৈ পাব। ডিব্ৰুগড় সাহিত্য সভাৰ সাহিত্য সেৱা আৰু গ্ৰন্থ প্ৰকাশৰ উদ্যম প্ৰশংসনীয়। অন্যান্য শাখা সাহিত্য সভাযো এনে আদৰ্শ অনুসৰণ কৰিলে শাখা সভাৰ সক্ৰিয়তাৰ লগতে সাহিত্য সেৱাৰো নিদৰ্শন প্ৰকাশ হয়।

**সপোন দেখো সুদুৰৰঃ** শ্ৰীনৰেন্দ্ৰ নাথ বৰা, প্ৰকাশক শ্ৰীত্ৰৈলোকেশ্বৰ বৰা, বৰজহা, নগাওঁ, ১'২৫ পঃ

চাৰিকুৰি এঘাৰ পিঠিৰ এই কবিতাৰ পুথিখনিত কৱিৰ প্ৰয়াসী শ্ৰীনৰেন্দ্ৰ নাথ বৰাই "জীৱন-মৰণৰ সিপাৰৰ সপোন"ৰ ছয়া-ময়া অভিজ্ঞতাৰ আভাস দাঙি ধৰিছে। ধূলি-মাকতি, ৰোগ-শোক, জৰামৃত্যু, বিৰহ-বিচ্ছেদেৰে ভৰা এই ধৰণীখনৰ প্ৰতি অকণো সহানুভূতি নেদেখুৱাকৈ শ্ৰীবৰাই 'যি দেশৰপৰা পৰাণ আহিছে, সেই মৰমৰ দেশলৈ' হামখাও কাঢ়িছে। আৱশ্যনীৰে পৰা শেষলৈকে একেটা ভাৱকে পূৰ্ণতা সম্পাদনৰ বিষয়ত লেখকৰ কৃতকাৰ্য্যতাতকৈ চেষ্টাইহে পাঠকৰ দৃষ্টি মনোযোগ প্ৰথমে আকৰ্ষণ কৰিব।

**জুমলী কুঁৱৰী :** (বুৰঞ্জী মূলক নাট): শ্ৰীনকুল চন্দ্ৰ ভূঞা, প্ৰকাশক শ্ৰীবিপিন চন্দ্ৰ শৰ্ম্মা, ডিব্ৰুগড়, মূল্য তিনিটকা।

বুৰঞ্জীমূলক নাট্যকাৰৰূপে প্ৰসিদ্ধ আৰু জনপ্ৰিয়তা লাভ কৰা শ্ৰীভূঞা দেৱৰ বা তেখেতৰ নাট্যৰচনা শৈলীৰ নতুন পৰিচয় দিয়াৰ প্ৰয়োজন নাই। বদন বৰফুকন, চন্দ্ৰকান্তত নাট্যকাৰে যিদৰে বুৰঞ্জীৰ জঁকাটো ৰাখি ঐতিহাসিক চৰিত্ৰতকৈ ইতিহাসৰ সম্ভাৱনাজাত চৰিত্ৰ পূৰ্ণতাৰ বাবে বেছি মনোযোগ দিছে; জুমলী কুঁৱৰীত তেনেকুৱা নাই। পাঁচ অঙ্কৰ এই নাটিকাখনত লেখকে বুৰঞ্জীৰ সীমাৰেখা পাৰহৈ যাবলৈতো শঙ্কা কৰিছেই আনকি বুৰঞ্জীৰ জঁকাটোকো পৰিপুষ্ট কৰি বৰ্ণে গন্ধে সুষমা পূৰ্ণ কৰিবলৈকো যেন কুণ্ঠা বোধ কৰিছে। তাৰ ফল স্বৰূপে এফালে নাটকখনৰ গম্ভীৰতা হ্ৰাস হৈলেও সংক্ষিপ্ততা আৰু নিৰ্ভৰযোগ্যতাৰে জিলিকি উঠিছে। জুমলীগড়ক কেন্দ্ৰ কৰি কৰি থকা আধা কিম্বদন্তী আৰু আধা ইতিহাস মিশ্ৰিত আখ্যানকে এইদৰে নাটকৰ ৰূপ দিয়াত ইতিহাস, সাহিত্য আৰু ৰঙ্গমঞ্চৰ উপকাৰ হৈছে। শ্ৰীভূঞাই নিভাঁজ ভাষাৰে সৰল ৰচন ভঙ্গীৰে নাটকৰ কথোপকথন ৰচনা কৰাত আকৰ্ষনীয় হৈছে। স্থানীয় বুৰঞ্জীৰ ক্ষুদ্ৰতম আখ্যান একোটা লৈয়ে বিশ্ববিখ্যাত নাট ৰচনাৰ সম্ভৱনা আছে।

# সম্পাদকীয়

**শ্ৰদ্ধাঞ্জলি ঃ**

## জৱাহৰলাল নেহৰু ঃ

ভাৰতীয় জনতাৰ হৃদয়ত স্নেহ আৰু সন্মানৰ আসনত প্ৰতিষ্ঠিত ভাৰতৰ প্ৰিয়নেতা পণ্ডিত জৱাহৰলাল নেহেৰুৱে যোৱা ২৭ মে' তাৰিখে মহাপ্ৰায়ণ কৰিছে। গোটেই বছৰকাল ভাৰতৰ প্ৰধান মন্ত্ৰী হৈ থকাতকৈও প্ৰাক্ স্বাধীনতা যুগত ভাৰতৰ জাতীয় যুদ্ধৰ অগ্ৰণী সেনানী-ৰূপে নেহেৰুৱে সমগ্ৰ দেশৰ শ্ৰদ্ধা সন্মান, মৰম-প্ৰীতি আৰু আস্থা লাভ কৰিছিল, সি স্বাধীনোত্তৰ যুগতো অম্লান হৈয়ে থাকিল। দেশৰ জনতাৰ স্বতঃস্ফুৰ্ত্ত শোকোচ্ছাসেই এক বাক্যে সেইকথা প্ৰমাণ কৰিলে।

নিজৰ দেশৰ দৰেই বিশাল পৃথিবীৰ বহুত দেশত নেহেৰুৱে এখন সন্মানৰ আসন লাভ কৰিছিল। সমগ্ৰ পৃথিবী জুৰি নেহৰুৰ বিয়োগত ভাৰতীয় জনগণলৈ সমবেদনাৰ বাণী আহিব লাগিছে।

ভাৰতৰ এই অপুৰণীয় ক্ষতি কেতিয়া পুৰণ হয় নিয়তিৰ গৰ্ভত। আমি মাথোঁ আশা কৰোঁ

"কালোহ্যয় নিৰৱধিৰ্বিপুলাচ পৃথি"

## ডক্টৰ বিৰিঞ্চিকুমাৰ বৰুৱা ঃ

অসমী আইৰ সুসন্তান অধ্যাপক ডক্টৰ বিৰিঞ্চিকুমাৰ বৰুৱা দেৱৰ আকস্মিক মৃত্যুত অসমে বহুমুখী প্ৰতিভাৰ এজন ধীসম্পন্ন লোকক হেৰুৱালে। সাহিত্য, শিক্ষা সংস্কৃতি, সকলো বিষয়লৈকে তেখেতৰ আগ্ৰহ অপৰিসীম আছিল ; এইবোৰ বিষয়ত দক্ষতাও আছিল অসাধাৰণ। গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া ভাষা-সাহিত্যৰ অধ্যাপকৰূপে তেখেত গৱেষণাৰ ক্ষেত্ৰ প্ৰশস্ত কৰি থৈ গৈছে। অসম সাহিত্য সভাৰ গুৱাহাটীৰ অধিৱেশনৰ বুৰঞ্জী শাখাৰ সভাপতিৰূপে দিয়া অভি-ভাষণত অসমৰ সাংস্কৃতিক বুৰঞ্জী অধ্যয়নৰ নতুন পথৰ সন্ধান দেখা যায়।

সমগ্ৰ ভাৰততে শিক্ষা সংস্কৃতিৰ ক্ষেত্ৰত অগ্ৰণী ডক্টৰ বৰুৱাই আন্তৰ্জাতিক সুখ্যাতি লাভ কৰিছিল। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ইণ্ডিয়ানা বিশ্ববিদ্যালয়ত আগন্তুক অধ্যাপক ৰূপে অধ্যাপনা কৰি আহি নতুন উদ্যমেৰে তেখেতে কৰ্মক্ষেত্ৰত নামিবলৈ ধৰোঁতেই নিয়তিৰ নিষ্ঠুৰ হাতে কাঢ়ি নিলে। ডক্টৰ বৰুৱাৰ পবিত্ৰ স্মৃতিত আমি শ্ৰদ্ধাঞ্জলি জনাইছোঁ।

## পাৰ্ব্বতিপ্ৰসাদ বৰুৱা ঃ

সিদিনা গীতিকবি পাৰ্ব্বতি প্ৰসাদ বৰুৱাৰ মৃত্যুৰ বাতৰিয়ে অসমবাসীক বিশেষকৈ অসম সাহিত্য সভাক ম্ৰিয়মান কৰি তুলিছে। অসম সাহিত্য সভাৰ গোৱাল-পাৰা অধিৱেশনৰ সঙ্গীত শাখাৰ সভাপতিৰ আসনত বৰুৱাই সাহিত্য সভাই এইজনা সাহিত্য-সঙ্গীতজ্ঞ লোকক সন্মান দেখুৱাইছিল। স্বৰ্গীয় বৰুৱাদেৱৰ দানেৰে গুৱাহাটীত নিৰ্মীয়মান অসম সাহিত্যসভাৰ ভগৱতী প্ৰসাদ বৰুৱাভৱনৰ উদ্বোধন তেখেতে দেখিবলৈ নাপালে। সেই অসমাপ্ত কাৰ্য্য যাতে সুসমাপ্ত হয়, তাকে কামনা কৰি বৰুৱাদেৱৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি জনালোঁ।



## সাহিত্য সভাৰ ডিগবৈ অধিৱেশন ঃ

যোৱা বহাগ মাহৰ ১৮ তাৰিখৰ পৰা তিনদিন জুৰি ডিগবৈত অসম সাহিত্য সভাৰ একত্ৰিংশ অধি-ৱেশন শ্ৰীশ্ৰীমিত্ৰদেৱ মহন্ত অধিকাৰৰ সভাপতিত্বত সুচাৰুৰূপে সম্পন্ন হৈ গ'ল। ভাৰতৰ প্ৰায় সকলো ঠাইৰে সকলো ভাষা-ভাষী লোকৰ বসতিস্থল, তেল উদ্যোগৰ কেন্দ্ৰ ডিগবৈ নগৰত অসমসাহিত্য সভাৰ অধিৱেশনৰ আয়োজন তাৎপৰ্য্যপুৰ্ণ আৰু গুৰুত্বপুৰ্ণ বুলি আমি যোৱা সংখ্যা পত্ৰিকাত উল্লেখ কৰিছিলোঁ। বতৰ প্ৰতিকুল হোৱা সত্বেও ডিগবৈৰ আৰু ওচৰ-পাঁজৰৰ বিভিন্ন সমাজৰ, বিভিন্ন স্তৰৰ আৰু বিবিধ কাৰ্য্যক্ষেত্ৰত নিযুক্ত দহ হেজাৰতকৈপ সহস্ৰ জনতাই সাহিত্য সভাৰ কেউদিনৰ মুল অনুষ্ঠানসমুহত যোগ দিয়াৰ পৰাই সাহিত্য সভালৈ সকলোৰে আন্তৰিক অনুৰাগ প্ৰকাশ পাইছে। মুল সভাৰ অধিৱেশন আৰু সাংস্কৃতিক অধি-ৱেশনত হেজাৰ হেজাৰ দৰ্শক শ্ৰোতাই শৃঙ্খলাপুৰ্ণভাৱে নীৰৱে যোগদান কৰি সাহিত্যসভাৰ অধিৱেশন সাফল্য-মণ্ডিত কৰি তুলিছিল। সাহিত্যসভাৰ উদ্যোক্তা, দৰ্শক-শ্ৰোতা সকলো ধন্যবাদৰ পাত্ৰ।

অসম অইল কোম্পানীৰ মেনেজাৰ চাহাবে সাহিত্য সভাৰ প্ৰতি আন্তৰিকতাপুৰ্ণভাৱে সহায় সহযোগ আগবঢ়োৱা বুলি জানিব পাৰি আমি সন্তোষ পাইছোঁ। শিল্প-বাণিজ্যৰ লগত সাহিত্য-সংস্কৃতিৰ মিলনৰ এই অপুৰ্ব্ব নিদৰ্শনে অসম সাহিত্যসভাক অগ্ৰগতিৰ পথত প্ৰেৰণা যোগাব বুলি নিশ্চয় আশা কৰিব পাৰি।

অসমৰ ৰাজ্যপাল শ্ৰীবিষ্ণু সহায়ে সাহিত্যসভাৰ মুল অধিৱেশন উদ্বোধন কৰি সাহিত্যিকসকলক কল্যাণ কৰ্ম্মত আত্মনিয়োগ কৰিবলৈ আহ্বান জনায়।

সাহিত্যসভাৰ একত্ৰিংশ অধিৱেশন কেবাকাৰণৰ পৰাও বৈশিষ্ট্যপুৰ্ণ হৈছে। সাংস্কৃতিক অধিৱেশনৰ সভা-পতিৰ আসন গ্ৰহণ কৰে বিশ্বভাৰতী বিশ্ব-বিদ্যালয়ৰ অধ্যাপক শ্ৰীশান্তিদেৱ ঘোষে। শ্ৰীঘোষে তেওঁৰ পাণ্ডিত্য পুৰ্ণ ভাষণত অসমৰ সাংস্কৃতিক ঐতিহ্যৰ ভুয়সী প্ৰশংসা কৰি বৰ্ত্তমান সময়ৰ সঙ্গীত সাধনাৰ বিষয়ে উল্লেখ কৰিছে। তেওঁ কৈছে—"ভাস্কৰবৰ্ম্মা নৃত্য-গীতত অনুৰাগী আছিল বুলিয়েই তেওঁ বিদেশী অতিথিসকলৰ বাবে নাচ গানৰ ব্যৱস্থা কৰিছিল। সঙ্গীত ৰসিক তেওঁ। ......আধুনিক গানত অসমৰ গীত ৰচয়িতা আৰু গীতাজ্ঞসকল পিছ পৰি থকা নাই। নানা ধৰণৰ পৰীক্ষা আৰু নিৰীক্ষাৰ ভিতৰেদি তেওঁলোকৰ কাম চলিব লাগিছে।"

তুয়োদিনৰ সাংস্কৃতিক অধিৱেশনৰ সঙ্গীত-নৃত্য আদি উচ্চমান বিশিষ্ট হৈছিল।

ডিগবৈ সাহিত্য অধিৱেশনৰ লগত বুৰঞ্জী বিজ্ঞান, দৰ্শন আদি শাখাসমুহৰ অধিৱেশন পতা নহ'ল— অপাৰগতাৰ বাবে নহয় অপ্ৰয়োজনীয়তাৰ (?) বাবেহে। অভ্যৰ্থনা সমিতিৰ সভাপতি মহোদয়ে তেওঁৰ অভি-ভাষণত বুৰঞ্জী, বিজ্ঞান আদি শাখা যে সাহিত্যসভাৰ লগত পাতিব নালাগে বা পতা অনাৱশ্যক সেই বিষয়ে যুক্তিৰ অৱতাৰণা কৰি ৰাইজক পতিয়ণ নিয়াবলৈ চেষ্টা কৰিছে। তেওঁৰ যুক্তিৰ যুক্তি-যুক্ততাৰ বিচাৰৰ ভাৰ সাহিত্যানুৰাগী সকলৈকে থোৱা হ'ল।

ডিগবৈ অধিৱেশনত তুদিন জুৰি হোৱা আলো-চনা চক্ৰও সাহিত্যসভাৰ বুৰঞ্জীত নতুন আৰু সেই বাবেই বৈশিষ্ট্যপুৰ্ণ। উপন্যাস সাহিত্য সম্পৰ্কে অভ্যৰ্থনা সমিতিয়ে তিনিজন সাহিত্যিকৰ তিনিখন ৰচনা সম্বলিত এখনি পুস্তিকা প্ৰকাশ কৰি প্ৰচাৰ কৰিছিল। তুয়োদিনে অসমৰ শিক্ষামন্ত্ৰী শ্ৰীদেৱকান্ত বৰুৱা দেৱৰ সভাপতিত্বত হোৱা আলোচনা চক্ৰত বিখ্যাত ঔপন্যাসিক ডঃ মুলুকৰাজ আনন্দৰ ভাষণ প্ৰেৰণাদায়ক হৈছিল। এইদৰে তুজন সৰ্ব্বভাৰতীয় খ্যাতিসম্পন্ন অসমৰ বাহিৰৰ মনী-ষীয়ে অসম সাহিত্যসভাৰ সৈতে ঘনিষ্ঠ ভাৱে যোগ

# সম্পাদকীয়

**শ্ৰদ্ধাঞ্জলি :**

## জৱহৰলাল নেহৰু :

ভাৰতীয় জনতাৰ হৃদয়ত স্নেহ আৰু সন্মানৰ আসনত প্ৰতিষ্ঠিত ভাৰতৰ প্ৰিয়নেতা পণ্ডিত জৱহৰলাল নেহেৰুৱে যোৱা ২৭ মে' তাৰিখে মহাপ্ৰয়াণ কৰিছে। গোটেই বছৰকাল ভাৰতৰ প্ৰধান মন্ত্ৰী হৈ থকাতকৈও প্ৰাক্ স্বাধীনতা যুগত ভাৰতৰ জাতীয় যুদ্ধৰ অগ্ৰণী সেনানী-ৰূপে নেহেৰুৱে সমগ্ৰ দেশৰ শ্ৰদ্ধা সন্মান, মৰম-প্ৰীতি আৰু আস্থা লাভ কৰিছিল, সি স্বাধীনোত্তৰ যুগতো অম্লান হৈয়ে থাকিল। দেশৰ জনতাৰ স্বতঃস্ফুৰ্ত্ত শোকোচ্ছ্বাসেই এক বাক্যে সেইকথা প্ৰমাণ কৰিলে।

নিজৰ দেশৰ দৰেই বিশাল পৃথিবীৰ বহুত দেশত নেহেৰুৱে এখন সন্মানৰ আসন লাভ কৰিছিল। সমগ্ৰ পৃথিৱী জুৰি নেহৰুৰ বিয়োগত ভাৰতীয় জনগণলৈ সমবেদনাৰ বাণী আহিব লাগিছে।

ভাৰতৰ এই অপূৰণীয় ক্ষতি কেতিয়া পূৰণ হয় নিয়তিৰ গৰ্ভত। আমি মাথোঁ আশা কৰোঁ

"কালোহ্যয়ং নিৰৱধিৰ্বিপুলাচ পৃথ্বি"

## ডক্টৰ বিৰিঞ্চিকুমাৰ বৰুৱা :

অসমী আইৰ সুসন্তান অধ্যাপক ডক্টৰ বিৰিঞ্চিকুমাৰ বৰুৱা দেৱৰ আকস্মিক মৃত্যুত অসমে বহুমুখী প্ৰতিভাৰ এজন ধীসম্পন্ন লোকক হেৰুৱালে। সাহিত্য, শিক্ষা সংস্কৃতি, সকলো বিষয়লৈকে তেখেতৰ আগ্ৰহ অপৰিসীম আছিল ; এইবোৰ বিষয়ত দক্ষতাও আছিল অসাধাৰণ। গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া ভাষা-সাহিত্যৰ অধ্যাপকৰূপে তেখেত গৱেষণাৰ ক্ষেত্ৰ প্ৰশস্ত কৰি থৈ গৈছে। অসম সাহিত্য সভাৰ গুৱাহাটীৰ অধিবেশনৰ বুৰঞ্জী শাখাৰ সভাপতিৰূপে দিয়া অভি-ভাষণত অসমৰ সাংস্কৃতিক বুৰঞ্জী অধ্যয়নৰ নতুন পথৰ সন্ধান দেখা যায়।

সমগ্ৰ ভাৰততে শিক্ষা সংস্কৃতিৰ ক্ষেত্ৰত অগ্ৰণী ডক্টৰ বৰুৱাই আন্তৰ্জাতিক সুখ্যাতি লাভ কৰিছিল। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ইণ্ডিয়ানা বিশ্ববিদ্যালয়ত আমন্ত্ৰী অধ্যাপক ৰূপে অধ্যাপনা কৰি আহি নতুন উদ্যমেৰে তেখেতে কৰ্মক্ষেত্ৰত নামিবলৈ ধৰোঁতেই নিয়তিৰ নিষ্ঠুৰ হাতে কাঢ়ি নিলে। ডক্টৰ বৰুৱাৰ পবিত্ৰ স্মৃতিত আমি শ্ৰদ্ধাঞ্জলি জনাইছোঁ।

**পাৰ্ব্বতিপ্ৰসাদ বৰুৱা :**

সিদিনা গীতিকবি পাৰ্ব্বতি প্ৰসাদ বৰুৱাৰ মৃত্যুৰ বাতৰিয়ে অসমবাসীক বিশেষকৈ অসম সাহিত্য সভাক ম্ৰিয়মান কৰি তুলিছে। অসম সাহিত্য সভাৰ গোৱাল-পাৰা অধিবেশনৰ সঙ্গীত শাখাৰ সভাপতিৰ আসনত বৰুৱাই সাহিত্য সভাই এইজনা সাহিত্য-সঙ্গীতজ্ঞ লোকক সন্মান দেখুৱাইছিল। স্বৰ্গীয় বৰুৱাদেৱৰ দানেৰে গুৱাহাটীত নিৰ্ম্মীয়মান অসম সাহিত্যসভাৰ ভগৱতী প্ৰসাদ বৰুৱাভৱনৰ উদ্বোধন তেওঁ দেখিবলৈ নাপালে। সেই অসমাপ্ত কাৰ্য্য যাতে সুসমাপ্ত হয়, তাকে কামনা কৰি বৰুৱাদেৱৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি জনালোঁ।



**সাহিত্য সভাৰ ডিগবৈ অধিবেশন :**

যোৱা বহাগ মাহৰ ১৮ তাৰিখৰ পৰা তিনদিন জুৰি ডিগবৈত অসম সাহিত্য সভাৰ একত্ৰিংশ অধি-বেশন শ্ৰীশ্ৰীমিত্ৰদেৱ মহন্ত অধিকাৰৰ সভাপতিত্বত সুচাৰুৰূপে সম্পন্ন হৈ গ'ল। ভাৰতৰ প্ৰায় সকলো ঠাইৰে সকলো ভাষা-ভাষী লোকৰ বসতিস্থল, তেল উদ্যোগৰ কেন্দ্ৰ ডিগবৈ নগৰত অসমসাহিত্য সভাৰ অধিবেশনৰ আয়োজন তাৎপৰ্য্যপূৰ্ণ আৰু গুৰুত্বপূৰ্ণ বুলি আমি যোৱা সংখ্যা পত্ৰিকাত উল্লেখ কৰিছিলোঁ। বতৰ প্ৰতিকূল হোৱা সত্ত্বেও ডিগবৈৰ আৰু ওচৰ-পাঁজৰৰ বিভিন্ন সমাজৰ, বিভিন্ন স্তৰৰ আৰু বিবিধ কাৰ্য্যক্ষেত্ৰত নিযুক্ত দহ হেজাৰতকৈপ সৰহ জনতাই সাহিত্য সভাৰ কেউদিনৰ মূল অনুষ্ঠানসমূহত যোগ দিয়াৰ পৰাই সাহিত্য সভালৈ সকলোৰে আন্তৰিক অনুৰাগ প্ৰকাশ পাইছে। মূল সভাৰ অধিবেশন আৰু সাংস্কৃতিক অধি-বেশনত হেজাৰ হেজাৰ দৰ্শক শ্ৰোতাই শৃঙ্খলাপূৰ্ণভাৱে নীৰৱে যোগদান কৰি সাহিত্যসভাৰ অধিবেশন সাফল্য-মণ্ডিত কৰি তুলিছিল। সাহিত্যসভাৰ উদ্যোক্তা, দৰ্শক-শ্ৰোতা সকলো ধন্যবাদৰ পাত্ৰ।

অসম অইল কোম্পানীৰ মেনেজাৰ চাহাবে সাহিত্য সভাৰ প্ৰতি আন্তৰিকতাপূৰ্ণভাৱে সহায় সহযোগ আগবঢ়োৱা বুলি জানিব পাৰি আমি সন্তোষ পাইছোঁ। শিল্প-বাণিজ্যৰ লগত সাহিত্য-সংস্কৃতিৰ মিলনৰ এই অপূৰ্ব্ব নিদৰ্শনে অসম সাহিত্যসভাক অগ্ৰগতিৰ পথত প্ৰেৰণা যোগাব বুলি নিশ্চয় আশা কৰিব পাৰি।

অসমৰ ৰাজ্যপাল শ্ৰীবিষ্ণু সহায়ে সাহিত্যসভাৰ মূল অধিবেশন উদ্বোধন কৰি সাহিত্যিকসকলক কল্যাণ কৰ্ম্মত আত্মনিয়োগ কৰিবলৈ আহ্বান জনায়।

সাহিত্যসভাৰ একত্ৰিংশ অধিৱেশন কেবাফালৰ পৰাও বৈশিষ্ট্যপূৰ্ণ হৈছে। সাংস্কৃতিক অধিবেশনৰ সভা-পতিৰ আসন গ্ৰহণ কৰে বিশ্বভাৰতী বিশ্ব-বিদ্যালয়ৰ অধ্যাপক শ্ৰীশান্তিদেৱ ঘোষে। শ্ৰীঘোষে তেওঁৰ পাণ্ডিত্য-পূৰ্ণ ভাষণত অসমৰ সাংস্কৃতিক ঐতিহ্যৰ ভূয়সী প্ৰশংসা কৰি বৰ্ত্তমান সময়ৰ সঙ্গীত সাধনাৰ বিষয়ে উল্লেখ কৰিছে। তেও কৈছে—"ভাস্কৰবৰ্ম্মা নৃত্য-গীতত অনুৰাগী আছিল বুলিয়েই তেওঁ বিদেশী অতিথিসকলৰ বাবে নাচ গানৰ ব্যৱস্থা কৰিছিল। সঙ্গীত ৰসিক তেওঁ। ......আধুনিক গানত অসমৰ গীত ৰচয়িতা আৰু গীতাংশসকল পিছ পৰি থকা নাই। নানা ধৰণৰ পৰীক্ষা আৰু নিৰীক্ষাৰ ভিতৰেদি তেওঁলোকৰ কাম চলিব লাগিছে।"

দুয়োদিনৰ সাংস্কৃতিক অধিবেশনৰ সঙ্গীত-নৃত্য আদি উচ্চমান বিশিষ্ট হৈছিল।

ডিগবৈ সাহিত্য অধিবেশনৰ লগত বুৰঞ্জী বিজ্ঞান, দৰ্শন আদি শাখাসমূহৰ অধিৱেশন পতা নহ'ল— অপাৰগতাৰ বাবে নহয় অপ্ৰয়োজনীয়তাৰ (?) বাবেহে। অভ্যৰ্থনা সমিতিৰ সভাপতি মহোদয়ে তেওঁৰ অভি-ভাষণত বুৰঞ্জী, বিজ্ঞান আদি শাখা যে সাহিত্যসভাৰ লগত পাতিব নালাগে বা পতা অনাৱশ্যক সেই বিষয়ে যুক্তিৰ অৱতাৰণা কৰি ৰাইজক পতিয়ন নিয়াবলৈ চেষ্টা কৰিছে। তেওঁৰ যুক্তিৰ যুক্তি-যুক্ততাৰ বিচাৰৰ ভাৰ সাহিত্যানুৰাগী সকললৈকে থোৱা হ'ল।

ডিগবৈ অধিৱেশনত দুদিন জুৰি হোৱা আলো-চনা চক্ৰও সাহিত্যসভাৰ বুৰঞ্জীত নতুন আৰু সেই বাবেই বৈশিষ্ট্যপূৰ্ণ। উপন্যাস সাহিত্য সম্পৰ্কে অভ্যৰ্থনা সমিতিয়ে তিনিজন সাহিত্যিকৰ তিনিখন ৰচনা সম্বলিত এখনি পুস্তিকা প্ৰকাশ কৰি প্ৰচাৰ কৰিছিল। দুয়োদিনে অসমৰ শিক্ষামন্ত্ৰী শ্ৰীদেৱকান্ত বৰুৱা দেৱৰ সভাপতিত্বত হোৱা আলোচনা চক্ৰত বিখ্যাত ঔপন্যাসিক ডঃ মুলুক্ৰাজ আনন্দৰ ভাষণ প্ৰেৰণাদায়ক হৈছিল। এইদৰে দুজন সৰ্ব্বভাৰতীয় খ্যাতিসম্পন্ন অসমৰ বাহিৰৰ মনী-ষীয়ে অসম সাহিত্যসভাৰ সৈতে ঘনিষ্ঠ ভাৱে যোগ

দিয়াটো আনন্দৰ বিষয়।

নগা ভূমিৰ এম্ এল্-এ সাহিত্যিক শ্ৰীগোবিন্দ চন্দ্ৰ পৈৰাই সভাৰ প্ৰদৰ্শনী উদ্বোধন কৰি জাতীয় ঐক্যৰ বাবে সাংস্কৃতিক সমন্বয়ৰ ওপৰত গুৰুত্ব দিয়ে।

অসম সাহিত্যসভাৰ ডিগবৈ অধিৱেশনে এইবাৰ সৰহীয়া প্ৰস্তাৱ লোৱা নাই। তাৰ ভিতৰত সাহিত্যৰথী বেজবৰুৱাৰ জন্মবাৰ্ষিকী পালনৰ প্ৰস্তাৱ উল্লেখযোগ্য। বেজবৰুৱাৰ শতবাৰ্ষিকী যাতে সুপৰিকল্পিত ভাৱে উদ্‌যাপিত হয়, সেই উদ্দেশ্যে অসম সভা আৰু অসমৰ সকলো সাহিত্যানুৰাগীয়ে নিশ্চয় সময়োচিত মনোযোগ দিব।

## সাহিত্যসভাৰ অহা অধিৱেশন :

অসম সাহিত্যসভাৰ অহা দ্বাত্ৰিংশ অধিৱেশন নলবাৰীলৈ আমন্ত্ৰিত হৈছে। সাহিত্যসভাৰ অহা অধিৱেশনৰ স্থান সম্পৰ্কে কোনো কোনো লোকৰ মনত এক প্ৰকাৰ অপ্ৰকৃত ধাৰণাই ঠাই লোৱা যেন দেখা গৈছে। সাহিত্যসভাৰ অহা অধিৱেশন যাতে মিকিৰ পাহাৰ জিলাৰ কোনো এঠাইত বহে, মিকিৰ ছাত্ৰ সন্মিলনে এনে ইচ্ছা প্ৰকাশ কৰিছিল। অসম সাহিত্য সভাৰ কাৰ্য্যকাৰকসকলে ছাত্ৰসকলৰ ইচ্ছাৰ প্ৰতি সন্মান দেখুৱাই মিকিৰ জিলা পৰিষদৰ সদস্য আৰু মিকিৰ পাহাৰ জিলাৰ অসম সাহিত্যসভাৰ কাৰ্য্যনিৰ্ব্বাহকৰ সদস্য আৰু অন্যান্য কেইজনমান স্থানীয় লোকৰ সৈতে বিশদ আলোচনা কৰাৰ পিছত সাহিত্য সভাৰ ত্ৰয়ত্ৰিংশ অধিৱেশন মিকিৰ পাহাৰৰ কোনো এখন ভিতৰুৱা অঞ্চলত পতাৰ অনুকূলে মত প্ৰকাশ কৰে। ইতিমধ্যে সাহিত্য সভাৰ কাৰ্য্যনিৰ্ব্বাহকৰ এক অধিৱেশন মিকিৰ পাহাৰ জিলাৰ কোনো ঠাইত পতাৰ সিদ্ধান্ত কৰা হয়।

**ত্ৰুটী :** ছপাখানাৰ বিভ্ৰুতিৰ বাবে পত্ৰিকাৰ আকাৰ-প্ৰকাৰত নানা ত্ৰুটী-বিচ্যুতি থাকি গ'ল।

**স্বীকৃতি :** জৱহাৰলাল নেহৰুৰ ছবিখন অসম ট্ৰিবিউনৰ আৰু অন্যান্য ছবি কেইখন সাহিত্য সভাৰ অভ্যৰ্থনা সমিতিৰ সৌজন্যত পোৱা হৈছে।

---